www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা, মানুহক নুজুখিবা।
— ৰবীন্দ্ৰনাথ ঠাকুৰ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৫৪ ❐ শুকুৰবাৰ ❐ ১২ ডিচেম্বৰ, ২০২৫ চন ❐ ২৫ আঘোণ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 254 ❐ Friday ❐ 12th December, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

■ নিহতৰ পৰিয়াললৈ ৮ লাখ টকাকৈ আৰ্থিক সাহায্য ■

## অৰুণাচলত অসমৰ শ্ৰমিকৰ মৃত্যুক লৈ শোকপ্ৰকাশ প্ৰধানমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ আনজাও জিলাৰ দুৰ্গম পাহাৰীয়া অঞ্চলত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত খেলা পুখুৰী চাহ বাগানৰ ২১ গৰাকী শ্ৰমিকৰ মৃত্যু হোৱাৰ খবৰে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পেলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মৰ্মান্তিক দুৰ্ঘটনাত প্ৰাণ হেৰুৱা সকলৰ পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজি (PMNRF)ৰ পৰা প্ৰতিগৰাকী মৃতকৰ নিকট আত্মীয়ক ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ অফিচিয়েল এ' (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত ▸▸৬ পৃষ্ঠাত

## লোকসভাত অমিত শ্বাহ বনাম ৰাহুল গান্ধী !

নিৰ্বাচনী সংস্কাৰৰ আলোচনা উত্তপ্ত বাকযুদ্ধলৈ ৰূপান্তৰিত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** লোকসভাত বুধবাৰে নিৰ্বাচনী সংস্কাৰ আৰু ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (Special Intensive Revision - SIR)ৰ ওপৰত হোৱা আলোচনা অমিত শ্বাহ আৰু ৰাহুল গান্ধীৰ মাজত তীব্ৰ বাকযুদ্ধলৈ ৰূপান্তৰিত হয়। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বৃহস্পতিবাৰে ▸▸৬ পৃষ্ঠাত

ডিব্ৰুগড়ত বহু আসনত প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত

## ২০২৬ৰ বিধানসভা যুদ্ধৰ বাবে উজনিত 'টঙালি বান্ধিলে' অগপই



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধি নামি পৰিছে আঞ্চলিক শক্তি অসম গণ পৰিষদ (অগপ)। বিজেপিৰ সৈতে মিত্ৰতা বজাই ৰাখি উজনি অসমৰ পৰম্পৰাগত শক্তিশালী ঘাটিসমূহত এই বাৰ বিধায়কৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্যৰে বৃহস্পতিবাৰে ▸▸৬ পৃষ্ঠাত

ষ্টেট বেংকৰ গুৰুত্বপূৰ্ণ নথি-লকাৰৰ সুৰক্ষা লৈ গ্ৰাহকৰ মাজত তীব্ৰ উদ্বেগ

### নিৰ্বাপিত হ'ল গুৱাহাটীৰ স্বাগতা স্কোৱেৰৰ জুই

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ ডিচেম্বৰ ঃ** এবিচিৰ সন্মুখত থকা ছয়মহলীয়া স্বাগতা স্কোৱেৰ অট্টালিকাত মঙলবাৰে মাজনিশা সংঘটিত হোৱা ভয়াৱহ অগ্নিকাণ্ড বৃহস্পতিবাৰে ▸▸৬ পৃষ্ঠাত

অসমৰ ২১জন শ্ৰমিকৰ মৃত্যুৰ আশংকা; ১৩ জনৰ মৃতদেহ উদ্ধাৰ

# অৰুণাচলৰ হায়ুলিয়াঙত শোকাৱহ পথ দুৰ্ঘটনা

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শোক প্ৰকাশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১১ ডিচেম্বৰ ঃ** অসমৰ পৰা শ্ৰমিক কঢ়িয়াই নিয়া এখন ট্ৰাক ৮ ডিচেম্বৰৰ নিশা অৰুণাচল প্ৰদেশৰ তথা ভাৰত-চীন সীমান্ত পথত অৱস্থিত আঞ্জাও জিলাৰ চাগলাগাম চাৰ্কোলত এক দুৰ্ঘটনাত পতিত হয়। ঘটনাত ২১ জনৰ শ্ৰমিকৰ মৃত্যুৰ আশংকা কৰা হৈছে। এই পৰ্যন্ত উদ্ধাৰ হৈছে ১৩টা মৃতদেহ। অস্বস্তিকৰ হায়ুলিয়াং-চাগলাগাম পথৰ কাষৰীয়া প্ৰায় ১০০০ ফুট তলত শ্ৰমিক কঢ়িয়াই নিয়া ট্ৰাকখন বাগৰি পৰাৰ ফলত উক্ত বৃহৎ শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হ'য়। হায়ুলিয়াঙৰ পৰা প্ৰায় ৪৭ কিলোমিটাৰ নিলগৰ ভাৰত-চীন সীমান্তৰ ওচৰৰ উচ্চ উচ্চতা, কম জনবসতিপূৰ্ণ অঞ্চল চাগলাগাম চক্ৰৰ সমীপত সংঘটিত হয় উক্ত ভয়ংকৰ পথ দুৰ্ঘটনাটি। তিনিচুকীয়া জিলাৰ পৰা শ্ৰমিক কঢ়িয়াই অনা ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই শ শ ফুট তলত বাগৰি পৰাত কৰুণ দুৰ্ঘটনাটি সংঘটিত হয়। এই বাতৰি লিখা পৰলৈকে আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনীৰ আৰু স্থানীয় প্ৰশাসনৰ উদ্ধাৰকাৰী দলে ধ্বংসাৱশেষৰ পৰা ১৩টা মৃতদেহ উদ্ধাৰ কৰে। বাকীসকলৰ অনুসন্ধানত গভীৰ নিশালৈকে উদ্ধাৰ অভিযান অব্যাহত থকাৰ লগতে শুকুৰবাৰে পুৱাই পুনৰ উদ্ধাৰ অভিযান আৰম্ভ হ'ব বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত এগৰাকী বিষয়াই জনোৱা মতে, ট্ৰাকখনত চালককে ধৰি ২২জন পৰ্য্যন্ত ব্যক্তি কঢ়িয়াই নিয়া হ'ব পাৰে। চাহ জনগোষ্ঠী আৰু আদিবাসী জনগোষ্ঠীৰ বহু লোকক আংশিকভাৱে চিনাক্ত হৈছে। তেওঁলোক হৈছে - বুদ্ধেশ্বৰ দীপ(২৩), ৰাহুল ▸▸৬ পৃষ্ঠাত



ন্যায় প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখক ঃ মুখ্যমন্ত্ৰী

### আজি দাখিল হ'ব জুবিন গাৰ্গৰ মৃত্যু তদন্তৰ চাৰ্জশ্বীট

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ডিচেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী তথা সংগীত পৰিচালক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ চাৰ্জশ্বীট অহা ১২ ▸▸৬ পৃষ্ঠাত



পেছিভ ইউথেনাচিয়াৰ বাবে দ্বিতীয়বাৰৰ বাবে এইমছক নিৰ্দেশ উচ্চতম ন্যায়ালয়

### ১৩ বছৰ ধৰি বিছনাত পৰি থকা হৰিশ ৰাণাৰ ভাগ্য নিৰ্ধাৰণৰ পথ মুকলি

**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** বিগত ১৩ বছৰ ধৰি মৃত্যুৰ সৈতে যুঁজি থকা ৩২ বছৰীয়া যুৱক হৰিশ ৰাণাৰ ক্ষেত্ৰত পেছিভ ইউথেনাচিয়া (জীৱনধাৰণৰ যন্ত্ৰপাতি আঁতৰাই স্বাভাৱিক মৃত্যুৰ পিনে এৰি দিয়া)ৰ অনুমতি দিয়া উচিত নেকি, তাৰ চূড়ান্ত সিদ্ধান্তৰ পথ মুকলি কৰিলে উচ্চতম ন্যায়ালয়ে। বৃহস্পতিবাৰে ন্যায়ালয়ে নতুন দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল চাইন্সেছ (এইমছ)ৰ সঞ্চালকক নিৰৰ্থকৰীয়া চিকিৎসা বন্ধ কৰাৰ যোগ্যতা ▸▸৬ পৃষ্ঠাত

### ডিব্ৰুগড়ত নৱম শ্ৰেণীত অধ্যয়নৰতক চাইকেল বিতৰণ

উচ্চতৰ মাধ্যমিক শ্ৰেণী পৰ্যন্ত আধাতে শিক্ষা এৰে ৪০ শতাংশ ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ডিচেম্বৰ ঃ** ৰাজ্যৰ শিক্ষাৰ্থী সমাজৰ সোণালী ভৱিষ্যতমুখী যাত্ৰাত এক নৱ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ ফুলবাগানস্থিত পুৰণি চৰকাৰী বালক উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত ▸▸৬ পৃষ্ঠাত

কাৰাগাৰ আৰু উচ্ছেদক লৈ প্ৰতিদ্বন্দ্বিতা

### ৰূপহীহাটত সংখ্যালঘু ৰাজনীতি! নুৰুল হুদা বনাম আমিনুল ইছলাম



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** ধৰ্মীয় সংখ্যালঘু ভোটাৰ প্ৰধান ৰূপহীহাট বিধানসভা সমষ্টিত এতিয়া মুখ্য প্ৰতিদ্বন্দ্বী হৈ পৰিছে দুজন প্ৰভাৱশালী বিধায়ক — বৰ্তমানৰ কংগ্ৰেছ বিধায়ক ▸▸৬ পৃষ্ঠাত

### মৰিগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা; এগৰাকী মহিলাৰ থিতাতে মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ১১ ডিচেম্বৰ ঃ** মৰিগাঁও চহৰৰ মাজমজিয়াৰ লঠাবড়ীত আজি বিয়লি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাতে মৃত্যু হয়। মৃত মহিলাগৰাকী মৰিগাঁও জিলাৰ জালুগুটি টকুনাবড়ীৰ আমিৰুন নেচা বুলি ▸▸৬ পৃষ্ঠাত




পষ্ট মেলনৰ নিৰ্যাতন কাণ্ডৰ পৰা জুবিনৰ চাৰ্জশ্বীটলৈ; তীক্ষ্ণ সমালোচনা অখিল গগৈৰ

### চাৰ্জশ্বীটত সাগৰ, জুইকে মূল কেন্দ্ৰবিন্দু কৰি জুবিনক অপযশ দিয়াৰ চেষ্টা !



**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে গুৱাহাটীত পষ্ট মেলন অনুষ্ঠানত বিদেশী মহিলা পৰ্যটকৰ ওপৰত হোৱা যৌন নিৰ্যাতনৰ ঘটনাক অতি গুৰুতৰ বুলি অভিহিত কৰি কয়, "পৰ্যটন বৃদ্ধিৰ বাবে আয়োজিত অনুষ্ঠানতে এনে জঘন্য ঘটনা ঘটিলে কেৱল অসমৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ বিশ্বৰ আগত বদনাম হৈছে। অসম আৰক্ষীয়ে যাতে অতি কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰে আৰু বিশ্বৰ আগত অসম পুনৰ লজ্জাৰ মুখ নেদেখে, সেয়াই আমাৰ দাবী।" জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত SITৰ দাখিল কৰা চাৰ্জশ্বীটক লৈয়ো অখিল গগৈয়ে তীব্ৰ আক্ৰমণাত্মক হৈ পৰে। তেওঁ কয়, "এইখন কোনো চাৰ্জশ্বীট নহয়, এয়া এক ভেঁকোভাওনা। ছিংগাপুৰ চৰকাৰে দিয়া চিকিৎসা প্ৰতিবেদনত ▸▸৬ পৃষ্ঠাত

চাহ শ্ৰমিকক ভূমি পট্টা দিয়াৰ নামত বিজেপিয়ে ভেঁকোভাওনা অভিযোগ

### গৌতম ধানোৱাৰৰ ভাৰতীয় জনতা পাৰ্টি ত্যাগ



**অসম বাৰ্তা বিশেষ, পেঙেৰী, অসম বাৰ্তা, ডিগবৈ, ১১ ডিচেম্বৰ ঃ** আজীৱন কংগ্ৰেছী নেতা তথা ডিগবৈ বিধান সভা সমষ্টিৰ একেলেঠাৰিয়ে ছটা কাৰ্যকালৰ বিধায়ক, প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ৰামেশ্বৰ ▸▸৬ পৃষ্ঠাত

### বিৰোধীৰ মিত্ৰতাত সন্দেহৰ অৱকাশ নাই

'২৬ত বিজেপিক পৰাস্ত কৰিবলৈ বিৰোধী দলসমূহ একেলগ হোৱা উচিত ঃ অখিল গগৈ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে একেলগে যুঁজ দিয়াৰ কথা পুনৰ দৃঢ়তাৰে ঘোষণা কৰিলে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক ▸▸৬ পৃষ্ঠাত

### ২৫ লাখ টকাৰ কিতাপ বিক্ৰীৰে সামৰণি পৰিল অসম গ্ৰন্থমেলা শিলচৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১১ ডিচেম্বৰ ঃ** ভাষা-সাহিত্য, চলচ্চিত্ৰ-সংগীত, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকালৈ জন্ম শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি, সমাজ-ইতিহাস আদি বিভিন্ন বিষয়ৰ বৌদ্ধিক আলোচনা, কবিতা পাঠ, সাংস্কৃতিক প্ৰতিযোগিতাৰে বিগত ১০ দিন ধৰি উৎসৱমুখৰ হৈ থকা অসম গ্ৰন্থমেলাৰ সফল সমাপ্তি ঘটিল। এই সামৰণিৰ লগে লগে নিজম পৰিল শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ড। ৰাজ্য চৰকাৰে ঘোষণা কৰা 'গ্ৰন্থ-বৰ্ষ'ৰে সংগতি ৰাখি ▸▸৬ পৃষ্ঠাত

হাগ্ৰামা মহিলাৰীৰ স্পষ্ট ঘোষণা; ছয় জনগোষ্ঠীৰ জনজাতিকৰণতো সমৰ্থন

### '২৬ত এনডিএৰ সৈতে মিত্ৰতাৰে নিৰ্বাচনী ৰণকৌশল বিপিএফৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ ডিচেম্বৰ ঃ** বড়োলেণ্ডৰ প্ৰভাৱশালী আঞ্চলিক দল বড'লেণ্ড পিপ'লছ ফ্ৰণ্ট (বিপিএফ)ৰ মুৰব্বী তথা বিটিচিৰ প্ৰমুখ হাগ্ৰামা মহিলাৰীয়ে আজি সকলো জল্পনাৰ অন্ত ▸▸৬ পৃষ্ঠাত

# কাইলৈ অনুষ্ঠিত হ'ব জনীয়া প্ৰেছ ক্লাবৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, জনীয়া, ১১ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ নৱ গঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত জনীয়া প্ৰেছ ক্লাবৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১২ ডিচেম্বৰত জনীয়া চাৰি আলি চ'কত দিনযোৰা কাৰ্যক্ৰমণিকাৰে উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰীৰ দ্বাৰা প্ৰেছ ক্লাবৰ পতাকা উত্তোলন, ৯ বজাত গছপুলি ৰোপণ, ১০ বজাত কলগাছিয়া প্ৰেছ ক্লাব প্ৰতিষ্ঠাপক তথা প্ৰবীন সাংবাদিক মৌলানা আব্দুল হামিদৰ দ্বাৰা মঞ্চদ্বাৰ উন্মোচন। দুপৰীয়া ১১ বজাত বাংলীপাৰাৰ চি আৰ চি চি বিজয় সূত্ৰধৰে উদ্বোধন কৰিব চিত্ৰাংকন প্ৰতিযোগিতা, ১১.৩০ বজাত মন্দিয়াৰ অসম লাইভ ২৪ ৰ সাংবাদিক ইব্ৰাহিম খলিলে উদ্বোধন কৰিব থিতাতে ধৰি দিয়া বিষয় বস্তুৰ ওপৰত বাতৰি লিখা প্ৰতিযোগিতা। আবেলি ১ বজাত কাদং হাইস্কুলৰ সহ: শিক্ষক হাইদৰ তালুকদাৰে উদ্বোধন কৰিব স্ব-নিৰ্বাচিত কবিতা আবৃতি প্ৰতিযোগিতা। আবেলি ১.৩০ বজাত মুকলি কুইজ, ২ বজাত জনীয়া প্ৰেছ ক্লাবৰ উপ-সভাপতি প্ৰদীপ কুমাৰ সৰকাৰ আৰু জনীয়া প্ৰেছ ক্লাবৰ সহ সম্পাদক মতিয়াৰ ৰহমানৰ পৰিচালনাত বিশ্ব বৰেণ্য প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হব। বিয়লি ৩ বজাত জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰীৰ পৌৰোহিত্যত মুকলি, বঁটা বিতৰণ আৰু বিশেষ বঁটা প্ৰদান সভা অনুষ্ঠিত হব। বৰপেটা জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া অনন্যা গগৈয়ে উদ্বোধন কৰা সভাত ক্ৰমে মুখ্য অতিথি হিচাপে বৰপেটা লোকসভা সমষ্টিৰ প্ৰাক্তন সংসদ আব্দুল খালেক, বিশিষ্ট অতিথি হিচাপে ক্ৰমে ছানোৱাৰ ৰহমান, অধ্যক্ষ, ফখৰুদ্দিন আলী আহমেদ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, জনীয়া; মনিয়াৰা পাৰবিন, সদস্য, জনীয়া জিলা পৰিষদ সমষ্টি, ছুফিয়া খাতুন, সদস্য, বৰভিটা-চলা জিলা পৰিষদ সমষ্টি; নজৰুল ইছলাম, চিয়াৰপাৰ্চন, লোকপ্ৰিয় গাৰ্লচ কলেজ, কলগাছিয়া; মুকুল হুছেইন, সম্পাদক, অসম প্ৰদেশ কংগ্ৰেছ কমিটি, ফাৰুক খান, সাধাৰণ সম্পাদক, বিজেপি সংখ্যালঘু মৰ্চা, বৰপেটা জিলা, মণ্ডৱা খানম, সভানেত্ৰী, মন্দিয়া ব্লক মহিলা কংগ্ৰেছ কমিটি; নিৰ্দিষ্ট বক্তা হিচাপে ক্ৰমে নকুল তালুকদাৰ, সাধাৰণ সম্পাদক, সদৌ অসম সাংবাদিক সন্থা (আজু); আছিৰ উদ্দিন তালুকদাৰ, অধ্যক্ষ, ইংলিচ একাডেমি কলগাছিয়া; জাহিদুল ইছলাম, সম্পাদক, কলগাছিয়া প্ৰেছ ইউনিয়ন; সন্মানীয় অতিথি হিচাপে ক্ৰমে ছোলাইমান চৌধুৰী, অধ্যক্ষ, জনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়; আবুল কালাম আজাদ, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক, পশ্চিম বৰপেটা হাইস্কুল; দেৱান শ্বাহজামাল হুছেইন, অধ্যক্ষ, ৰুবেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল জনীয়া; আয়নাল হক চৌধুৰী, প্ৰধান শিক্ষক, জনীয়া আঞ্চলিক হাইস্কুল; উবাইদুল্লা হক, পৰিচালন সঞ্চালক, স্মাৰ্ট গুৰু এবাকাচ এণ্ড ব্ৰেইন জিম; আমন্ত্ৰিত অতিথি হিচাপে ক্ৰমে আব্দুল জলিল, সভাপতি, কয়াকুছি প্ৰেছ এছোচিয়েশ্বন; আফছানা পাৰবিন, সভানেত্ৰী, জনীয়া গাওঁ পঞ্চায়ত; ছাবিনা ইয়াছমিন হুছেইন, সভানেত্ৰী, কাদং গাওঁ পঞ্চায়ত; শ্বাহানাচ চুলতানা, সভানেত্ৰী, বানিয়াৰাপাৰা গাওঁ পঞ্চায়ত; আজমিনা খাতুন, সদস্যা, মন্দিয়া আঞ্চলিক পঞ্চায়ত; নুৰুল হক, সমাজকৰ্মী, ৰছুলপুৰ; আব্দুল মোতালেব, উপ-সভাপতি, বিজেপি সংখ্যালঘু মৰ্চা, বৰপেটা জিলা; জাকিৰ খান, সমাজকৰ্মী তথা সাংস্কৃতিক কৰ্মী, যতিগাওঁ; ইছমাইল হুছেইন, সমাজকৰ্মী, টাপাজুলি আৰু ৰোমেজ আলী, সত্বাধিকাৰী, ভাৰত পেট্ৰ'ল পাম্প, ভোগাওঁ। ৪ বজাত গীতৰ শৰাই। উল্লেখ্য যে, সিদিনাৰ অনুষ্ঠানত ক্ৰমে সংবাদ নক্ষত্ৰ বঁটা: বিশ্বজিৎ দাস, মুখ্য সম্পাদক, অসমীয়া খবৰ; নিৰপেক্ষ সবল কণ্ঠ বঁটা: আকাশ দলে, মুখ্য সাংগঠনিক সম্পাদক, কৃষক মুক্তি সংগ্ৰাম সমিতি; সফল অভিভাৱক বঁটা: আলী আকবৰ আহমেদ, ডাউকমাৰী; নীৰৱ সংগীত সাধনা বঁটা: এম আতাউল্লাহ, মহম্মদপুৰ আৰু সবল মানসিক বঁটা: মাজেদ আলী ( মইনবৰী)ক বিশেষ বঁটাৰে সন্মানীত কৰা হব বুলি জনীয়া প্ৰেছ ক্লাবৰ সম্পাদক আবুল হুছেইনে জানিবলৈ দিয়ে। সেয়ে উক্ত অনুষ্ঠানত সমূহ ৰাইজৰ উপস্থিতি অন্তকৰণেৰে কামনা কৰিছে উদ্যোক্তাসকলে।

**বিশ্বনাথ বিধানসভা সমষ্টিত ৫২৪৩ গৰাকী, বিহালীত ৫৭১৪ গৰাকী আৰু গহপুৰত উপকৃত হ'ব ২৬৩৯ গৰাকী হিতাধিকাৰী**

# বিশ্বনাথ জিলাত ১৩, ৫৯৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ অনুমোদন পত্ৰ প্ৰদান



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ ডিচেম্বৰ ঃ** বিশ্বনাথ জিলাৰ তিনিওটা বিধানসভা সমষ্টিৰ সৰ্বমুঠ ১৩, ৫৯৬ গৰাকী হিতাধিকাৰীলৈ আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। বিশ্বনাথ বিধানসভা সমষ্টিৰ কমলাকান্ত নাট্য সমাজত অনুষ্ঠিত হোৱা এক বিশেষ সভাত বিশ্বনাথ বিধানসভা সমষ্টিৰ মুঠ ৫২৪৩ গৰাকী হিতাধিকাৰীক এই অনুমোদন পত্ৰ আজি আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। কমলাকান্ত নাট্য সমাজত অনুষ্ঠিত সভাত বিধায়ক প্ৰমোদ বৰঠাকুৰে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুঠ ১৩ গৰাকী হিতাধিকাৰীক এই গৃহ অনুমোদন পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰি প্ৰক্ৰিয়াটোৰ শুভাৰম্ভ কৰে। বিশ্বনাথৰ এই অনুষ্ঠানত জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস, বিশ্বনাথ জিলা পৰিষদৰ উপ সভানেত্ৰী পবিতা নাৰ্জাৰী গয়াৰী, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া লিজা তালুকদাৰ, সমাজকৰ্মী অসীম দাস, বিশ্বনাথ আঞ্চলিক পঞ্চায়তৰ সভাপতি কন্দৰ্প হাজৰিকা, সাকোমঠা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী বন্তি দেৱী ভূঞা, জিলা পৰিষদৰ সদস্যসকল ক্ৰমে প্ৰাণোদীপ্ত ৰাজখোৱা, গণেশ বাচোৱাৰ, দিপালী দেৱী, খণ্ড উন্নয়ন বিষয়া প্ৰমুখ্য সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল। আনহাতে বিহালী সম-জিলাৰ বৰগাংস্থিত শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱালে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে আৰু বিহালী বিধানসভা সমষ্টিৰ ৫৭১৪ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বিহালী বিধানসভা সমষ্টিৰ এই অনুষ্ঠানত বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, সম-জিলা আয়ুক্ত প্ৰভাত পেগু, সহকাৰী আয়ুক্ত সকল, বিহালী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দিনকান্তি দাস, বাঘমৰা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দীপা চেত্ৰী, খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে পঞ্চায়ত প্ৰতিনিধি সকল উপস্থিত আছিল। সেইদৰে গহপুৰৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত হোৱা সভাখনিত গহপুৰৰ বিধায়ক উৎপল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে আৰু গহপুৰ বিধানসভা সমষ্টিৰ ২৬৩৯ গৰাকী হিতাধিকাৰীৰ মাজত গৃহ অনুমোদন পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত গহপুৰ সম-জিলা আয়ুক্ত আদিত্য প্ৰতাপ সিং, গহপুৰ পৌৰ সভাৰ সভাপতি অতুল বৰা, ছয়দুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ললিতা গয়াৰী, পূৱ ছয়দুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰা, খণ্ড উন্নয়ন বিষয়াসকল, জিলা পৰিষদৰ সদস্যসকল ক্ৰমে নিৰন হাজৰিকা দিপালী দেৱী, লক্ষ্যনাথ মিলি, নিতুল হাজৰিকা প্ৰমুখ্যে সন্মানীয় ব্যক্তিসকল উপস্থিত আছিল।

**গোৱালপাৰা জিলাৰ ২২ গৰাকী শ্বহীদক স্মৰণ**

# দুধনৈ সমজিলা প্ৰশাসনৰ উদ্যোগত "শ্বহীদ দিৱস-২০২৫" উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১১ ডিচেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত "শ্বহীদ প্ৰণামো তোমাক" গীতেৰে দুধনৈ সমজিলা প্ৰশাসনে শ্ৰদ্ধাঞ্জলি জনালে বিদেশী বহিষ্কাৰ অসম আন্দোলনত শ্বহীদ হোৱা ৮৬০ গৰাকী শ্বহীদলৈ। গুৱাহাটী বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ উদ্যানত কেন্দ্ৰীয়ভাৱে শ্বহীদ দিৱস উদ্‌যাপন কৰাৰ সমান্তৰালকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দুধনৈ সমজিলাৰ উদ্যোগত দুধনৈ আমজোঙা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত পালন কৰা হয় শ্বহীদ দিৱস। '৮৩ৰ বিদেশী বহিষ্কাৰ আন্দোলনত ৰাজ্যৰ ৮৬০ গৰাকী শ্বহীদৰ ভিতৰত গোৱালপাৰা জিলাৰ ২২ গৰাকী ব্যক্তিয়ে আত্মবলিদান দি শ্বহীদ হৈছিল। অসম আন্দোলনৰ প্ৰথম গৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে আন ৮৫৯গৰাকী শ্বহীদক আজি সশ্ৰদ্ধ প্ৰণিপাত জনায় দুধনৈ সমজিলা প্ৰশাসনে। বিদেশী বহিষ্কাৰৰ বাবে আশীৰ দশকত অসমত হোৱা আন্দোলনত যাক পৰৱৰ্তী সময়ত "অসম আন্দোলন" বুলি অভিহিত কৰা হৈছিল সেই আন্দোলনত প্ৰাণাহুদি দিয়া অসমৰ ৮৬০ গৰাকী শ্বহীদক আজি স্মৰণ কৰে। এই অনুষ্ঠানৰ জৰিয়তে দুধনৈ সম জিলা প্ৰশাসনে শ্ৰদ্ধাপূৰ্ণভাৱে গোৱালপাৰা জিলাৰ ২২ গৰাকীকে ধৰি অসমৰ শ্বহীদসকলক আজি তেওঁলোকৰ মাতৃভূমিৰ প্ৰতি থকা প্ৰেম আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক প্ৰণিপাত জনায়। সেই সময়ত অসমৰ বিদেশী সমস্যা বিশেষকৈ বাংলাদেশী লোকৰ নাম অসমৰ ভোটাৰ তালিকাত সোমোৱাক লৈ ক্ষোভিত হোৱা অসমবাসীয়ে নামি পৰিছিল আন্দোলনত। অসম তথা অসমীয়াৰ অস্তিত্বৰ সংকটৰ বাবে গঢ়ি উঠা আন্দোলনক সেইসময়ৰ চৰকাৰে কঠোৰ ভাৱে দমন কৰাত লাগি গৈছিল। পৰৱৰ্তী পৰ্যায়ত সেই বিদেশী বহিষ্কাৰ আন্দোলনে গোটেই অসমত বিয়পি পৰে আৰু সমগ্ৰ অসমতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। চৰকাৰী পক্ষই আন্দোলনটোক স্তব্ধ কৰিবলৈ উঠি পৰি লাগে আনহাতে অসমৰ গাৱে-ভূঁঞে, চহৰে-নগৰে আন্দোলনৰ কাৰ্যসূচী বিয়পি পৰে। সেই বিদেশী বহিঃস্কাৰ আন্দোলনত দল-সংগঠনৰ লগতে অসমৰ সাধাৰণ জনতায়ো অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰাত আন্দোলনে ব্যাপকতা লাভ কৰে। তেনে সময়তে বৰপেটা জিলাৰ ভৱানীপুৰত ১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ দিনা আৰক্ষীৰ নিৰ্মম অত্যাচাৰত প্ৰাণাহুদি দিয়ে ২২ বছৰীয়া খৰ্গেশ্বৰ তালুকদাৰে। জাতিৰ অস্তিত্ব ৰক্ষাৰ যুঁজখন অধিক স্পৰ্শকাতৰ হৈ পৰাত অসমৰ বিভিন্ন জিলাৰ ৮৬০ গৰাকী লোক শ্বহীদ হয়। আন্দোলনৰ সময়চোৱাত গোৱালপাৰা জিলাৰ কেবাটাও অঞ্চলত পৰিস্থিতি উত্তপ্ত হৈ পৰিছিল। ফলত গোৱালপাৰা জিলাৰ ২২ গৰাকী লোকে প্ৰাণাহুদি দিবলগীয়া হৈছিল। আজি গোৱালপাৰা জিলা প্ৰশাসনে আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীত জিলাখনৰ শ্বহীদ পৰিয়ালসমূহেও অংশ গ্ৰহণ কৰে।



অন্যান্য বৰ্ষৰ তুলনাত এইবাৰ অসম চৰকাৰে শ্বহীদ দিৱস কিছু সুকীয়া আৰু তাৎপৰ্যপূৰ্ণ ভাৱে পালন কৰাৰ ব্যৱস্থা কৰিছে। গোৱালপাৰা জিলা প্ৰশাসনেও অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি শ্বহীদ দিৱস অনুষ্ঠিত কৰিছে। আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ দ্বাৰা গুৱাহাটী বৰাগাঁৱত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। আমজোঙা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুসৰি বিদ্যালয় চৌহদত থকা শ্বহীদ স্তমভত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি উপস্থিত থকা আটায়ে হাতে হাত ধৰি মানৱ শৃংখলেৰে ড° ভূপেন হাজৰিকাদেৱৰ "শ্বহীদ প্ৰণামো তোমাক" শীৰ্ষক গীতটি একেলগে পৰিৱেশন কৰে। গোৱালপাৰা জিলাৰ ২২ গৰাকী শ্বহীদৰ নাম সমূহ ক্ৰমে বালিজানা ৰাজহ চক্ৰৰ অন্তৰ্গত গণেশ নাথ, ধীৰেন্দ্ৰ কুমাৰ ৰাভা, পৰমেশ্বৰ ৰাভা, নৰেন্দ্ৰ চন্দ্ৰ নাথ, জেলপক ৰাভা, সুৰেন্দ্ৰ ৰাভা, কৰ্ণ ৰাভা, গোকলং ৰাভা, ফাগুনা ৰাভা, খামচেখেং ৰাভা, গজেন্দ্ৰ বিজয় ৰাভা, মালতী দাস, ৰিজক ৰাভা, বিকাৰু ৰাম নাথ, বাজাৰু ৰাম ৰাভা, ৰুদ্ৰ মোহন ৰাভা, সৰ্বেশ্বৰ নাথ, জ্যোৎস্না মেধী। লক্ষ্মীপুৰ ৰাজহ চক্ৰৰ লক্ষ্মীপুৰ চায়লা ৰাভা, উমা চৰণ ৰাভা আৰু মাটিয়া ৰাজহ চক্ৰৰ আৰু নৰেশ্বৰ দাস গোপাল চন্দ্ৰ ৰাভা। আজিৰ অনুষ্ঠানত দুধনৈ সম জিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মই আদৰণি ভাষণ পাঠ কৰাৰ লগতে ৰাভা হাছং পৰিষদৰ কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ সম্পাদক ৰাজকুমাৰ ৰাভা, দুধনৈৰ প্ৰাক্তন বিধায়ক দীপক কুমাৰ ৰাভা উপস্থিত থাকি বিদেশী বহিষ্কাৰ আন্দোলনত জাতিটোৰ হকে প্ৰাণ বলিদান দিয়া শ্বহীদ সকলৰ শ্ৰদ্ধাৰে স্মৰণ কৰি ভাষণ প্ৰদান কৰে। শ্বহীদ দিৱস অনুষ্ঠানত দুধনৈৰ কেবাগৰাকী বিশিষ্টব্যক্তি, কেবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বিভিন্ন দল সংগঠনৰ বিষয়ববীয়া সকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# অভয়াপুৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা অনুমোদন পত্ৰ বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১১ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আগ্ৰহতে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত আজি ৰাজ্যৰ ৩.২৫ লাখৰো অধিক পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে অনুমোদন পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰা হয়। উক্ত পদক্ষেপৰ জৰিয়তে প্ৰতিটো পৰিয়ালক প্ৰায় ১.৩ লাখৰ সমৰ্থনসহ সপোনৰ ঘৰ নিৰ্মাণৰ বাবে মুঠ প্ৰায় ৪, ২২৮ কোটি টকা বিনিয়োগ কৰা হৈছে। এই অনুমোদনৰ জৰিয়তে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণত প্ৰাৰম্ভিকভাৱে আবেদন কৰা সকলো হিতাধিকাৰীক সামৰি ল'বলৈ সক্ষম হয়। আনপিনে চলি থকা জিঅ'-টেগিং প্ৰক্ৰিয়াৰ জৰিয়তে আৰু ৩০ লাখ পৰিয়ালে ঘৰ পাবলৈ যোগ্য বিবেচিত হ'ব বুলিও জানিব পৰা গৈছে। উল্লেখযোগ্য যে প্ৰতিটো ঘৰৰ বিপৰীতে শৌচালয় নিৰ্মাণৰ বাবে অতিৰিক্ত ধনো অনুমোদন জনোৱা হৈছে। তদুপৰি ১৬ নং অভয়াপুৰী বিধান সভা সমষ্টিতো আজি ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অনুমোদন জনোৱা হয়। সৃজনগ্ৰাম উন্নয়ন খণ্ড কাৰ্যালয় চৌহদত অনুষ্ঠিত কাৰ্য্যসূচীত বইটামাৰী উন্নয়ন খণ্ড, মাণিকপুৰ উন্নয়ন খণ্ড, আৰু সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ মুঠ ৪৭৫জন হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অনুমোদন পত্ৰ প্ৰদান কৰে। অনুমোদন পত্ৰ বিতৰণ অনুষ্ঠানটোত উপস্থিত থাকে কমতাপুৰ অটনমাছ কাউঞ্চিলৰ উপাধক্ষ্য সুকেন ৰায়, অসম মহিলা আয়োগৰ সদস্য তথা বিশিষ্ট সমাজ সেৱিকা হিমানী অধিকাৰী, বঙাইগাওঁ জিলা পৰিষদৰ উপ কাৰ্য্যবাহী বিষয়া প্ৰশান্ত শৰ্মা, কিশোৰ কলিতা, সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সঞ্জীৱ ভৰালী, জ্যোতিৰ্ময় সৰকাৰ, জানকী ৰায়ৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি।



# তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ বৰ্ষজোৰা সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠান আৰু চতুৰ্বিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখনি আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে ডুমডুমা প্ৰেছ ক্লাবৰ আতিথ্যত আৰু ডুমডুমাবাসীৰ সহযোগত ডুমডুমা নগৰ খেলপথাৰত আৰম্ভ হৈছে। আজি পুৱা অধিৱেশন থলীৰ মূল বাটচ'ৰা উন্মোচন কৰে ডুমডুমা নামঘৰৰ নামঘৰীয়া ৰবীন ভৰালীয়ে। বিয়লি গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই। সন্ধিয়া অনুষ্ঠিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা উদ্বোধন কৰে পদ্মশ্ৰী বঁটা প্ৰাপক বিশিষ্ট ঝুমইৰ গীতৰ শিল্পী দুলাল মানকিয়ে। কালিলৈ দিনৰ ১০-০০ বজাত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন উপলক্ষে উদযাপন কৰা 'কু-সংস্কাৰ বিৰোধী দিৱস'ৰ লগত সংগতি ৰাখি ইলোৰা বিজ্ঞান মঞ্চৰ ডুমডুমা শাখা আৰু ডুমডুমা প্ৰেছ ক্লাবৰ যৌথ উদ্যোগত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে এখনি আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। ইলোৰা বিজ্ঞান মঞ্চৰ ডুমডুমা শাখাৰ সভাপতি ডাঃ বাদল কুমাৰ ঘোষে সঞ্চালনা কৰিবলগীয়া আলোচনা চক্ৰখনিত অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সভাপতি ডঃ মীনা দেৱী বৰুৱাই আলোচক হিচাপে অংশগ্ৰহণ কৰিব। দিনৰ এঘাৰ বজাৰ পৰা এখনি বহু ভাষিক কবি সন্মিলন অনুষ্ঠিত হ'ব। তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাণা চাংমাইয়ে সঞ্চালনা কৰিবলগীয়া এই কবি সন্মিলনত বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মন, ডাঃ প্ৰণয় ফুকন আৰু ডঃ ৰঞ্জিত দত্ত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব। বিয়লিলৈ জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# ডুমডুমাত আছুৰ উদ্যোগত ৰক্তদান শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ ডিচেম্বৰ ঃ** ছবছৰীয়া অসম আন্দোলনত প্ৰাণ আহুতি দিয়া মহান শ্বহীদসকলৰ স্মৃতিত আজি সমগ্ৰ ৰাজ্যতে পালন কৰা শ্বহীদ দিৱস উপলক্ষে ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ ডুমডুমা নগৰ গোটৰ উদ্যোগত আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সভাকক্ষত এক ৰক্তদান শিবিৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰত উপস্থিত থাকি বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা, ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ আচমা গজনভী, ডুমডুমা থানাৰ প্ৰভাৰী পৰিদৰ্শক প্ৰাঞ্জল চেতিয়াই ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকলক অভিনন্দন জনায় আৰু ভৱিষ্যতে এনে মহান কাৰ্যসূচী চলাই যাবলৈ আহ্বান জনাই শুভেচ্ছামূলক বক্তব্য ৰাখে। আজিৰ শিবিৰত ৫০জনৰো অধিক আছুৰ সদস্যৰ লগত আন লোকেও ৰক্তদান কৰে।

# জনীয়াত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ গৃহ হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ

**অসম বাৰ্তা, জনীয়া, ১১ ডিচেম্বৰ ঃ** নৱগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত জনীয়াত ৯ ডিচেম্বৰ মঙ্গলবাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ হিতাধিকাৰীক আনুষ্ঠানিক ভাৱে অনুমোদন পত্ৰ বিতৰণ কৰা হয়। সমগ্ৰ ৰাজ্যৰ ৩২৫২৩৪ গৰাকী হিতাধিকাৰীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিক ভাৱে অনুমোদন পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে। সমান্তৰালকৈ মন্দিয়া সমষ্টিৰ অন্তৰ্গত মন্দিয়া আৰু কলগাছিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৬ খন গাঁও পঞ্চায়তৰ ১৬৯০৭ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰে। মন্দিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নৰৰত্ন পাটোৱাৰীয়ে আত ধৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় কলগাছিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মঞ্জু ঘোষে। উক্ত অনুষ্ঠানত বৰপেটা পৌৰসভাৰ পৌৰপতি ছবিলাল দাস আৰু হাউলী পৌৰসভাৰ পৌৰপতি অঞ্জুলি দাস চৌধুৰীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৰিদ্ৰ হিতাধিকাৰী সকলক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ দিয়াৰ লগতে বিনামূলীয়া চাউল, নিযুত মইনা আচঁনি আৰু কম মূল্যৰ নিমখ,চেনী,ডালি দিয়াৰ বাবে বিজেপি চৰকাৰক প্ৰশংসা কৰে। উক্ত অনুষ্ঠানত বাঘবৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তন্ময় ঘোষ, মন্দিয়া আৰু কলগাছিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰীদ্বয়, জনীয়া, কলগাছিয়া, বৰভিটা-চতলা আৰু মন্দিয়া জিলা পৰিষদৰ সদস্য-সদস্যা সকল অতিথি হিচাপে উপস্থিত থাকি অনুষ্ঠানটি সফল ৰূপায়ণত অৰিহণা যোগায়। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ আৱন্টন দিয়াৰ নামত কোনোধৰণৰ ধনৰ লেনদেন কৰিলে খণ্ড উন্নয়ন বিষয়াক পোনপটীয়াকৈ যোগাযোগ কৰাৰ উপৰিও চৰকাৰে দিয়া ট'ল ফ্ৰি নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জানিবলৈ দিয়াৰ লগতে হিতাধিকাৰীৰ জব কাৰ্ডৰ ধন অইন একাউণ্টত সোমাব নোৱাৰিব বুলিও মন্তব্য কৰে খণ্ড উন্নয়ন বিষয়া নৰৰত্ন পাটোৱাৰীয়ে।

# লখিমপুৰৰ ডিজুত আনুষঙ্গিক কৃষি প্ৰণালী সন্দৰ্ভত প্ৰশিক্ষণ

**অসম বাৰ্তা, লীলাবাৰী, ১১ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ নৱগঠিত ৰঙানদী বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিজুৰ অৰণ্যবস্তি সামূহিক প্ৰেক্ষাগৃহত আজি 'কাৰিটাছ ইণ্ডিয়া' শীৰ্ষক বেচৰকাৰী সংস্থাৰ উদ্যোগত আনুষঙ্গিক কৃষি কাৰ্য কৰাৰ প্ৰণালী সন্দৰ্ভত প্ৰশিক্ষণ অনুষ্ঠিত হৈ যায়। বেচৰকাৰী সংস্থাটিৰ 'সৰল' আঁচনিৰ অধীনত ডিজু গাঁও পঞ্চায়তৰ অন্তৰ্গত ভৰলোৱা, কুঁহিয়াৰবাৰী, ১৩/১০ গ্ৰাণ্ট ডিজু, ১ নং পাঁচনৈ আৰু ২ নং পাঁচনৈ গাঁৱৰ কৃষকসকলক সামৰি আনুষঙ্গিক কৃষি কাৰ্য কৰাৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত আলোচিত হয়। জলবায়ু পৰিৱৰ্তন অনুসৰি বানপীড়িত আৰু খৰাং অঞ্চলত কৃষকৰ সমস্যা, বানপানীৰ সৈতে কৃষকসকলে কেনেধৰণে সহ-অৱস্থান কৰিব আৰু বিজ্ঞানসন্মত কৃষি প্ৰযুক্তিৰ প্ৰয়োগেৰে জীৱনধাৰণৰ মানদণ্ড কেনেকৈ উন্নত কৰিব পাৰি, সেই সন্দৰ্ভত প্ৰশিক্ষণটিত বিস্তৃতভাৱে আলোচনা হয়। অনুষ্ঠানটি 'কাৰিটাছ ইণ্ডিয়া'ৰ শীৰ্ষ বিষয়া থাংছা ছেবেষ্টিয়ান আনছঙে প্ৰশিক্ষণটিৰ সাৰমৰ্ম ৰাইজক অৱগত কৰাৰ লগতে সংস্থাটিৰ বিষয়ববীয়াদ্বয় আঞ্জেলোছ তিৰ্কী আৰু গাব্ৰিয়েল চাণ্ডিগুৰীয়াই আঁত ধৰে। লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° অসীম কুমাৰ শইকীয়াই এদিনীয়া এদিনীয়া প্ৰশিক্ষণ অনুষ্ঠানটিত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি বিজ্ঞানসন্মত কৃষি প্ৰযুক্তিৰ লগতে পশু-পালন, মাছ পালন, পুখুৰীৰ ঢাপত কৰিব পৰা খেতি, কাঠফুলাৰ খেতি, কেঁচুসাৰ তৈয়াৰ প্ৰণালী সন্দৰ্ভত বিশদভাৱে উল্লেখ কৰে। তেখেতে কয়, মহিলা কৃষকসকলে বৰা চাউলৰ পিঠা, সান্দহ গুৰিৰ সমান্তৰালকৈ বিশেষকৈ নাৰ্জিফুল আৰু মানৱ শৰীৰৰ বাবে অতি প্ৰয়োজনীয় প্ৰটিনৰ উৎস কাঠফুলাৰ খেতি কৰি ব্যৱসায়িকভাৱে লাভবান হ'ব পাৰে। তেখেতে কাঠফুলাৰ খেতি আৰু ছাগলী, গাহৰি, গৰু পালন প্ৰণালী সন্দৰ্ভত সবিস্তাৰে উল্লেখ কৰাৰ লগতে পুখুৰীৰ ঢাপত অমিতা, বেঙেনা আৰু সৰিয়হ খেতিৰ সময়চোৱাত মৌ-পালন পদ্ধতি সন্দৰ্ভত বুজাই কয়। বগলীজান গাঁও পঞ্চায়তৰ অন্তৰ্গত ১/২ নং পাঁচনৈ গাঁওসভাৰ সদস্য সোণানন্দ পায়েঙে অতিথি ৰূপে অংশগ্ৰহণ কৰা এদিনীয়া প্ৰশিক্ষণটিত অঞ্চলটোৰ অৰ্ধশতাধিক কৃষকে তেখেতসকলৰ মূল মূল সমস্যাসমূহ অৱগত কৰি জলবায়ু পৰিৱৰ্তনৰ সময়চোৱাত সাদৃশ্যপূৰ্ণ কৃষি প্ৰণালী সন্দৰ্ভত জানিবলৈ আগ্ৰহী হয়।

# বিজনীত চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বিজনী, ১১ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীত শ্বহীদ দিৱস উদযাপন। শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতি বছৰে আজিৰ দিনটোত শ্বহীদ দিৱস পালন কৰি আহিছে। এইবেলি চৰকাৰীভাৱে ৰাজ্যত পালন কৰা হৈছে শ্বহীদ দিৱস। চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত পালন কৰা হয় শ্বহীদ দিৱস। বিজনীৰ ছোৱালী হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত এই শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুসৰি শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে চিৰাঙৰ আয়ুক্ত যতীন বৰা, বিজনী মহকুমাধিপতি অৰ্জিত মহাজন, জিলা আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা সহ বিজনীৰ চাৰি গৰাকী শ্বহীদ পৰিয়ালৰ সদস্য। ইয়াৰ পিছতে বিজনীৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে চাৰি সহস্ৰাধিক লোকে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত "শ্বহীদ প্ৰণামো তোমাক" গীত পৰিৱেশন কৰে।

# মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১১ ডিচেম্বৰ ঃ** অসম আৰু অসমীয়া জাতি, ভাষা, সংস্কৃতিৰ সুৰক্ষাৰ স্বাৰ্থত বিদেশী বহিষ্কাৰ বাবে ১৯৭৯ চনত সমগ্ৰ অসম জুৰি অগ্নি গৰ্ভা ৰূপত অসম আন্দোলন গঢ়ি উঠিছিল। সেই সময়ত খৰ্গেশ্বৰ তালুকদাৰ আৰু ৮৫৯ গৰাকী বীৰ অসমী সন্তানে ত্যাগ আৰু আত্মবলিদান দিছিল। সেই মহান বীৰ সন্তান সকলক সোঁৱৰী সমগ্ৰ ৰাজ্যখনৰ লগতে আজি মাৰ্ঘেৰিটাটো অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু মাৰ্ঘেৰিটা সমজিলা প্ৰশাসনৰ উদ্যোগত মাৰ্ঘেৰিটা টাউন হাইস্কুল খেল পথাৰত অসম আন্দোলনৰ ৮৬০জন শ্বহীদক শ্ৰদ্ধাঞ্জলি জনোৱাৰ্থে শ্বহীদ দিৱস উদযাপিত হয়। আজি অসম আন্দোলন অনুষ্ঠানটিত মুখ্য অতিথি ৰূপে স্থানীয় মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা উপস্থিত থাকি শ্বহীদ তৰ্পণেৰে কাৰ্যসূচী সমূহৰ শুভাৰম্ভণি কৰে। অনুষ্ঠানটিত বীৰ শ্বহীদ সকলক "শ্বহীদ প্ৰণামো তোমাক ..." গীতটিৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অন্যতম কাৰ্যসূচী মুকলি সভাত মাৰ্ঘেৰিটা ৰাজহ চক্ৰ বিষয়া জ্ঞানজ্যোতি দত্তই আগবঢ়োৱা আদৰণি ভাষণৰ পিছতে সমজিলা আয়ুক্ত ৰাহুল দলেৰ লগতে অঞ্চলটোৰ বহু কেইজন গণ্যমাণ্য ব্যক্তিয়ে বিষয়বস্তুৰ সন্দৰ্ভত নিজস্ব ভাষণ প্ৰদান কৰে। সভাখনিত আমন্ত্ৰিত বিশিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰে ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই।

# ডুমডুমাৰ ৰূপাই চাইডিঙত বাটৰ নাট প্ৰদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ ডিচেম্বৰ ঃ** আজি আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস উপলক্ষে সমগ্ৰ বিশ্বৰ লগতে তিনিচুকীয়া জিলাৰ ডুমডুমা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগ আৰু ৰাজনীতি বিজ্ঞান ফ'ৰামৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ ৰূপাই চাইডিঙত এখনি বাটৰ নাট প্ৰদৰ্শন কৰে। মানৱ অধিকাৰ ৰক্ষা কৰাৰ বাবে ৰাইজৰ মাজত সজাগতা অনাৰ উদ্দেশ্য মহাবিদ্যালয়খনৰ ছাত্ৰ - ছাত্ৰীসকলে বাটৰ নাটখন প্ৰদৰ্শন কৰি ৰাইজৰ সমাদৰ আদায় কৰিবলৈ সক্ষম হয়।


**AFFIDAVIT**

Swarn before Notary Public at North Salmara, Abhayapuri, dated on 20-11-2025, that my actual and correct name is Dayal Ray. In my savings bank account in the Assam Gramin Vikash Bank, North Salmara Branch, Vide Acc. No. 7125010008592 my name has been recorded as Dayal Ch. Ray instead of Dayal Ray. Both Dayal Ch. Ray and Dayal Ray is the same name and one person i.e. myself. Applying for correction at the appropriate authority.

AB-167/2025



**AFFIDAVIT**

Swarn before Notary Public at Nazira, dated on 28-11-2025, that my actual and correct name is Maya Sharma and my husband's actual name is Lalamani Sharma. In my son Aditya Sharma's birth certificate Vide Reg. No.- 112/10, issued on 19-11-2010, my name has been recorded as Maya Devi instead of Maya Sharma and my husband's name has been recorded as Raju Sharma instead of Lalamani Sharma. Both Maya Devi and Maya Sharma is the same name and one person i.e. myself and both Raju Sharma and Lalamani Sharma is the same name and one person and i.e. my husband. Applying for correction at the appropriate authority.

Maya Sharm
W/O - Lalamani Sharma
R.O.- Bihubor, P.O.- Bihubor
Dist - Sivasagar, Assam

AB-166/2025

১০২টা পৰিয়ালক সম্বৰ্ধনা জ্ঞাপন আৰু কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ

# মৰিগাঁও জিলাত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১১ ডিচেম্বৰ ঃ** আজি সমগ্ৰ অসমৰ লগতে মৰিগাঁও জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত তৰুণ ৰাম ফুকন খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে মহান শ্বহীদ দিৱস পালন কৰা হয়। অসম আইৰ অস্তিত্ব ৰক্ষাৰ হেতু নিজৰ জীৱন আহুতি দিয়া বীৰ শ্বহীদসকলৰ মহান ত্যাগ আৰু বলিদানক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি এই দিৱস আয়োজন কৰা হৈছিল। আজিৰ এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ১০,০০০ ৰো অধিক লোক উপস্থিত আছিল। এই পবিত্ৰ অনুষ্ঠানটি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰত ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি পৰিচালনা কৰা হয়। জিলা পৰ্যায়ৰ অনুষ্ঠানস্থলীত গুৱাহাটীৰ মূল অনুষ্ঠানটোৰ পোনপটীয়া সম্প্ৰচাৰৰ বিশেষ ব্যৱস্থা কৰা হৈছিল, য'ত উপস্থিত সকলো লোকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱকে ধৰি আন আন বিশিষ্ট ব্যক্তিৰ বক্তব্য শুনাৰ সুযোগ লাভ কৰে। মৰিগাঁৱত আয়োজিত জিলা পৰ্যায়ৰ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত মৰিগাঁও বিধানসভা সমষ্টিৰ মাননিয় বিধায়ক ৰমাকান্ত দেউৰী ডাঙৰীয়া আৰু জিলা আয়ুক্ত অনামিকা তেৱাৰী ডাঙৰীয়ানী উপস্থিত থাকে। কাৰ্যসূচীৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰা হয়, যিয়ে শ্বহীদসকলৰ স্মৃতিত এক পবিত্ৰ আৰু গম্ভীৰ পৰিৱেশ সৃষ্টি কৰে। ইয়াৰ পাছতে জিলা প্ৰশাসনৰ ফালৰ পৰা সৰ্বমুঠ ১০২টা শ্বহীদ আৰু নিৰ্যাতিত পৰিয়ালক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই সভাত মৰিগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলৰী, অতিৰিক্ত জিলা আয়ুক্তসকল অনসূয়া শৰ্মা, ৰাকেশ ডেকা আৰু নীতিশা বৰাৰ লগতে অন্যান্য বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, বিৰিঞ্চি কুমাৰ শৰ্মা আৰু অজিত শৰ্মা, বিশিষ্ট সমাজ কৰ্মী মিলেশ্বৰ পাটৰৰ লগতে বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰী, আৰু অন্যান্য বহুতো গণ্য মান্য ব্যক্তিসকল উপস্থিত আছিল। মায়ং ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈয়ে সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰিছিল। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে সকলোকে আদৰণি জনাই এক ভাষণ প্ৰদান কৰে। ইয়াৰ পাছত সভাৰ মুখ্য অতিথি মাননিয় বিধায়ক ৰমাকান্ত দেউৰীয়েও শ্বহীদসকলৰ মহান ত্যাগ আৰু বৰ্তমান চৰকাৰে শ্বহীদ পৰিয়ালৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত বক্তব্য ৰাখে। অনুষ্ঠানৰ একেবাৰে শেষত, উপস্থিত সকলো লোকে থিয় হৈ সমবেতভাৱে "সংগীত শ্বহীদ প্ৰণামো তোমাক" গীতৰ কলি পৰিৱেশন কৰে, যিয়ে শ্বহীদসকলৰ প্ৰতি গভীৰতম শ্ৰদ্ধা নিবেদন কৰে।

# বকোতো সমজিলা আয়ুক্তৰ উদ্যোগত অসম আন্দোলনত শ্বহীদ হোৱা পবিত্ৰ স্মৃতিক সোঁৱৰণ

**অসম বাৰ্তা, বকো, ১১ ডিচেম্বৰ ঃ** অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত প্ৰাণ আহুতি দিয়া ভিন্ন প্ৰান্তৰ মুঠ ৮৬০ গৰাকী বীৰ শ্বহীদক আজি চৰকাৰীভাৱে সোঁৱৰণ কৰা হয়। ৰাজ্যত ভিন্ন প্ৰান্তৰ লেখিয়াকৈ কামৰূপ জিলাৰ বকো-ছয়গাঁও সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সহযোগত বকোস্থিত গান্ধী মৈদান সমন্বয় ক্ষেত্ৰত এক মনোজ্ঞ পৰিৱেশত পালন কৰা হয় শ্বহীদ দিৱস। উল্লেখ্য যে; নৱ গঠিত বকো-ছয়গাঁও সমজিলাৰ আয়ুক্ত প্ৰীয়াংশু ভৰদ্বাজৰ তৎপৰতাত লগতে বকোস্থিত চৰকাৰী কাৰ্যালয়ৰ মূৰব্বী সকলোৰ সহযোগত বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰে শ্বহীদ দিৱসৰ কাৰ্য্যসুচী। এই শ্বহীদ দিৱসৰ কাৰ্য্যসুচীত বৃহত্তৰ অঞ্চলটোৰ শ্বহীদ সন্মান লাভ কৰা পৰিয়ালৰ লোক সকলোক সম্বোৰ্ধনা জনোৱা হয়। তেতিয়াৰ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত অসমৰ স্বাভিমান ৰক্ষাৰ স্বাৰ্থত লগতে অসম আৰু অসমীয়াৰ জাতীয় আবেগৰ সংকটপুৰ্ণ অৱস্থাত নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰম্ভ হৈছিল। ঠিক তেতিয়াই বিদেশী খেদা অসম আন্দোলন আৰম্ভ হৈছিল। চৰকাৰী হিচাপত এই আন্দোলনত মুঠ ৮৬০ গৰাকী অসমীয়া তেজাল যুৱকৰ প্ৰাণ গুচি গৈছিল। সেয়ে অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত প্ৰাণ আহুতি দিয়া মহান আত্মাৰ গৰাকী সকলোক তেতিয়াৰ পৰাই সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম সমিতিৰ উদ্যোগত প্ৰতি বছৰে ১০ ডিচেম্বৰ তাৰিখে পালন কৰি আহিছে জাতীয় শ্বহীদ দিৱস। ইফালে এই বৰ্ষত অসম চৰকাৰে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক নিৰ্মাণ কৰিছে। আজি এই বিশাল শ্বহীদ স্মাৰকটো অসমৰ মুখ্যমন্ত্ৰীয়ে আনুস্থানিক ভাৱে উদঘাটন কৰে। এই কাৰ্য্যসুচীৰ লগত সংগতি ৰাখি বকোস্থিত বকো-ছয়গাঁও সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ উদ্যোগত বিশাল কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰে শ্বহীদ দিৱসৰ কাৰ্য্যসুচী। বকো-ছয়গাঁও সমজিলাৰ আয়ুক্ত প্ৰীয়াংশু ভৰদ্বাজে শুভাৰম্ভ কৰা শ্বহীদ দিৱসৰ কাৰ্য্যসুচীত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পুষ্পাঞ্জলী অৰ্পণ কৰা হয়। ইয়াৰ পিছতে অমৰ সংগীত শ্বহীদ প্ৰণামো তোমাক গীত পৰিৱেশন কৰা হয়। শ্বহীদ দিৱসৰ কাৰ্য্যসুচী অনুসৰি অসম আন্দোলনৰ শ্বহীদ সকলোৰ পবিত্ৰ স্মৃতিত নিৰ্মাণ কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰৰ পৰা শ্বহীদক সোঁৱৰণ কৰা অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ জৰিয়তে ডিজিটেল মাধ্যমেৰে প্ৰদান কৰা ভাষণ পৰ্দাত ভি ডি ওৰ দ্বাৰা প্ৰত্যক্ষ কৰায়। বকোত আয়োজন কৰা শ্বহীদ দিৱসৰ কাৰ্য্যসুচীত বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈ, সমজিলা আয়ুক্তৰ সহকাৰী আয়ুক্ত ৰবেন ডেউৰী, বকো উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰাজীৱ দাস, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, সুমিত ৰাভা, অৰ্জুন চেত্ৰীৰ উপৰিও জিলা পৰ্য্যায়ৰ বিষয় আমোলাৰ লগতে বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে।

## ড° মাধুৰ্য্যমণ্ডিত বৰুৱাক জোনাকী সমাজৰ "চিন্তাবাৰিধি সন্মান-২০২৫" প্ৰদান

# শিৱসাগৰৰ গ্ৰন্থ উৎসৱত জোনাকী সমাজৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান

**অসম বাৰ্তা, গেলেকী, ১১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ এক অগ্ৰণী অনুষ্ঠান আৰ্থ-সামাজিক, শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক বিকাশ মঞ্চ জোনাকী সমাজে শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত খোজৰ উদ্যোগত চলি থকা দশম শিৱসাগৰ গ্ৰন্থ উৎসৱৰ বাকৰিত এক বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰে। উক্ত সাংস্কৃতিক অনুষ্ঠানৰ পাছতেই লেখক, গৱেষক, ইতিহাসবিদ, ঔপন্যাসিক, যোৰহাটস্থিত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য্যমণ্ডিত বৰুৱাক এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত জোনাকী সমাজৰ "চিন্তাবাৰিধি-২০২৫ সন্মান" প্ৰদান কৰে। বঁটাত গামোচা, চেলেং, প্ৰশস্তি পত্ৰ, স্মাৰক, কাঁহী, জাপি আৰু কিতাপৰ টোপোলা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি বৰুৱাই ভাষণ প্ৰসংগত ব্যক্ত কৰে যে, মোৰ প্ৰথম আৰু শেষ পৰিচয় যে মই এজন সাধাৰণ শিক্ষক। মোৰ কামবোৰৰ প্ৰশংসা কৰিলে মই লাজ পাওঁ।



অসমৰ এক অনাকাংক্ষিত ঘটনাৰ আমি সাক্ষী হৈ ৰলো। সেইয়া হল সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণ। জ্ঞানজ্যোতি বিদ্যাপীঠৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক অনুষ্ঠান, মৌচুমী সন্দিকৈৰ নেতৃত্বত সমবেত সংগীত আৰু সৃষ্টিজোনাক গগৈৰ সৃষ্টিশীল নৃত্যই অনুষ্ঠানটি জীপাল কৰি তোলে। জোনাকী সমাজৰ সম্পাদিকা দেৱযানী শইকীয়া গগৈয়ে আদৰণি ভাষণ আৰু হিমাদ্ৰী হাজৰিকাই আঁত ধৰা অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন আৰু জোনাকী সমাজৰ সভাপতি দেৱযানী মহন্তই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি ডঃ জীৱন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ধ্ৰুৱজ্যোতি নাথ, খোজ তথা গ্ৰন্থ উৎসৱৰ মুখ্য সম্পাদক জয়জ্যোতি গগৈ, বিশিষ্ট কবি প্ৰেম গগৈ, জোনাকী সমাজৰ বিষয়ববীয়া শিখা বুঢ়াগোঁহাই, দীপালী ৰাধিকা, সংগীতা গগৈ, শান্তিচায়া গগৈ, মমী নেওগ, হিমাশ্ৰী গগৈকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

## ১২ ডিচেম্বৰৰ পৰা টংলাত প্ৰাইজমানি বেডমিণ্টন প্ৰতিযোগিতা

**অসম বাৰ্তা, টংলা, ১১ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলা বেডমিণ্টন এছ'চিয়েছনৰ উদ্যোগত অহা ১২ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈ ত্ৰয়োদশ সংখ্যক প্ৰাইজমানি পুৰুষৰ যুটীয়া, ভেটাৰণ যুটীয়া (৭৫ আৰু ৯০)আৰু ১৫ বছৰ অনুৰ্ধ্ব একক বেডমিণ্টন প্ৰতিযোগিতা আয়োজন কৰা হৈছে বুলি টংলা বেডমিণ্টন এছ'চিয়েছনৰ সভাপতি জমিন্দ্ৰ কছাৰী, উপ সভাপতি বিযুঃ ৰাভা আৰু সম্পাদক অসীম নাথে জানিবলৈ দিছে। ইচ্ছুক খেলুৱৈসকলক নিম্ন লিখিত ৯৭০৭৭২৬৪২৮ আৰু ৮৪০৪০৮৯৭১৭ দূৰভাষ নম্বৰত যোগাযোগ উদ্যোক্তাই অনুৰোধ জনাইছে।

## জীয়াজুৰি ফুটবল ক্লাব জয়ী

## পুৰণিগুদামত জুবিন গাৰ্গ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পুৰণিগুদামবাসী ৰাইজৰ সহযোগত পৰিষদৰ প্ৰাক্তন সতীৰ্থ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত আয়োজন কৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত জীয়াজুৰি ফুটবল ক্লাবে পুৰণিগুদাম বি কে বি ফুটবল ক্লাবক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল খেলপথাৰত অনুষ্ঠিত আজিৰ খেলত বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা দীপক বৰা, পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাস, উপাধ্যক্ষ ডঃ সোমনাথ বৰাৰ লগতে অঞ্চলৰ কে'বাশতাধিক লোকে খেল উপভোগ কৰে।

## পানেৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা (পিএমএৱাই)ৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান

**অসম বাৰ্তা, টংলা, ১১ ডিচেম্বৰ ঃ** "উন্নত অৱাস সমৃদ্ধ জীৱন" মূল মন্ত্ৰে পিএম্ এওৱাই আৰ্টনিৰ জৰিয়তে আজি টংলা সমষ্টিৰ পানেৰীত ৭৮১ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰে। টংলা সমষ্টিৰ পানেৰীস্থিত দুৰ্গা মন্দিৰ সামূহিক ভৱনত অনুষ্ঠিত গৃহ অনুমোদন পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি পূৰ্বৰ কলাইগাঁও বৰ্তমান টংলা সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়োৱে সাৰুৱা ভাষণ দিয়ে। কলাইগাঁও উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মনোজ বণিয়াই আঁত ধৰা অনুষ্ঠানত ননৈ ছেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ পল টপ্প আৰু খালিং দুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰীৰেও ভাষণ দিয়ে।

## ৰূপহীহাট আৰক্ষীৰ জালত বুজন পৰিমাণৰ ড্ৰাগছসহ সৰবৰাহকাৰী

**অসম বাৰ্তা, ৰূপহীহাট, ১১ ডিচেম্বৰ ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষীয়ে যোৱা নিশা এক গোপন সূত্ৰৰ পম খেদি গুণাবাৰীত ড্ৰাগছৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচ ভৰ্তি ড্ৰাগছ সহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীটো গুণাবাৰীৰ আব্দুল হান্নান বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১৬.১ গ্ৰাম। উল্লেখ্য যে যোৱাকালি। ৰূপহীহাট আৰক্ষী থানাত যোগদান কৰিয়েই ড্ৰাগছৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰে ভাৰপ্ৰাপ্ত বিষয়া সুৰজ দত্তই। ৰূপহীহাট আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীটোক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## শব্দকল্পৰ সাহিত্য বঁটা আৰু কাব্য বঁটা ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১১ ডিচেম্বৰ ঃ** সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান শব্দকল্পই ২০২৫-২৬বৰ্ষৰ বাবে আগবঢ়োৱা সাহিত্য বঁটা আৰু কাব্য বঁটা প্ৰাপকৰ নাম ইতিমধ্যে ঘোষণা কৰা হৈছে। শব্দকল্পৰ সম্পাদক নাৰায়ণ চন্দ্ৰ ৰজাই প্ৰেৰণ কৰা প্ৰেছ বিবৃতি অনুসৰি ২০২৫-২৬ বৰ্ষৰ বাবে আগবঢ়োৱা শব্দকল্প সাহিত্য বঁটা লাভ কৰিছে বিশিষ্ট কবি, সাহিত্যিক বলেন চন্দ্ৰ বৰুৱাই আৰু শব্দকল্প কাব্য বঁটা লাভ কৰিছে বিশিষ্ট কবি মদাৰজ্যোতিয়ে। উল্লেখ্য যে অসমীয়া ভাষা সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা সাহিত্যসেৱীসকলক শব্দকল্পই প্ৰতি বছৰে বঁটা প্ৰদান কৰি উৎসাহিত কৰি আহিছে। ইয়াৰ উপৰি গ্ৰন্থ প্ৰকাশ আৰু গ্ৰন্থমেলা আয়োজনেৰে শব্দকল্পই ভাষা সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই আহিছে। শব্দকল্পৰ উদ্যোগত অহা ২৭, ২৮ আৰু ২৯ জানুৱাৰী)২০২৬ ত মৰিগাঁৱত আয়োজনক কৰা সাহিত্য উৎসৱ আৰু গ্ৰন্থ প্ৰদৰ্শনী অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

# শ্বহীদসকলৰ ত্যাগক স্মৰণ কৰি যোৰহাটত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, যোৰহাট, ১১ ডিচেম্বৰ ঃ** ঐতিহাসিক অসম আন্দোলনত অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিয়া শ্বহীদসকললৈ শ্ৰদ্ধা জনাই আজি ১০ ডিচেম্বৰৰ তাৰিখটো সমগ্ৰ ৰাজ্যতে শ্বহীদ দিৱস হিচাপে পালন কৰা হৈছে। সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ আজি যোৰহাটতো জিলা-প্ৰশাসনৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত শ্বহীদ দিৱস উদযাপন কৰা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আৰু সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মাননিয়া মন্ত্ৰী নন্দিতা গাৰ্লোচা, যোৰহাট বিধানসভা সমষ্টিৰ মাননিয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ অধ্যক্ষ প্ৰতাপ কছাৰী, অসম নগৰ পানী যোগান আৰু নদ্দৰ্মা বৰ্ডৰ অধ্যক্ষ ৰাণা গোস্বামী, যোৰহাট পৌৰসভাৰ পৌৰপতি লখিমী খাৰঘৰীয়া, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়া, যোৰহাট জিলা আয়ুক্ত জয় শিৱানী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অসম আন্দোলনৰ প্ৰতিগৰাকী মহান শ্বহীদলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া মহান শ্বহীদৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত ৰাজ্যৰ মাননিয় মুখ্যমন্ত্ৰীগৰাকী উপস্থিত থকা কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। পোনপটীয়া সম্প্ৰচাৰৰ পিছতে অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা মন্ত্ৰী নন্দিতা গাৰ্লোচা ডাঙৰীয়ানীয়ে ঐতিহাসিক অসম আন্দোলনৰ সময়ত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন উৎসৰ্গা কৰা মহান শ্বহীদসকললৈ গভীৰ শ্ৰদ্ধা জনাই ভাষণ প্ৰদান কৰি কয় যে ঐতিহাসিক শ্বহীদ দিৱসৰ সৈতে জড়িত হৈ আছে সহস্ৰাধিক লোকৰ ত্যাগ, আহুতি তথা জাতীয় প্ৰেম। এই দিনটোৱে সোঁৱৰাই দিয়ে অসম আন্দোলনৰ শ্বহীদসকলৰ সংগ্ৰাম আৰু ত্যাগৰ কথা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে ঐতিহাসিক অসম আন্দোলনত আত্ম বলিদান দিয়া শ্বহীদসকলৰ সন্মানাৰ্থে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰৰ পদক্ষেপৰ শলাগ জ্ঞাপন কৰি মন্ত্ৰী ডাঙৰীয়ানীয়ে এই শ্বহীদ স্মাৰকটিয়ে আমাৰ মহান শ্বহীদসকলৰ ত্যাগ-অৱদানক সদায় সোঁৱৰাই থাকিব আৰু নৱপ্ৰজন্মৰ মাজত স্মাৰক শ্বহীদৰ ত্যাগৰ জ্যোতি দৃঢ়তাৰে প্ৰজ্বলিত হৈ ৰ'ব বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত যোৰহাট জিলা কেইবাগৰাকী শিল্পী তথা প্ৰায় দহ সহস্ৰাধিক ব্যক্তিয়ে শ্বহীদসকলৰ স্মৰণত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাদেৱৰ কালজয়ী "শ্বহীদ প্ৰণামো তোমাক" গীতটি পৰিৱেশন কৰে। অনুষ্ঠানত জিলাখনৰ জ্যেষ্ঠ নাগৰিক, জিলা-প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী প্ৰমুখ্যে বিভিন্ন গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে জিলাখনৰ অন্তৰ্গত আটাইকেইখন সম জিলাতে "শ্বহীদ প্ৰণামো তোমাক" গীত পৰিৱেশনেৰে শ্বহীদ দিৱস উদযাপন কৰা হয়।

# নগাঁৱৰ নেহৰুবালিত ১১৩সংখ্যক সদৌ নগাঁও ভোগালী বিহু উৎসৱৰ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, নগাঁও, ১১ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ কলঙৰ বাকৰি ঐতিহ্যমণ্ডিত নেহৰুবালিৰ সদৌ নগাঁও ভোগালী বিহু উৎসৱে এইবাৰ ১১৩ সংখ্যক বৰ্ষত পদাৰ্পণ কৰিব। ৰাজ্যখনৰ ভিতৰতে অন্যতম আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰা নেহৰুবালিৰ ভোগালী বিহু উৎসৱ অহা ১৩ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। নগাঁও চহৰৰ শ্বহীদ ভৱন সভাকক্ষত কালি সন্ধিয়া সদৌ নগাঁও ভোগালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ তামোলী ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক ভোগালী বিহু উৎসৱ উদ্‌যাপন সন্দৰ্ভত কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত ৰঞ্জিত কুমাৰ তামোলী ফুকনক সভাপতি, নগাঁও-বটদ্ৰবা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাক কাৰ্যকৰী সভাপতি, জয়ন্ত কুমাৰ বৰা আৰু ৰঞ্জিত বৰা(দাদু)ক সাধাৰণ সম্পাদক হিচাপে লৈ ১৮খন শাখা সমিতি সহ ১১৩ সংখ্যক সদৌ নগাঁও ভোগালী বিহু উৎসৱ উদ্‌যাপন সমিতিখন গঠন কৰাৰ লগতে বিহু উৎসৱৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। সভাত আগন্তুক ২০২৬বৰ্ষৰ ১৩ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰীলৈকে নেহৰুবালিত ১১৩ সংখ্যক সদৌ নগাঁও ভোগালী বিহু উৎসৱ উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভোগালী বিহু উৎসৱৰ কাৰ্যসূচীত এক আটকধুনীয়া বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে বিভিন্ন আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান, পৰম্পৰাগত কলা সুলভ থলুৱা ক্ৰীড়া প্ৰতিযোগিতা, নগাঁৱৰ নেহৰুবালিৰ ভোগালী বিহুৰ পৰম্পৰা আৰু তথ্য সমৃদ্ধ স্মৃতিগ্ৰন্থ প্ৰকাশ, অসমৰ গ্ৰাম্য জীৱনৰ পটভূমিত প্ৰদৰ্শনী, অসম কুঁৱৰী প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতা আদি কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ আৰম্ভণিতে অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ, বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাকে প্ৰমুখ্য কৰি অসমৰ সাংস্কৃতিক আৰু সমাজ জীৱনলৈ বৰঙনি আগবঢ়াই যোৱা সদ্য প্ৰয়াত বৰেণ্য ব্যক্তি সকলৰ লগতে নগাঁৱৰ সমাজজীৱন আৰু নেহৰুবালিৰ সদৌ নগাঁও ভোগালী বিহু উৎসৱৰ লগত জড়িত প্ৰয়াত ব্যক্তিসকলৰ স্মৃতিত উপস্থিত সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। সভাত সদৌ নগাঁও ভোগালী বিহু উৎসৱ উদযাপন সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত কুমাৰ বৰাই বিগত বৰ্ষৰ ভোগালী বিহু উৎসৱৰ খতিয়ান দাঙি ধৰাৰ লগতে আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। সভাত সদৌ নগাঁও ভোগালী বিহু উৎসৱৰ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই কলংপৰীয়া ইতিহাস বহন কৰা ১১৩ সংখ্যক সদৌ নগাঁও ভোগালী বিহু উৎসৱৰ সমূহ কাৰ্যসূচী সফল কৰি তোলাত সকলো শ্ৰেণী লোকৰ সহযোগিতা কামনা কৰে। সভাত নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, নগাঁও পৌৰসভাৰ উপপৌৰপতি সীমান্ত বৰা, অধিবক্তা পৰাণ গোহাঁই, সাংস্কৃতিক কৰ্মী ৰঞ্জিত বৰা, প্ৰাণজিৎ গোস্বামী, জ্যেষ্ঠ নাগৰিক হিৰণ্য বল্লভ গোস্বামী, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, নগাঁও সচেতন জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, সাধাৰণ সম্পাদক মুক্তি বৰা প্ৰমুখ্যে ভোগালী বিহু উৎসৱৰে জড়িত ভালেসংখ্যক ব্যক্তি আৰু সংস্কৃতিপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# বৰক্ষেত্ৰীত আজি ২০৫৭ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ অনুমোদন পত্ৰ প্ৰদান



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১১ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিত আজি ২০৫৭ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চৰকাৰী গৃহৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা গৃহ অনুমোদন পত্ৰ বিতৰণৰ কেন্দ্ৰীয় অনুষ্ঠান সমাপ্ত হোৱাৰ পিছতে বৰক্ষেত্ৰী বিধানসভা সমষ্টি পৰ্যায়ৰ অনুষ্ঠানত প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাই ২০৫৭ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ বিতৰণ কৰে। অনুষ্ঠানটিত নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমণি বৈশ্য, বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া কৌস্তুভ ৰয়, নলবাৰী জিলা পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া নেকিবুৰ ৰহমান, বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মা, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, বিজেপি নেতা দিলজিৎ বৰ্মনৰ লগতে বৰক্ষেত্ৰী সমষ্টিৰ ২৪খন গাঁও পঞ্চায়তৰ সভাপতি-সভানেত্ৰী, আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা, গাঁও পঞ্চায়ত সদস্য/সদস্যা আৰু দলীয় কৰ্মীৰ উপস্থিতিত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ সামূহিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাত হিতাধিকাৰীসকল উৎফুল্ল হৈ পৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত ৰাজ্যত মুঠ ৩.২৫ লাখৰো অধিক পৰিয়ালক গৃহ নিৰ্মাণৰ বাবে অনুমোদন পত্ৰ বিতৰণৰ আজি শুভাৰম্ভ কৰা হয়। এই পদক্ষেপৰ জৰিয়তে প্ৰতিটো পৰিয়ালক প্ৰায় ১.৩ লাখৰ সমৰ্থনসহ নিজৰ সপোনৰ ঘৰটো নিৰ্মাণৰ বাবে প্ৰায় ৪, ২২৮ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি জানিব পৰা গৈছে।

## আৰ্থিকভাৱে পিছপৰা দহগৰাকী যুৱক-যুৱতীক বিনামূলীয়া প্ৰশিক্ষণৰ লগতে যাৱতীয় খাদ্য যোগান

# শিৱসাগৰৰ এফ.এফ.এল.জি. ১৫ সংখ্যক বৰ্ষপূৰ্তি উদ্‌যাপন

**অসম বাৰ্তা, শিৱসাগৰ, ১১ ডিচেম্বৰ ঃ** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ এ.টি. ৰ'ডত অৱস্থিত এফ.এফ.এল.জি. নামৰ শৰীৰ চৰ্চা কেন্দ্ৰটোৰ ১৫ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠান কালি নিশা অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়। শিৱসাগৰৰ বহু গণ্য মান্য ব্যক্তি আৰু শৰীৰ চৰ্চাবিদৰ উপস্থিতিত উদযাপন কৰা বৰ্ষপূৰ্তি অনুষ্ঠানটো উদ্বোধন কৰে প্ৰাক্তন আছু নেতা তথা ক্ৰীড়া সংগঠক শৰৎ হাজৰিকাই। উদ্বোধন কৰি দিয়া ভাষণ প্ৰসংগত হাজৰিকাই কয় যে, দৈনন্দিন জীৱনত শৰীৰ চৰ্চা আমাৰ বাবে অত্যন্ত প্ৰয়োজন। শৰীৰ চৰ্চাই আমাৰ স্বাস্থ্য সুস্থ আৰু শক্তিশালী কৰাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। এফ.এফ.এল.জি. জিমে শিৱসাগৰৰ শৰীৰ চৰ্চা ক্ষেত্ৰখনত বিগত ১৫ বছৰে এক ইতিবাচক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰাৰ লগতে অনাগত দিনত এই শৰীৰ চৰ্চা কেন্দ্ৰটোৱে বহু প্ৰতিভাবান শৰীৰ চৰ্চাবিদ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পিছতে কেক কাটি ১৫ সংখ্যক বৰ্ষপূৰ্তিৰ উপলক্ষে কেক কাটে এফ.এফ.এল.জি.ৰ প্ৰতিষ্ঠাপক তথা বিশিষ্ট উদ্যোগপতি প্ৰসন্ন দত্তই। ১৫ সংখ্যক বৰ্ষপুৰ্তিৰ উপলক্ষে কেন্দ্ৰটোৱে আয়োজন কৰা শৰীৰ চৰ্চা প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়। আনহাতে ১৫ সংখ্যক বৰ্ষপুৰ্তি উপলক্ষে কেন্দ্ৰটোৰ ফালৰ পৰা প্ৰতি বছৰে আৰ্থিক ভাৱে দুৰ্বল ১০ গৰাকীকৈ যুৱক-যুৱতীক বিনামূলীয়াকৈ শৰীৰ চৰ্চা কৰিবলৈ সুযোগ দিয়াৰ লগতে তেওঁলোকক প্ৰয়োজন হোৱা খাদ্য সামগ্ৰী আগবঢ়োৱা হ'ব বুলি কেন্দ্ৰটোৰ স্বত্বাধিকাৰী প্ৰাণজিৎ দত্তই অনুষ্ঠানত ঘোষণা কৰে। উল্লেখ্য যে বৰ্তমান এফ.এফ.এল.জি.ৰ কেন্দ্ৰটোত ৪০০ গৰাকী যুৱক-যুৱতী, পুৰুষ-মহিলাই শৰীৰ চৰ্চা অব্যাহত ৰাখিছে বুলি প্ৰাণজিৎ দত্তই জানিবলৈ দিয়ে। লগতে ১০১ পৰা ১৫ বছৰ বয়সৰ কিশোৰ-কিশোৰীৰ বাবে আন এটি শৰীৰচৰ্চা কেন্দ্ৰ শীঘ্ৰেই মুকলি কৰা হব বুলিও অনুষ্ঠানত জানিবলৈ দিয়ে। ইয়াৰ উপৰিও এই শৰীৰচৰ্চা কেন্দ্ৰটোক শৰীৰচৰ্চা ক্লাবলৈ উন্নীত কৰাৰ চেষ্টা অব্যাহত ৰখাৰ উপৰিও অহা ২-৩ মাহৰ ভিতৰত কেন্দ্ৰটো এক অত্যাধুনিক ৰূপত গঢ় দিয়া হ'ব। অনুষ্ঠানত প্ৰবিনা দত্ত, প্ৰিয়ংকা বৰঠাকুৰৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটো আঁত ধৰে এফ.এফ.এল.জি.ৰ পৰিচালক পঞ্চানন দাসে।

# ধমধমাৰ নাহেৰবাৰী বনভাগ বতাহগিলা হাইস্কুলৰ বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা

**অসম বাৰ্তা, ধমধমা, ১১ ডিচেম্বৰ ঃ** ধমধমা নিকটৱৰ্তী নাহেৰবাৰীৰ অগ্ৰণী শিক্ষানুষ্ঠান বনভাগ বতাহগিলা হাইস্কুলৰ ৫৯ সংখ্যক বাৰ্ষিক অধিৱেশন উপলক্ষে আজি এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ঙংবালিতাৰা গাঁও পঞ্চায়তৰ সভাপতি ৰঞ্জন বৰ্মনে উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে বিহু, আয়তী, নামতি, বেগুপাৰ্টী, দিহানাম, সত্ৰীয়া নৃত্য, বিভিন্ন দেৱ-দেৱীৰ ভেশ প্ৰদৰ্শন কৰাৰ লগতে বড়ো জনগোষ্ঠীৰ খেৰাই, বৈশাগু, জিকিৰ, বাঙালী কৃষ্টি, কোচ ৰাজবংশী আদি জনগোষ্ঠীৰ সংস্কৃতি তুলি ধৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰে #JusticeForZubeen Garg লিখি হাতে-হাতে বেনাৰ লৈ প্ৰায় তিনি কিলোমিটাৰ পৰিভ্ৰমণ কৰা এই বিশাল সাংস্কৃতিক শোভাযাত্ৰাই নাহেৰবাৰী অঞ্চলৰ ৰাইজক মুহিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিদ্যালয়খনৰ শিক্ষক আৰু অভিভাৱকেসকলে অংশগ্ৰহণ কৰা এই শোভাযাত্ৰাত বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলিত হয়। উল্লেখ যে কালিৰে পৰা আৰম্ভ হোৱা বিদ্যালয়খনৰ ৫৯ সংখ্যক বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচী হিচাপে প্ৰধান শিক্ষক হিতেশ বৰ্মনে বিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ পিছতে অন্যান্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## সম্পাদকীয়

# ন্যায় ব্যৱস্থাত সকলো সমান; সময় আৰু বিশ্বাসৰ প্ৰয়োজন

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৱে যিদৰে সমগ্ৰ অসমক এক শোকৰ সাগৰত নিমজ্জিত কৰিছিল, সেইদৰে এই ঘটনাৰ সত্য আৰু ন্যায়ৰ সন্ধানেও ৰাজ্যবাসীৰ মনত এক গহীন প্ৰতীক্ষাৰ সৃষ্টি কৰিছে। আজি বিশেষ তদন্ত দলে (SIT) চাৰ্জশ্বীট দাখিল কৰাৰ লগে লগে এই কেইটামান মাহৰ অপেক্ষাৰ এক গুৰুত্বপূৰ্ণ বিন্দুলৈ উপনীত হ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত দিয়া মন্তব্য- "ন্যায় প্ৰক্ৰিয়াৰ ওপৰত আমাৰ পূৰ্ণ আস্থা আছে আৰু সকলোৱে সেই আস্থা ৰাখিব লাগিব" - এক নিৰ্ভৰযোগ্য আশ্বাস। কিন্তু এই আশ্বাসই সাধাৰণ ৰাইজৰ মনৰ সংশয়বোৰ সম্পূৰ্ণৰূপে আঁতৰাব পাৰিব নেকি? প্ৰশ্নটি স্বাভাৱিক। এজন গণমুখী শিল্পী, যিজনৰ মৃত্যুৱে এটা যুগৰ অন্ত পেলালে, তেওঁৰ মৃত্যুৰ সত্য উদ্ধাৰৰ দায়িত্ব কিমান গভীৰ, সেই কথা সকলোৱে জানে। ৰাইজৰ মনত সাধাৰণতে এনেধৰণৰ প্ৰশ্নৰ উদয় হয়- এই চাৰ্জশ্বীটটোৱে নিশ্চয় ঘটনাৰ সকলো জটিলতা উন্মোচন কৰিব? তদন্তই সাধাৰণ মানুহৰ মনত থকা অসংখ্য 'কিয়' আৰু 'কেনেকৈ'ৰ উত্তৰ দিব পাৰিবনে? দোষীসকলৰ বাবে শাস্তি নিশ্চিত হ'ব নেকি? মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে 'আদালতৰ কাৰ্যকলাপ' আৰম্ভ হ'লেই নেকি ন্যায়ৰ নিশ্চয়তা পোৱা যাব? এই সংশয়বোৰ অমূলক নহয়; বৰঞ্চ এক জটিল সামাজিক-আইনী প্ৰক্ৰিয়াৰ প্ৰতি থকা স্বাভাৱিক আৰু সুস্থ মনোভাৱৰ ইংগিত। এই প্ৰসংগত মুখ্যমন্ত্ৰীৰ মন্তব্যই দুটা মূল সত্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। প্ৰথমতে, প্ৰশাসনিক তথা পুলিচীয় তদন্তৰ সীমাবদ্ধতা। দ্বিতীয়তে, সেই কাম সমাপ্ত হোৱাৰ পিছত ন্যায়পালিকাৰ স্বতন্ত্ৰ ক্ষেত্ৰত ন্যায় প্ৰদানৰ গুৰুত্ব। এখন গণতন্ত্ৰত এই বিভাজন অতি প্ৰয়োজনীয়। পুলিচে প্ৰমাণ গোটায়, আদালতে সেই প্ৰমাণ যাচি-বাছি নিৰ্ণয় লয়। গতিকে, চাৰ্জশ্বীট দাখিল হোৱাটোৱেই অন্তিম কথা নহয়; ই আৰম্ভণি মাত্ৰ। আদালতৰ বিচাৰ-বিবেচনা, পক্ষ-বিপক্ষৰ যুক্তি, সাক্ষ্য-প্ৰমাণৰ পৰীক্ষা- এই দীঘলীয়া প্ৰক্ৰিয়াটোৰ মাজেদিহে ন্যায়ই নিজৰ পথ কৰি উলিয়াব। মুখ্যমন্ত্ৰীয়ে এই দিনটোতে ডিব্ৰুগড়ত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া চাইকেল বিতৰণৰ দৰে এক গুৰুত্বপূৰ্ণ সামাজিক আঁচনিৰ শুভাৰম্ভ কৰাটোৱেও এক গভীৰ বক্তব্য বহন কৰে। ইয়াৰ অৰ্থ হ'ল, ৰাজ্যখন এটা জটিল তথা বেদনাদায়ক তদন্তৰ সৈতে জড়িত হৈ থকাৰ সময়তো জনকল্যাণমূলক কাম-কাজ অটুত ৰখা হৈছে। শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰি ড্ৰপ-আউট হাৰ হ্ৰাস কৰা এই পদক্ষেপে ভৱিষ্যতৰ অসম গঢ়াৰ প্ৰতি চৰকাৰৰ দৃষ্টি স্পষ্ট কৰে। সোণোৱাল কছাৰী পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি আৰু বি.টি.আৰ.ত অৰুণোদয় আঁচনিৰ দৰে কৰ্মসূচীও একে ধাৰাৰ অন্তৰ্গত। ৰাজ্যই বহুমুখী সমস্যা আৰু প্ৰয়োজনৰ সৈতে একেলগে মোকাবিলা কৰিবলৈ সাজু আছে বুলিয়েই এই সমান্তৰাল কাম-কাজ সম্ভৱ। অৱশ্যে, মুখ্যমন্ত্ৰীয়ে সন্দেহযুক্ত বিদেশীসকলৰ বিষয়ত দিয়া সতৰ্কবাণী আৰু ৰাইজৰ সহযোগিতা বিচৰা কথাই এই সম্পূৰ্ণ পৰিস্থিতিটোৰ আনটো গুৰুত্বপূৰ্ণ দিশ স্পষ্ট কৰে। এটা ৰাজ্যৰ সুৰক্ষা আৰু ন্যায়-ব্যৱস্থা কেৱল চৰকাৰৰ একক দায়িত্ব নহয়- ইয়াক "জাতীয় প্ৰতিৰোধ"ৰ ৰূপ দিয়াটো সমাজৰ দায়িত্ব। ঠিক যিদৰে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে ৰাইজৰ ধৈৰ্য আৰু বিশ্বাসৰ প্ৰয়োজন, সন্দেহভাজনৰ উচ্ছেদৰ বাবেও জনসাধাৰণৰ সজাগতা আৰু সহযোগিতাৰ প্ৰয়োজন। সেয়েহে, আজিৰ তিথি দুটা বিষয়ৰ সৈতে জড়িত: অপেক্ষা আৰু কৰ্ম। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ বাবে অপেক্ষা, আৰু এক নতুন, সুশিক্ষিত, সুৰক্ষিত অসম গঢ়াৰ বাবে কৰ্ম। মুখ্যমন্ত্ৰীৰ মন্তব্যে আমাক ন্যায় প্ৰক্ৰিয়াত বিশ্বাস ৰখাৰ প্ৰয়োজনীয়তাৰ লগতে এখন সমৃদ্ধিশালী সমাজ গঢ়ি তুলিবলৈ আমাৰ ভূমিকাৰ কথাও সোঁৱৰাই দিয়ে। চাৰ্জশ্বীট দাখিল হৈছে। এতিয়া আইনৰ চকুৱে ঘটনাটো চাব। সাধাৰণ ৰাইজ হিচাপে আমাৰ কৰ্তব্য হ'ল- বিশ্বাস ৰাখি ধৈৰ্য্য ধৰি থকা, তথাপি সজাগ থাকি ন্যায় যেন যথাসময়তৰে আৰু সম্পূৰ্ণ ৰূপত প্ৰদান হয় তাৰ বাবে ৰাজহুৱা দৃষ্টি ৰখা। কাৰণ, ন্যায় প্ৰক্ৰিয়াত সময় লাগে, কিন্তু ন্যায় হ'ল গণতন্ত্ৰৰ ভেটি, ইয়াত সকলো সমান।

◀◀ চাবলৈ গ'লে এই আদিবাসীসকল দুশ বছৰে গৃহহীন বা ৰাজ্যহীন হৈ আছিল। মাত্ৰ চাহ বাগিচাৰ মালিক পক্ষৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰি চলি আছিল। তেৰোঁলোকৰ মূলধন কেৱল হাত দুখন। এই হাতেৰে তেওঁলোকে শ্ৰম কৰে। বাগিচা কৰ্তৃপক্ষৰ অনুগ্ৰহত থাকিবলৈ ঘৰ পায়, চিকিৎসা পায়, ৰেচন পায়, বোনাছ পায়। বহু সময়ত সেইবোৰৰ বাবেও আন্দোলন কৰিব লগা হয়। তেওঁলোকেও প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ভোট দিয়ে। চৰকাৰ গঠনত এইসকল লোকৰ ভূমিকা কিন্তু কম নহয়। তথাপিয়ো বিগত দুটা শতিকাত তেৰোঁলোকেও ভূমিৰ অধিকাৰ পোৱা নাছিল। তেৰোঁলোকৰ ঘৰ হৈছে বাগিচা কৰ্তৃপক্ষই প্ৰদান কৰা 'কোৱাৰ্টাৰ'। ▶▶

# দুশ বছৰীয়া অতীত আৰু আজিৰ স্বাধীনতা

**ড° আৰ কে বেজবৰুৱা**

" আছাম দেচে গেলে বহুত টাকা কামাতে পাৰবিচ্।"

অসমৰ চাহ বাগিচাত কাম কৰা মজদুৰ সকলৰ বহুতেই আজিও কয়, তেৰোঁলোকৰ উপৰি-পুৰুষক ফুচুলাই আনিছিল অসমলৈ।

বৃটিছে ভাৰত দখল কৰাৰ পিছত, ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰে ফন্দী পাতি অসমত আধিপত্য বিস্তাৰ কৰাৰ কথা সকলোৱে জানে। প্ৰথমে বৃটিছে পুৰন্দৰ সিংহক ৰজা পাতি অসমৰ শাসন চলাই চাইছিল। পিছত অসমৰ শাসনভাৰ নিজৰ হাতলৈ নিলে। ৰবাৰ্ট ব্ৰুচ আৰু আলেকজেণ্ডাৰ ক্লাৰ্ক ব্ৰুচে এবাৰ অৰুণাচলৰ বিছা গামৰ ঘৰলৈ নিমন্ত্ৰণ পাইছিল। তাতে তেওঁলোকে বনৰীয়া চাহপাতৰ পৰা তৈয়াৰ কৰা চাহ খাইছিল। অহাৰ সময়ত বিছা গামে টোপোলা বান্ধি চাহপুলি কেইটামান উপহাৰ দিছিল। চাহৰ কি কি গুণ আছে সেই সম্পৰ্কে বিছা গামে ব্ৰুছ ভাতৃদ্বয়ক বিস্তাৰিত ভাৱে কৈছিল। সেই কথা শুনি দুয়ো ভাতৃৰ চকুৰ টোপনি হেৰাইছিল। তাত উৎসাহিত হৈ অপৰিসীম শ্ৰমেৰে অসমৰ পাটকাইৰ হাবিত ব্ৰুচভাতৃদ্বয়ে বিচাৰি উলিয়াইছিল চাহ গছ। তাৰ ফল হাতে হাতে পাইছিল তেওঁলোকে। অসমত গঢ়ি উঠিছিল চাহৰ বাগিচা। অসমৰ মানুহে বৃটিছৰ বাগিচাত চাহপাত ছিঙিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। প্ৰথমতে চীনা মানুহ কিছুমানে চাহবাগিচাত পাত তুলিছিল। কিন্তু সিহঁত বৰ টেঙৰ আছিল। বহু সময়ত মালিকৰ লগত কাজিয়াত লিপ্ত হৈছিল। সিহঁতৰ দ্বাৰা কাম কৰোৱা সিমান সহজ নাছিল। সেই বাবে চাহপাত চিঙিবলৈ দৰকাৰ হোৱা মজদুৰ অসমৰ বাহিৰৰপৰা আমদানি কৰিব লগা হৈছিল। তাৰ বাবে ভাৰতৰ বিভিন্ন প্ৰান্তত স্থাপন কৰা হৈছিল কিছুমান এজেন্সী বা ডিপো। এজেন্সীবোৰত সংগ্ৰহ কৰা হৈছিল লেবাৰ। সেয়া এক ঐতিহাসিক সময়।

১৯৫৩-৫৪ চনৰ কথা।

উত্তৰ ভাৰতৰ বিভিন্ন ঠাইত বৃটিছে এজেন্সী খুলি বহিছিল। Tea District Labour Agency বা T. D. L. A. বুলি কোৱা এই কেন্দ্ৰসমূহৰ জৰিয়তে অসমলৈ লেবাৰ পঠোৱা হৈছিল। লেবাৰ ফৰৱাৰ্ডিঙৰ বাবে পশ্চিম বংগত আছিল -গড়গপুৰ এজেন্সী। অন্ধ্ৰপ্ৰদেশ পতা হৈছিল বিশাখাপট্টনম, ইষ্ট গোদাবৰী, শ্ৰীকাকুলাম, নেলোৰ বেহৰামপুৰ আৰু ক'ৰাপুট বিজয়া নগৰম্ এজেন্সী। বিহাৰৰ মানভূম, পালামাও, চিঙভূম, মীৰ্জাপুৰ আদিৰ লেবাৰ ৰাঁচী এজেন্সীৰ জৰিয়তে পঠোৱা হৈছিল। হাজাৰিবাগ, চুৰগুজাৰ বাবে ৰায়পুৰৰ পৰা লেবাৰ ফৰৱাৰ্ড কৰিবলৈ Tea District Labour Agency খোলা হৈছিল ডেল্টনগঞ্জ আৰু চাইবাচাত। বোম্বে ষ্টেটৰ বাবে নাচিক, পাঁচমহল, ৰেষ্টখান্দেচ, কোলাবা, চুৰাট, ডাঙচ, থানা আদি এজেন্সী। মধ্যপ্ৰদেশৰ লেবাৰ পঠোৱা হৈছিল- ৰায়পুৰ, বিলাসপুৰ, ডুৰ্গ, বাচটাৰৰ পৰা।

জয়পুৰ (Jeypore) বেহৰামপুৰ, গঞ্জাম আৰু ভিজিয়ানা গ্ৰাম এই তিনিটা হৈছে উৰিষ্যাৰ ক'ৰাপুট জিলাৰ 'ডিষ্ট্ৰি" টি লেবাৰ ফৰৱাৰ্ডিং এজেন্সী'। বেহৰামপুৰৰ ওচৰে-পাজৰে থকা এজেন্সী কেইটা হৈছে- কালাহান্দি (ৰায়পুৰ), চম্বলপুৰ (চাইবাচা), সুন্দৰগড় (ৰাঁচী), ময়ূৰভঞ্জ (খড়গপুৰ)। এই এজেন্সীসমূহৰ পৰা শয়ে শয়ে কুলি (সেই সময়ত বৃটিছে ব্যৱহাৰ কৰা শব্দ। অনিচ্ছাকৃত ভাৱে উল্লেখ কৰা হৈছে।) অসমলৈ চাপ্লাই দিয়া হৈছিল।

এইবোৰ এজেন্সীৰ জৰিয়তে অসমৰ চাহ উদ্যোগৰ বাবে লেবাৰ সংগ্ৰহ কৰা হৈছিল। এই ফৰৱাৰ্ডিং এজেন্সীসমূহ একোজন ফৰৱাৰ্ডিং এজেণ্ট বা হেড ক্লাৰ্কৰ দ্বাৰা চলোৱা হৈছিল। একোজন চৰ্দাৰে লেবাৰ সংগ্ৰহ কৰি ফৰৱাৰ্ডিং এজেণ্টৰ ওচৰলৈ লৈ আহে। ফৰ'ৱাৰ্ডিং এজেণ্টে তাক পাচ কৰি অসমৰ বিভিন্ন ঠাইলৈ পঠিয়াই দিয়ে। ইয়াকে 'ৰিক্ৰুইত' কৰা বোলে। তাৰ বিনিময়ত একোজন চৰ্দাৰে দুজন বয়স্ক লেবাৰৰ বাবে ১৮৫ টকাকৈ কমিচন পাইছিল। অতিৰিক্তকৈ দুজন লেবাৰ দিব লগা হ'লে ৭০ টকা ওপৰঞ্চিকৈ লাভ কৰে।

হাতত ফৰোৱাৰ্ডি কাগজখন লৈ তেৰোঁলোক লাইন পাতিছিল চিকিৎসকৰ সন্মুখত। ফৰ'ৱাৰ্ডিং এজেন্সিত সকলোৰে স্বাস্থ্য পৰীক্ষা কৰা হৈছিল। জীৱনত প্ৰথমবাৰৰ বাবে সিহঁতে ডাক্তৰ দেখা পাইছিল বা ডাক্তৰৰ দ্বাৰা সিহঁতৰ শৰীৰৰ পৰীক্ষা হৈছিল। পেলু( হুক ওৰ্ম ), শূল জাৰা (ডিচেণ্ট্ৰি), বুখাৰ (জ্বৰ) আছিল সিহঁতৰ মাজত প্ৰধান বেমাৰ। সিহঁতে জীৱনত প্ৰথমবাৰৰ বাবে বেজীৰ (কলেৰা ভেকচিন) সোৱাদো পাইছিল।

এজন ১৬ বছৰীয়া মতা বা মাইকী মানুহক বয়স্ক লেবাৰ হিচাপে বিবেচনা কৰা হয়। মতা মানুহক এখন ধুতি আৰু মাইকী মানুহক একোখন শাৰী কোম্পানীৰ ফালৰ পৰা দিয়া হয়। চাৰিৰ পৰা এঘাৰ বছৰীয়া ল'ৰা-ছোৱালীৰ বাবে এখন ধুতি বা শাৰী, এখন কম্বল আৰু এটা এলুমিনিয়ামৰ মগ দিয়া হৈছিল। চাৰি বছৰৰ তলৰ ল'ৰা-ছোৱালী থাকিলে এটা গেঞ্জী আৰু এটা চোলা দিছিল। এজন লেবাৰ ৰিক্ৰুইট কৰাৰ সময়ত ফৰৱাৰ্ডিং এজেন্সিৰ পৰা দিয়া ধুতি, শাৰী, দুখন কম্বল, লোটা আৰু এখন এলুমিনিয়ামৰ থালৰ বাবদ খৰচ পৰিছিল ২২.৮০ টকা।



বৃটিছে কেৱল কম খৰচত উৎপাদনৰ বাবেহে চিন্তা কৰিছিল। মানুহৰ দুখ দৈন্যৰ লগত কোনো সম্পৰ্ক নাছিল সিহঁতৰ। দুখন কম্বল, এটা লোটা, আৰু এখন থাল অসমলৈ অহাৰ বাবে প্ৰত্যেককে দিয়া হয়। এই কেইটাই তেৰোঁলোকৰ অসমত পদাৰ্পণ কৰা সময়ৰ উপহাৰ। এসোপামান পৰিশ্ৰম আৰু শূন্য ভঁৰাল। তেনেকুৱা কাৰণতেই পশ্চিম বংগ, বিহাৰ, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আদিৰ পৰা মজদুৰ সংগ্ৰহ কৰোঁতে বেচি কষ্ট কৰিব লগা হোৱা নাছিল। এনেকৈয়ে এদিন ধুতি, লোটা, কম্বল বুকুৰ মাজত সাৱটি ধৰি তেৰোঁলোকে অসমত পদাৰ্পণ কৰি প্ৰায় দুশ বছৰ অতিক্ৰম কৰিলে।

১৮৪৪-৪৫ চনত লেবাৰ ৰিক্ৰুইট কৰা হৈছিল ৩৭, ৪৪০ জন। সিহঁতৰ বিপৰীতে চৰ্দাৰ আছিল ৮৭৭৪ জন। লেবাৰবোৰক পোনতে বৃটিছে তিনি বছৰৰ বাবে চুক্তিবদ্ধ কৰি অসমলৈ আনিছিল। দিনে তিনি টকা হাজিৰা, থকা ঘৰ, ফ্ৰী ট্ৰিটমেণ্ট, সপ্তাহতজনে প্ৰতি চাউল ডেৰ কেজি আৰু আটা ডেৰ কেজিকৈ, কেৰাচিন তেল, দালি, গুৰ দিয়া হৈছিল। বছৰেকত দুৰ্গা পূজাৰ সময়ত বোনাছ। নিজৰ ঠাইত নাখাই মৰাতকৈ অসমত স্বাচ্ছন্দ্যৰে কাম কৰি জীয়াই থকাই ভাল বুলি ভাবি অসমলৈ অহাৰ পিছত তেৰোঁলোক তাকেই ভাগ্য বুলি ভাবিছিল।

১৯৫৩-৫৪ চনলৈকে চাহ বাগিচালৈ জনজাতিৰ প্ৰব্ৰজন চলি আছিল, কিন্তু সংখ্যাবোৰ লাহে লাহে কমি আহিছিল। এই সংখ্যা ১৯৫৩ -৫৪ চনত ৩১৭জন হৈছিল গৈ। যিসকলে আহি অসমত তিনি বছৰ পাৰ কৰিছিল, ম্যাদ উকলি যোৱাৰ পিছত কিছুমানে হাতত কিছু ধন লৈ পুনৰ নিজৰ ঘৰলৈ ঘূৰি গৈছিল। বেছিভাগেই কিন্তু চাহ বাগানৰ মোহত পৰিছিল আৰু অসমতেই ৰৈ গৈছিল। সিহঁতৰ সতি-সন্ততিয়ো বাগিচাৰ কামত সোমাইছিল। অসমৰ হাৱা- পানীৰ লগত মিলি যাবলৈ চেষ্টা কৰিছিল। বাগিচাৰ সেউজীয়াৰ লগত সেউজীয়া সপোন ৰচনাৰ ব্যৰ্থ প্ৰয়াস কৰিছিল। যিবোৰ ঘূৰি গৈছিল, সিহঁতৰ বাবে ঘূৰাই পঠোৱা খৰচ বাগিচাসমূহে বহন কৰিছিল। ঘূৰাই পঠাবলৈ এজন adult labour -ৰ বাবে ১৫ টকা খৰচ হৈছিল।

অসমলৈ আনি সিহঁতক ৰঙিয়া, ৰঙাপৰা, ৰবৈয়া, তেজপুৰ, তিনচুকীয়া আৰু শিলচৰত ৰেলেৰে নমাই দিয়া হৈছিল। তাৰ পিছত নিৰ্দিষ্ট বাগিচাবোৰলৈ চৰ্দাৰসকলে লৈ গৈছিল।

পানপুৰ ঘাট, শিলঘাট, বিশ্বনাথ ঘাট, কাঠনিবাৰী ঘাট, বিহালীমুখ, গমিৰী ঘাট, ধনশিৰিমুখ, বৰদূতি (বৰডুবি? ), ককিলামুখ আদি ষ্টীম ঘাটেদি স্থানীয়ভাৱে সিহঁতক বিভিন্ন বাগিচালৈ প্ৰেৰণ কৰা হৈছিল।

সেই আমদানি কৰা মানুহবোৰৰ Domiciled cast and tribes আছিল - টেলেঙা, তেলী, পৰজা, কামাৰ, কুমাৰ, কয়া, মালি, পাট্টুচালি, কামচালি, গডাৰী, গন্দ, মুচি, চাওৰা, মুণ্ডা, অহিৰ, পানিকা, ওৰাঙ, মাহালি, চামাৰ, চবৰ, ধোবি, ভূঁইয়া, খাৰিয়া, ৰাউটিয়া, কাহাৰ, খেৰুৱাৰ, কিচান, কয়ৰি, কৰুৱা, লোহাৰ, ঘাচী, চীক-বাৰাইক, হাড়ী, চাওঁতালী, গওৰা, ডোম, ডুচাদ, গোৱালা, কুমহাৰ, কুৰমি, ওৰাওন, হো, কাৱাৰ, কেৱট, আঘাৰীয়া, ডুমাল, কলটা, কন্ধ, চাচ্চা, টাচা, গৌড়া, খণ্ডাইট, নাইক, ভূমিজ, পান, তাঁন্তি, ভীল, কাথোৰী, জুৱাঙ, কোলি, কুনবি, মাহাৰ, মাঙ, ককনা, কাহাৰ, ধোড়িয়া, আগৰি, লামনি, ভাণ্ডাৰী, ঠাকুৰ, বঞ্জাৰী, ওৱাৰলি, ভই, চোধ্ৰা ডুবলা, গামটা, ধীমাৰ, লোধী, মেহৰা, কাৱৰ, ভট্ৰা, মাটিয়া, নুকা-ডৰা, ৰ'না, চুণ্ডি, ব'ন্দা-পৰজা, ৰণা, ওৰিয়া, বাগডী, বাউৰী আদি। আজি অনেক জাত পাত মিলি তেওঁলোকৰ পৰিচয় হৈছে আদিবাসী।

চাবলৈ গ'লে এই আদিবাসীসকল দুশ বছৰে গৃহহীন বা ৰাজ্যহীন হৈ আছিল। মাত্ৰ চাহ বাগিচাৰ মালিক পক্ষৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰি চলি আছিল। তেৰোঁলোকৰ মূলধন কেৱল হাত দুখন। এই হাতেৰে তেওঁলোকে শ্ৰম কৰে। বাগিচা কৰ্তৃপক্ষৰ অনুগ্ৰহত থাকিবলৈ ঘৰ পায়, চিকিৎসা পায়, ৰেচন পায়, বোনাছ পায়। বহু সময়ত সেইবোৰৰ বাবেও আন্দোলন কৰিব লগা হয়। তেওঁলোকেও প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ভোট দিয়ে। চৰকাৰ গঠনত এইসকল লোকৰ ভূমিকা কিন্তু কম নহয়। তথাপিয়ো বিগত দুটা শতিকাত তেৰোঁলোকেও ভূমিৰ অধিকাৰ পোৱা নাছিল। তেৰোঁলোকৰ ঘৰ হৈছে বাগিচা কৰ্তৃপক্ষই প্ৰদান কৰা 'কোৱাৰ্টাৰ'।

আজি (২৮ নবেম্বৰ)ত অসমৰ সদনত গৃহীত হোৱা বিধেয়কৰ দ্বাৰা চাহ বাগিচাৰ মজদুৰসকলে নিজা ভূমিৰ অধিকাৰ লাভ কৰিলে। চৰকাৰে তেৰোঁলোকক পৰিচয় এটা দিলে। সেই বাবেই তেৰোঁলোকে উপলব্ধি কৰিছে - আজিহে প্ৰকৃত স্বাধীনতা লাভ কৰা বুলি। আমিও সন্তোষ পাইছোঁ, তেৰোঁলোকৰ সপোন বাস্তৱায়িত হোৱা বাবে। আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ, এনে এটা ঐতিহাসিক কাৰ্য্য ৰূপায়ণ কৰা বাবে।



# ঐক্য আৰু সম্প্ৰীতিৰ উৎসৱ - হৰ্ণবিল উৎসৱ

**নিবেদিতা হাজৰিকা**

নাগালেণ্ডৰ অন্যতম চিনাকি সাংস্কৃতিক অনুষ্ঠান হৈছে হৰ্ণবিল উৎসৱ। প্ৰতি বছৰে ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ নাগালেণ্ডৰ ৰাজধানী ক'হিমাকে ধৰি সমগ্ৰ ৰাজ্যখনতে বিৰাজ কৰে এক উৎসৱমুখৰ পৰিৱেশৰ। ৰাষ্ট্ৰীয় সংগীতেৰে শুভাৰম্ভণি হোৱা এই উৎসৱৰ আগমনে সমগ্ৰ ৰাজ্যখনতে এক উখল মাখল পৰিৱেশৰ সৃষ্টি কৰে। নাগালেণ্ডৰ ৰাজধানী কোহিমা (ক'হিমা) ৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত অৱস্থিত নগা ঐতিহ্য গাঁও কিচামাত 'উৎসৱৰ উৎসৱ'( Festival of Fastival) ৰূপে অভিহিত হৰ্ণবিল উৎসৱ উদ্‌যাপন কৰা হয়।

হৰ্ণবিল উৎসৱ- মূলতঃ ধনেশ পক্ষীৰ নামত উৎসৰ্গিত উৎসৱ। এই উৎসৱ হৰ্ণবিল নামৰ চৰাইবিধৰ প্ৰতীকি ৰূপ। হৰ্ণবিল (ধনেশ পক্ষী) এবিধ ডাঙৰ আৰু ৰঙীণ চৰাই। এই বিধ চৰাই নগা সকলৰ আটাইতকৈ শ্ৰদ্ধাৰ আৰু প্ৰশংসিত চৰাই। নগা জনগোষ্ঠীৰ লোক সংস্কৃতিত শৌৰ্যৰ প্ৰতীক হিচাপে গণ্য কৰা হয় আৰু নগা সকলে যুগ-যুগ ধৰি হৰ্ণবিল চৰাইটোক সন্মান কৰি আহিছে। উল্লেখ্য যে হৰ্ণবিল উৎসৱত গোৱা লোক কথা আৰু গীতবোৰে এই চৰাইটোৰ গুৰুত্বক চিত্ৰিত কৰে। উল্লেখ্য যে, নাগালেণ্ডৰ বিভিন্ন জনজাতি সমূহৰ মাজত ভাব বিনিময়ৰ বিকাশ তথা নাগালেণ্ডৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰৰ বাবে এই ৰাজ্যৰ চৰকাৰে এই দহ দিন( ডিচেম্বৰৰ প্ৰথম সপ্তাহটোত) হৰ্ণবিল উৎসৱ পালন কৰি আহিছে। এই সাংস্কৃতিক উৎসৱে নাগালেণ্ডৰ পৰ্যটনৰ বিকাশত বিশেষ গুৰুত্ব তথা ভূমিকা পালন কৰাৰ লগতে এই উৎসৱে পৰ্যটক সকলক নগা কৃষ্টি তথা সংস্কৃতিৰ বিষয়ে জনাৰ লগতে অভিজ্ঞতা লাভৰ সুবিধা প্ৰদান কৰি আহিছে।

হৰ্ণবিল উৎসৱ হৈছে ভাৰতৰ আটাইতকৈ দীঘলীয়া আৰু জনপ্ৰিয় সংঙ্গীতানুষ্ঠান। ৰাজ্যখনৰ পৰ্যটনক প্ৰসাৰিত কৰিবৰ বাবে নাগালেণ্ডৰ ৰাজ্য চৰকাৰে আয়োজন কৰা ই এক থলুৱা উৎসৱ। ই নাগালেণ্ডৰ পৰিচয় শক্তিশালী কৰাৰ লগতে জনজাতীয় লোকসকলৰ সংস্কৃতি তথা পৰম্পৰা উন্মোচন কৰে।

এই উৎসৱত মূলতঃ বিভিন্ন নৃত্য আদিৰ সমাহাৰ ঘটে, জাকজমকতাৰে বিভিন্ন নৃত্য -গীত পৰিৱেশন কৰা হয়। নগা জনগোষ্ঠীৰ পাৰস্পৰিক খেল -ধেমালি, নগা খাদ্যৰ পৰিৱেশন আদিয়ে ইয়াৰ মূল। এই সমূহৰ উপৰিও পৰম্পৰাগত নগা কলা যেনে - বিভিন্ন চিত্ৰ কাৰুকাৰ্য ইত্যাদিৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়। ফুলৰ প্ৰদৰ্শনী, সৌন্দৰ্য প্ৰতিযোগিতা, মিছ নাগালেণ্ড সুন্দৰী প্ৰতিযোগিতা, পৰম্পৰাগত আৰ্চাৰী, নগা মল্ল যুঁজ আদিও ইয়াত প্ৰদৰ্শিত হয়। এই উৎসৱে নগা জনগোষ্ঠীৰ জনজাতীয় জীৱনক নিচেই কাষৰ পৰা উপভোগ কৰাৰ সুবিধা প্ৰদান কৰে। নগা কৃষ্টি -সংস্কৃতিৰ বিষয়ে চাক্ষুস জ্ঞান বা অভিজ্ঞতা লাভৰ এখন উপযুক্ত মঞ্চ বা উৎসৱ হৈছে হৰ্ণবিল উৎসৱ। ধনেশ পক্ষীৰ নামত উৎসৰ্গিত নাগালেণ্ডৰ এই উৎসৱে নগা জনগোষ্ঠীক সমৃদ্ধ কৰি তুলিছে।

# কেঞ্চাৰৰ আঁৰৰ সত্য আৰু ৰক্ষাৰ পথ

**সত্যব্ৰত বৰা**

মানৱ জীৱনৰ আটাইতকৈ ভয়ংকৰ ৰোগৰ ভিতৰত কেঞ্চাৰে শীৰ্ষস্থান দখল কৰি আছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, প্ৰতি বছৰে পৃথিৱীত প্ৰায় দুই কোটি নতুন কেঞ্চাৰ ৰোগী চিনাক্ত হয় আৰু এক কোটিৰো অধিক লোক এই ৰোগত মৃত্যুমুখত পৰে। ভাৰতবৰ্ষতো এই সংখ্যা অতি ভয়াবহ। ২০২৫ চনৰ হিচাপত ভাৰতত প্ৰতি বছৰে প্ৰায় চৌধ্য লাখ নতুন কেঞ্চাৰ ৰোগী ধৰা পৰে আৰু ন লাখৰো অধিক লোকে এই ৰোগত প্ৰাণ হেৰুৱায়। অসমতো কেঞ্চাৰে এতিয়া এক মহামাৰীৰ ৰূপ লৈছে। গুৱাহাটীৰ ড° ভুবনেশ্বৰ বৰুৱা কেঞ্চাৰ ইনষ্টিটিউটৰ তথ্য অনুসৰি, অসমত বছৰি প্ৰায় পঞ্চাছ হেজাৰৰো অধিক নতুন কেঞ্চাৰ ৰোগী ধৰা পৰিছে আৰু এই সংখ্যা ক্ৰমাৎ বাঢ়ি গৈ আছে। এই ৰোগে কেৱল শৰীৰতে নহয়, পৰিয়াললৈকে গভীৰ আঘাত হানে। পৰিয়ালৰ সকলো সঞ্চয় শেষ হৈ যায়, সপোন ভাগি যায় আৰু এটা প্ৰাণপ্ৰতিষ্ঠিত জীৱন ধ্বংস হৈ যায়।

কেঞ্চাৰ কিয় হয়? এই প্ৰশ্নৰ সৰল উত্তৰ নাই। কেঞ্চাৰ হৈছে কোষৰ অনিয়ন্ত্ৰিত বিভাজনৰ ফলত হোৱা এটা ৰোগ। আমাৰ শৰীৰত প্ৰতিটো কোষৰ ভিতৰতে ডি এন এ থাকে, যিয়ে কোষৰ বৃদ্ধি, বিভাজন আৰু মৃত্যু নিয়ন্ত্ৰণ কৰে। যেতিয়া এই ডি এন এত কোনো কাৰণত ত্ৰুটি হয় বা ক্ষতি হয়, তেতিয়া কোষবোৰে নিয়ন্ত্ৰণ হেৰুৱাই অস্বাভাৱিকভাৱে বিভাজিত হৈ টিউমাৰ সৃষ্টি কৰে। এই টিউমাৰ দুই প্ৰকাৰৰ হদ্বিতীয়তে আছে খাদ্যাভ্যাস। অত্যধিক তেলত ভজা, পোৰা, ৰঙা মাংস, প্ৰচেছড ফুড, শীতল পানীয় আৰু অত্যধিক নিমখযুক্ত খাদ্যই পাকস্থলী আৰু ক'লনৰ কেঞ্চাৰৰ আশংকা বঢ়ায়। অসমৰ গ্ৰাম্য অঞ্চলত প্ৰায়ে পুৰণা মাংস, শুকান মাছ, আঞ্জা আদি অত্যধিক খোৱাৰ পৰম্পৰা আছে, যিবোৰত নাইট্ৰ'চামিন নামৰ কেঞ্চাৰ সৃষ্টিকাৰী পদাৰ্থ থাকে। একেদৰে চাহ বাগিচাৰ শ্ৰমিকসকলৰ মাজত কীটনাশকৰ সংস্পৰ্শৰ ফলত কেঞ্চাৰ বেছি দেখা যায়।

পৰিৱেশ প্ৰদূষণো এতিয়া কেঞ্চাৰৰ এক বৃহৎ কাৰক। গুৱাহাটী, ডিব্ৰুগড়, শিৱসাগৰ আদি চহৰত বায়ু প্ৰদূষণৰ মাত্ৰা অতি উচ্চ। ডিজেলৰ ধোঁৱা, নিৰ্মাণ সামগ্ৰীৰ ধূলি, কাৰখানাৰ ধোঁৱা আদিত থকা কাৰ্চিন'জেনিক পদাৰ্থই যকৃৎৰ কেঞ্চাৰৰ আশংকা বহুগুণে বঢ়াইছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ অঞ্চলত আৰ্ছেনিকযুক্ত পানীয়ে মূত্ৰাশয় আৰু ছালৰ কেঞ্চাৰৰ সৃষ্টি কৰিছে। কৃষি ক্ষেত্ৰত ব্যৱহাৰ হোৱা কীটনাশক আৰু ৰাসায়নিক সাৰৰ অৱশিষ্টই খাদ্যশৃংখলৰ জৰিয়তে আমাৰ শৰীৰত সোমাই কেঞ্চাৰৰ বিষ বিয়পায়।

ভাইৰাছৰ সংক্ৰমণো কেঞ্চাৰৰ এক গুৰুত্বপূৰ্ণ কাৰক। হিশেষকৈ হিউমেন পেপিল'মা ভাইৰাছ (HPV)ৰ ফলত জৰায়ু মুখৰ কেঞ্চাৰ হয়। হেপাটাইটিছ বি ভাইৰাছে যকৃতৰ কেঞ্চাৰৰ সৃষ্টি কৰে। অসমত হেপাটাইটিছ বি আৰু চিৰ প্ৰাদুৰ্ভাৱ বেছি হোৱাৰ বাবে যকৃতৰ কেঞ্চাৰৰ সংখ্যা দ্ৰুতগতিত বাঢ়িছে।

বংশগত কাৰকো উপেক্ষা কৰিব নোৱাৰি। BRCA1 আৰু BRCA2 জিনৰ মিউটেচন থকা মহিলাৰ স্তন কেঞ্চাৰ আৰু অণ্ডকোষৰ কেঞ্চাৰৰ আশংকা অতি বেছি। কিন্তু ভাৰতত মাত্ৰ দহ শতাংশ কেঞ্চাৰ বংশগত; বাকী নব্বৈ শতাংশই জীৱনশৈলী আৰু পৰিৱেশৰ সৈতে জড়িত।

কেঞ্চাৰৰ ভয়াবহতা এইয়াই যে ই প্ৰথম অৱস্থাত কোনো লক্ষণ নেদেখুৱায়। যেতিয়া বিষ হয়, ওজন কমে, সঘনাই জ্বৰ আহে, তেতিয়া ৰোগ ইতিমধ্যে তৃতীয় বা চতুৰ্থ পৰ্যায়ত উপনীত হয়। সেয়েহে প্ৰতিৰোধ আৰু প্ৰাৰম্ভিক চিনাক্তকৰণেই কেঞ্চাৰৰ বিৰুদ্ধে একমাত্ৰ শক্তিশালী অস্ত্ৰ।

প্ৰতিৰোধৰ পথ সহজ নহয়, কিন্তু সম্ভৱ। প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ধপাত আৰু চুপাৰীৰ সম্পূৰ্ণ পৰিহাৰ। যিসকলে এতিয়াও এৰিব পৰা নাই, তেওঁলোকে যিমান সোনকালে এৰিব সিমানেই নিৰাপদ। ধূমপান এৰিলে দহ বছৰৰ ভিতৰত যকৃতৰ কেঞ্চাৰৰ আশংকা আধালৈ কমি যায়। তামোল-পাণ এৰিলে মুখৰ কেঞ্চাৰৰ আশংকা নাটকীয়ভাৱে হ্ৰাস পায়।

দ্বিতীয়তে, স্বাস্থ্যকৰ খাদ্যাভ্যাস। প্ৰতিদিনে কমেও পাঁচ প্ৰকাৰৰ ফল-মূল আৰু শাক-পাচলি খোৱা উচিত। ৰঙা মাংসৰ পৰিৱৰ্তে মাছ, কুকুৰা, ডালি, বীন আদি খোৱা ভাল। তেলত ভজাৰ পৰিৱৰ্তে সিজোৱা, ভাপত দিয়া বা গ্ৰিল কৰা খাদ্য বাছি ল'ব লাগে। চেনি আৰু নিমখৰ মাত্ৰা কমাব লাগে।

তৃতীয়তে, নিয়মীয়া ব্যায়াম। প্ৰতি সপ্তাহত কমেও ১৫০ মিনিট মধ্যমীয়া ব্যায়াম (দ্ৰুত খোজ কঢ়া, সাঁতোৰা, চাইকেলিং) কৰিলে কেঞ্চাৰৰ আশংকা ত্ৰিশ শতাংশলৈকে কমে।

চতুৰ্থতে, টীকাকৰণ। ৯ৰ পৰা ১৪ বছৰৰ ছোৱালীক HPV ভেকচিন দিলে জৰায়ুৰ কেঞ্চাৰ প্ৰায় সম্পূৰ্ণৰূপে ৰোধ কৰিব পৰা যায়। হেপাটাইটিছ বিৰ টীকা ললে যকৃতৰ কেঞ্চাৰৰ আশংকা বহু পৰিমাণে কমে।

পঞ্চমতে, পৰিৱেশ সচেতনতা। সম্ভৱ হলে মাস্ক পিন্ধি দূষিত বায়ুৰ পৰা ৰক্ষা কৰক নিজকে। বিশুদ্ধ পানী খাওক। শাক-পাচলি ভালদৰে ধুই খাওক।

আৰু সৰ্বোপৰি, প্ৰাৰম্ভিক চিনাক্তকৰণ। মহিলাসকলে ৩০ বছৰৰ পৰা পেপ স্মিয়েৰ বা HPV পৰীক্ষা, ৪০ৰ পৰা মেম'গ্ৰাফী কৰাওক। পুৰুষসকলে ৫০ৰ পৰা PSA পৰীক্ষা কৰিলে প্ৰষ্টেট কেঞ্চাৰ ধৰা পৰে। মুখৰ ভিতৰত বগা বা ৰঙা দাগ, দীৰ্ঘালীয়া ঘা, খাদ্য গিলোতে বিষ, কণ্ঠস্বৰ সলনি হোৱা, ওজন অকাৰণে কমা, ৰক্তাহীনতা আদি দেখিলে তৎকালে ডাক্তৰৰ ওচৰলৈ যাওক।

কেঞ্চাৰ এতিয়াও অজেয় নহয়। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ধৰা পৰিলে আটাইতকৈ সাধাৰণ কেঞ্চাৰবোৰৰ পৰা প্ৰায় নব্বৈ শতাংশ ৰোগী সম্পূৰ্ণ সুস্থ হৈ উঠে। কিন্তু তাৰ বাবে আমি সচেতন হ'ব লাগিব, জীৱনশৈলী সলনি কৰিব লাগিব আৰু ভয় এৰি সাহসেৰে পৰীক্ষা কৰিব লাগিব।

কেঞ্চাৰ এটা ৰোগ নহয়, এক যুদ্ধ। আৰু এই যুদ্ধত জয়ী হোৱাৰ চাবিকাঠি আমাৰ নিজৰ হাতত। যিমানেই ভয়ংকৰ নহওক কিয়, জীয়াই থকাৰ ইচ্ছা আৰু সঠিক চিকিৎসাই কেঞ্চাৰকো পৰাভূত কৰিব পাৰে। আজিৰ পৰাই চুপাৰী-ধপাত এৰক, স্বাস্থ্যকৰ খাদ্য খাওক, ব্যায়াম কৰক আৰু নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰক। কাৰণ জীৱন এটা



# কৃতজ্ঞতা- সুখৰ সৰ্বশ্ৰেষ্ঠ ভাষা

**ডাঃ মৃণাল দাস**

মানুহৰ অন্তৰজগতৰ সৰ্বাধিক কোমল আৰু শুদ্ধ অনুভৱটোৱেই হ'ল কৃতজ্ঞতা। ই জীৱনৰ জটিলতাৰ মাজতো এটা অনুভৱ আনে যি সকলোকে শুদ্ধ কৰি তোলে। কৃতজ্ঞতা কোনো ধনৰ ভৰসাত, প্ৰতিপত্তিৰ গৰ্বত বা বাহ্যিকতাত নাই; কৃতজ্ঞতা থাকে হৃদয়ৰ গভীৰতাত আৰু হৃদয়ৰ কোমল প্ৰান্তত। সেয়েহে কৃতজ্ঞতা হৈছে সেই ভাষা, যি শব্দৰ আগতে হৃদয়ে বুজি পায়।

কৃতজ্ঞতা মাত্ৰ "ধন্যবাদ" কোৱাই নহয়; ই হৈছে জীৱনৰ দানসমূহক হৃদয়েৰে অনুভৱ কৰা। আমি ভবামতে

সাফল্য, নাম-যশ বা নতুন লাভেই সুখৰ সাঁচ, কিন্তু প্ৰকৃত সুখ ক'ত থাকে? সৰু-সৰু অভিজ্ঞতাত—ঘৰৰ মানুহৰ হাঁহিৰে ভৰা মুখখনত, বন্ধুৰ স্নেহত, বা অনাহুত সহায়ৰ হাতখনত। এইবোৰক যেতিয়া আমি উপলব্ধি কৰোঁ, ঠিক সেই মুহূৰ্ততেই জন্ম লয় সুখৰ অন্যতম সৰ্বশ্ৰেষ্ঠ ভাষা কৃতজ্ঞতা। কৃতজ্ঞতাৰ আৰম্ভণি হয় সচেতনতাৰে। ই হৈছে আমাৰ জীৱনত ইতিমধ্যে থকা স্নেহ, সহায়-সহযোগ বা সৰু সৰু সৌন্দৰ্যৰ মূল্যবোধত। সূৰ্য্যোদয়ৰ কোমল ৰং, কোনোজনৰ মমতাপূৰ্ণ বাৰ্তা, ঘৰখনৰ উম—যেতিয়া আমি এইসকলো সৰু উপহাৰক মনত ৰাখোঁ, তেতিয়া আমাৰ মন অভাৱৰ পৰা সমৃদ্ধৰ দিশলৈ সলনি বা গতি কৰে। যি নাই সেইটো লৈ দুঃখ কৰাৰ সলনি, যি আছে সেইটো উপভোগ কৰিবলৈ শিকিব লাগে।

কৃতজ্ঞতাই মানুহৰ অন্তৰ কোমল কৰে। যি মনত আগতে অভিযোগেৰে ভৰি থাকে, সেই মনতো লাহে লাহে ধনাত্মকতা, শান্তি আৰু সহযোগিতা প্ৰকাশ পায়। কৃতজ্ঞতা যেন অন্তৰৰ ধূলি মচা এক নীৰৱ বতাহ; যি বতাহে মনৰ আকাশ শুদ্ধ কৰি নতুন ৰঙেৰে আঁকি তোলে।

সম্পৰ্কৰ ক্ষেত্ৰতো "কৃতজ্ঞতা" এক অনুপম দান। কৃতজ্ঞতা অনুভৱ কৰা মানুহে আনক অধিক মৰমেৰে বুজে, অধিক সহনশীল হয়। এজনৰ সলনি এজনৰ হৃদয়ত সমৰ্পণত থকা এই অনুভৱে পৰিয়ালৰ মাজত শান্তি, বন্ধুত্বৰ মাজত দৃঢ়তা আৰু সমাজৰ মাজত একতা সৃষ্টি কৰে। যেন কৃতজ্ঞতাই হ'ল মানৱসম্পৰ্কৰ বন্ধনী সুন্দৰ কৰি তোলাৰ যাদুৰ মন্ত্ৰ।

সবাতোকৈ আনন্দদায়ক সত্য হল কৃতজ্ঞতাৰ চৰ্চা কৰিবলৈ কোনো খৰচ নাই, কোনো জটিলতা নাই। এটা দিনত ধন্যতাৰ কথা সমূহ চিন্তা কৰা, দিনটোৰ শেষত সৰু আনন্দবোৰ মনত পেলোৱা, বা কিছুমানে আগবঢ়োৱা সহায়ৰ মূল্য বুজা—এইবোৰেই কৃতজ্ঞতাৰ আদি-অন্ত। ধীৰে ধীৰে এই অভ্যাসই সুখ বান্ধি তোলিব, যেন বতাহতে ফুলৰ সুবাস পাব। মৰমৰ উষ্ণতা আৰু শান্তিৰ সুৰেৰে জীৱন ভৰাই তুলিবলৈ কৃতজ্ঞতা হৈছে সৰ্বোত্তম পথ।

কৃতজ্ঞ হ'ব শিকিলে জীৱন বেলেগে একো নালাগে। সুখ জোৰকৈ বুটলি আনা বস্তু নহয়; কৃতজ্ঞ হৃদয়ত সুখ স্বাভাৱিকভাৱে থাকে।

# দৰং জিলাত ১১, ৭৫৩ গৰাকী হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণৰ অধীনত অনুমোদন পত্ৰৰ আনুষ্ঠানিক বিতৰণ



**অসম বাৰ্তা, দেওমৰনৈ, ১১ ডিচেম্বৰ ঃ** মঙলবাৰে দৰং জিলা প্ৰশাসনে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G)ৰ অধীনত ১১, ৭৫৩ গৰাকী যোগ্য হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰে। দৰং জিলাৰ তিনিটা বিধানসভা সমষ্টি মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁৱত একেলগে এই কাৰ্যসূচী অনুষ্ঠিত হয়। মঙলদৈ সমষ্টিৰ বাবে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস আৰু অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে। অনুষ্ঠানত মঙলদৈ সমষ্টিৰ মুঠ ১৪৮৭ গৰাকী হিতাধিকাৰীয়ে তেওঁলোকৰ গৃহ আৱণ্টনৰ অনুমোদন পত্ৰ লাভ কৰে। ভাষণত বিধায়ক দুগৰাকীয়ে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ বাবে লোৱা শক্তিশালী পদক্ষেপসমূহৰ বিষয়ে কয়। অনুষ্ঠানত জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী, দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল, হিতাধিকাৰীসকল উপস্থিত থাকে। অনুৰূপ ধৰণে ছিপাঝাৰ সমষ্টিৰ বাবে ছিপাঝাৰ সম জিলাৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। ছিপাঝাৰ সমষ্টিত ২৫৯২ গৰাকী হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ (PMAY-G)ৰ অধীনত গৃহ আৱণ্টনৰ অনুমোদন পত্ৰ লাভ কৰে। তদুপৰি দলগাঁও সমষ্টিৰ বাবে দলগাঁও টাউন ফিল্ডত অনুষ্ঠিত হোৱা গৃহ আৱণ্টনৰ অনুমোদন পত্ৰ বিতৰণ অনুষ্ঠানত বিধায়ক মজিবুৰ ৰহমান আৰু খাৰুপেটীয়া পৌৰসভাৰ পৌৰপতি কৃষ্ণা সাহাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। দলগাঁও সমষ্টিৰ মুঠ ৭৬৭৪ গৰাকী হিতাধিকাৰীয়ে অনুমোদন পত্ৰ লাভ কৰে। আটাইকেইটা সমষ্টিতে বকোত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়।

# ধুবুৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰৰ আনুষ্ঠানিক বিতৰণ

**অসম বাৰ্তা, ধুবুৰী, ১১ ডিচেম্বৰ ঃ** আজি গুৱাহাটীৰ বকোৰ গান্ধী মৈদাম সমন্বয় ক্ষেত্ৰ, কামৰূপত ৰাতিপুৱা ১০: ০০ বজাৰ পৰা মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া ৰ উপস্থিতিত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্যক্ৰম, প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীক আনুষ্ঠানিকভাৱে অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি ধুবুৰী জিলাতো সমষ্টি পৰ্যায়ত ক্ৰমে ৬- গোলকগঞ্জ, ৭-গৌৰীপুৰ, ৮- ধুবুৰী, ৯-বিৰ সিং জৰুৱা, ১০-বিলাসীপাৰাতো প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। সেই মতে গোলকগঞ্জ সমষ্টিৰ আগমণি আৰু গোলকগঞ্জ উন্নয়ন খণ্ডৰ বাবে আগমণি উন্নয়ন খণ্ডত মুখ্য অতিথি হিচাপে উপস্থিত আছিল গোলকগঞ্জৰ প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ ডাঙৰীয়া আৰু তেখেতৰ উপস্থিতিত ৪, ১৬২ লক্ষ্যৰ ভিতৰত ৪০১৭ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয়, গৌৰীপুৰ সমষ্টিৰ আঠাণি, বালাজান আৰু মহামায়া উন্নয়ন খণ্ডৰ কাৰণে গৌৰীপুৰ পৌৰজন গ্ৰন্থাগাৰত মুখ্য অতিথি হিচাপে উপস্থিত মাননিয় বিধায়ক নিজানুৰ ৰহমান ডাঙৰীয়া আৰু ধুবুৰী -গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা ডাঙৰীয়া আৰু তেওঁলোকৰ উপস্থিতিত ৮, ২৭০ লক্ষ্যৰ ভিতৰত ৭, ৭১৪ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয়। ইয়াৰ উপৰিও ধুবুৰী সমষ্টিৰ ধৰ্মশালা উন্নয়ন খণ্ডত মাননিয় বিধায়ক নজৰুল হ'কৰ মুখ্য অতিথি হিচাপে উপস্থিতিত ৫, ২০৭ লক্ষ্যৰ ভিতৰত ৫, ১৩০ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয়। ঠিক তেনেদৰে ধুবুৰী জিলা পুথিভঁৰালত বিৰ সিং জৰুৱা সমষ্টিৰ, বিৰ সিং জৰুৱা উন্নয়ন খণ্ড, নচকাৰা জামাদৰহাট উন্নয়ন খণ্ড আৰু নায়েৰলগা উন্নয়ত খণ্ডৰ কাৰণে অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে মাননিয় বিধায়ক হাফিজ বাছিৰ আহমেদ ডাঙৰীয়া আৰু ৰাজেদ আলি চৌধুৰী ডাঙৰীয়া উপস্থিত আছিল আৰু তেওঁলোকৰ উপস্থিতিত ৫, ২০৭ লক্ষ্যৰ ভিতৰত ৫, ১৩০ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয় আৰু বিলাসীপাৰা সমষ্টিৰ বিলাসীপাৰা আৰু চাপৰ, শালকোচা উন্নয়ন খণ্ডৰ বাবে প্ৰতিমা পাণ্ডে প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত আছিল প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংহী ডাঙৰীয়া, কামতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীবেশ ৰায় ডাঙৰীয়া আৰু প্ৰাক্তন বিধায়ক ভূপেন ৰায় ডাঙৰীয়া আৰু ২, ৪৭৬ লক্ষ্যৰ ভিতৰত ২, ১৫৪ গৰাকী হিতাধিকাৰীক অনুমোদন পত্ৰ বিতৰণ কৰা হয়।

## নৱনিৰ্মিত শ্বহীদ বেদীৰ শুভ উদ্বোধন

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শ্বহীদ দিৱস পালন

**অসম বাৰ্তা, মাকুম, ১১ ডিচেম্বৰ ঃ** আজি শ্বহীদ দিৱস। ঐতিহাসিক অসম আন্দোলনত অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দি শ্বহীদ হোৱা প্ৰথমগৰাকী অসমী আইৰ সন্তান শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ মৃত্যুৰ দিন ১০ ডিচেম্বৰ তাৰিখত প্ৰতি বছৰে শ্বহীদ দিৱস পালন কৰি অহা হৈছে। আজিৰ এই মহান দিনটোত শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে প্ৰতিগৰাকী মহান শ্বহীদৰ স্মৃতিত মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম গোপাল কৃষ্ণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদত শ্বহীদ দিৱসৰ লগতে শ্বহীদ বেদীৰ শুভ উদ্বোধন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰি বিদ্যালয়খনৰ ছাত্ৰী সকলৰ সৈতে সমূহীয়া ভাৱে শ্বহীদ দিৱসৰ সংগীত পৰিৱেশন কৰে। তাৰ পাছতে আজিৰ অনুষ্ঠানৰ মূল কাৰ্যসূচী মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বাৰা নৱ নিৰ্মিত শ্বহীদ বেদী সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াই শুভ উদ্বোধন কৰে। শ্বহীদ বেদীৰ শুভ উদ্বোধন কৰি 'কা' আন্দোলনত জীৱন আহুতি দিয়া ৫ গৰাকী ব্যক্তিকো শ্বহীদ বুলি ঘোষণা কৰি তেখেত সকলৰ পৰিয়ালক এককালীন সাহায্য প্ৰদান কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে অসম চৰকাৰলৈ আহ্বান জনায় জিতেন্দ্ৰ চুতীয়াই। অসম আন্দোলনত আত্ম বলিদান দিয়া ৮৬০ গৰাকী শ্বহীদৰ ত্যাগ অথলে নগৈ অসম চুক্তিৰ দাবী আখৰে আখৰে পালন কৰিবই লাগিব বুলি আজিৰ শ্বহীদ দিৱস অনুষ্ঠান স্থলীৰ পৰা মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাস আৰু সম্পাদক মনোৰম চুতীয়াই দাবী জনায়। আজিৰ অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ একালৰ বিষয়ববীয়া সকল, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কনচেং গগৈ, সহকাৰী সাধাৰণ সম্পাদক প্ৰৱেন ফুকন, উপদেষ্টা ৰণ্টু বৰশইকীয়া, উপ সভাপতি হিৰণ্য ফুকন লগতে জিলা ছাত্ৰ সন্থাৰ অন্যান্য বিষয় ববীয়া সকল, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড০ মালবিকা ভূঞা ফুকন, গোপাল কৃষ্ণ বালিকা বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দীপালি চক্ৰৱৰ্তী, মাকুম সাহিত্য সভাৰ বিষয় ববীয়া, মাকুমৰ শিল্পী সমাজ, প্ৰমুখ্যে কৰি বিদ্যালয়ৰ খনৰ ছাত্ৰী সকল।

## শ্বহীদ সকলৰ স্মৃতিত আয়ুক্ত কাৰ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন আৰু দিহা নাম পৰিৱেশন

# নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত অসম আন্দোলনৰ বীৰ শ্বহীদ সকলৰ পবিত্ৰ স্মৃতিত দুদিনীয়া কাৰ্যসূচীৰে শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ১১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে, ৮৬০ গৰাকী শ্বহীদৰ বলিদানক সোঁৱৰি সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলা প্ৰশাসনে দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে "শ্বহীদ দিৱসটি" উদযাপন কৰে। এই উপলক্ষে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণত বিয়লিভাগত অসমী আইৰ অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পুণ্য স্মৃতিত এখনি দেশপ্ৰেমৰ অৰ্থবহক চিত্ৰ প্ৰদৰ্শনীৰ শুভ উদ্বোধন কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। ইয়াৰ পিছতেই অমৰ শ্বহীদ সকলৰ পুণ্য আত্মাৰ সদগতিৰ অৰ্থে জিলা আয়ুক্তকে প্ৰমুখ্য কৰি উপস্থিত বিশিষ্ট ব্যক্তিসকলে বন্তি প্ৰজ্বলনেৰে তেখেতসকলক স্মৰণ কৰে। বন্তি প্ৰজ্বলন কৰি আয়ুক্ত গৰাকীয়ে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ লগতে বৰ অসম গঢ়াৰ বাবে নিজৰ



সৰ্বোচ্চ ত্যাগ কৰা অসমী আইৰ সুসন্তান বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে স্মৰণ, নমন কৰে। তেখেতে উল্লেখ কৰে যে, বৰ অসম গঢ়াৰ ক্ষেত্ৰত শ্বহীদ সকলৰ অৱদানৰ বিষয়ে আমাৰ যুৱ প্ৰজন্মৰ মাজত সঠিক বিশ্লেষণ, প্ৰচাৰ আৰু প্ৰসাৰ হব লাগে, আৰু এই ক্ষেত্ৰত সকলোকে আগভাগ লবলৈ আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। শ্বহীদ দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি উদযাপন স্থলীত নৱসূৰুজ সাংস্কৃতিক গোষ্ঠী, দক্ষিণপাটৰ শিল্পী সকলে দিহা নাম পৰিবেশন কৰে। নামৰ অমিয়া ধ্বনিত আয়ুক্ত কাৰ্যালয়ৰ সমগ্ৰ চৌহদত আধ্যাত্মিকতাৰ এক মধুৰ পৰিবেশৰ সৃষ্টি কৰে। আজিৰ শ্বহীদ দিৱসৰ সমগ্ৰ কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীকে প্ৰমুখ্য কৰি অতিৰিক্ত আয়ুক্তসকল, সহকাৰী আয়ুক্ত সকল, জিলাখনৰ বিভিন্ন বিভাগ সমূহৰ মুৰব্বী বিষয়াসকলৰ লগতে আয়ুক্ত কাৰ্য্যালয় আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰী আৰু বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকি শ্বহীদ সকলৰ স্মৃতিত আয়ুক্ত কাৰ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰে।

## আনোৱাৰ হুছেইন হাজৰিকা সোঁৱৰণী মঞ্চ উদ্বোধন

# প্ৰেৰণাত আন্তৰ্জাতিক প্ৰতিবন্ধী দিৱস পালন

**অসম বাৰ্ত, যোৰহাট, ১১ ডিচেম্বৰ ঃ** যোৰহাটৰ চিনামৰাত অৱস্থিত প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ প্ৰেৰণাত ৩ ডিচেম্বৰত আন্তৰ্জাতিক প্ৰতিবন্ধী দিৱস পালন কৰে। দিৱসৰ পুৱা পতাকা উত্তোলন কৰে সভাপতি মানবেন্দ্ৰ ৰয়ে। ইয়াৰ পাছতে প্ৰেৰণাৰ জন্মদাতা তথা প্ৰাক্তন ৰঞ্জী ট্ৰফী খেলুৱৈ আনোৱাৰ হুছেইন হাজৰিকাৰ সোঁৱৰণত পৰিৱাৰ চায়েৰা ৰহমানৰ আৰ্থিক অৱদানেৰে নিৰ্মাণ কৰা মঞ্চ উদ্বোধন কৰে বিশিষ্ট অধিবক্তা ভৱ গোস্বামীয়ে। অনুষ্ঠানত প্ৰেৰণাৰ সম্পাদিকা ড° অদিতি বেজবৰুৱাই আনোৱাৰ হুছেইনৰ ব্যক্তিত্ব আৰু সামাজিক অৱদান সম্পৰ্কে আলোকপাত কৰে। দিৱসৰ সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি গাহস্থ্য বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কলাগুৰু ৰূপলেখা শইকীয়া বৰাই প্ৰেৰণাৰ কাৰ্যাৱলীৰ প্ৰশংসা কৰে। সভাত প্ৰেৰণাৰ প্ৰাক্তন সভাপতি জয়ন্ত বেজবৰুৱা, ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য, ৰুমা ভট্টাচাৰ্য, নিৰলা শইকীয়া, চাবিকুৰ ৰহমান, আনমনা বৰা, দীপা বৰা, বন্দীতা মৃণা প্ৰমুখ্যে বিভিন্নজনে অংশ গ্ৰহণ কৰে। প্ৰেৰণাৰ অধ্যক্ষা চায়েৰা ৰহমানে দিৱসৰ তাৎপৰ্য আৰু প্ৰেৰণাৰ কৰ্মসূচীৰ বিষয়ে ব্যাখ্যা কৰে। দিৱসত ছাত্ৰ-ছাত্ৰীসকলে অন্ধবিশ্বাস, প্ৰতিবন্ধকতা, শিক্ষা বিষয়ক নাটক, গীত, জুবিন গাৰ্গৰ গীতত নৃত্য আদি প্ৰদৰ্শন কৰে। অনুষ্ঠানত ইনাৰ হুইল ক্লাব, স্পিৰিচোৱেল হিলিং ক'ৰ ফাউণ্ডেচন, দিলৱাৰা বেগম, গুলেনা খাতুন, জুৰি দেৱী, চাবিকুৰ ৰহমান, ৰুবী জুৰি নাথ, চাবেৰা বেগম, নিৰলা শইকীয়া, নাজৰিন আহমেদ, বিজু শৰ্মাকে ধৰি বিভিন্নজনে প্ৰেৰণালৈ পুঁজি আৰু সামগ্ৰী প্ৰদান কৰে। চন্দ্ৰমা শইকীয়াই আঁত ধৰা আৰু গোলাপ কলিতাই শলাগ জনোৱা সভাত কাৰ্যকৰী সভানেত্ৰী শকুন্তলা দেৱী, অঞ্জন কলিতা, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি বিভিন্নজন উপস্থিত থাকে।

# টাপাট্টাৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান

**অসম বাৰ্তা, অভয়াপুৰী, ১১ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ নৱগঠিত ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত টাপাট্টাৰী উন্নয়ন খণ্ডত আৰু অভয়াপুৰী বিধান সভা সমষ্টিৰ সৃজনগ্ৰাম উন্নয়নখণ্ড চৌহদত আজি অনুষ্ঠিত হোৱা দুখন ৰাজহুৱা সভাত প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ'ৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদানৰ শুভাৰম্ভ কৰা হয়। তদুপলক্ষে আয়োজিত সভাদুখনত হিতাধিকাৰীৰ মাজত আনুষ্ঠানিক ভাৱে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ'ৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদানৰ শুভাৰম্ভ কৰা হয়। সৃজনগ্ৰাম সমষ্টিৰ টাপাট্টাৰীত সমাজ কৰ্মী উজ্জ্বল কান্তি ৰায়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। টাপাট্টাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পিৰাধৰা, নসত্ৰ-বাঘেখাইতী, মেৰেৰচৰ, বৰজানা, মালেগড়, কাবাইটাৰী, যোগীঘোপা, বালাপাৰা, ঔডুবি, পূৱ মাজেৰ আলগা, পশ্চিম মাজেৰ আলগা আৰু ধনতোলা আদি কৰি ১২খন পঞ্চায়তৰ ১৩৩৯জন দৰিদ্ৰ হিতাধিকাৰীৰ মাজত গৃহ অনুমোদন পত্ৰ প্ৰদান হয়। আজিৰ সভাত সমাজকৰ্মী উজ্জ্বল কান্তি ৰায়ৰ উপৰিও বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া অনুপম ডেকা, টাপাট্টাৰী জিলা পৰিষদ সদস্য কেৰামত আলী, টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰাজীৱ আলী, টাপাট্টাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাস আদি উপস্থিত থাকি সাৰুৱা ভাষণ প্ৰদান কৰে। আনহাতে অভয়াপুৰী বিধান সভা সমষ্টিৰ ২৩খন গাঁও পঞ্চায়তৰ ৪৭৫ গৰাকী হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হয় অনুমোদন পত্ৰ। সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ ১০খন ,বইটামাৰী উন্নয়ন খণ্ডৰ ৬খন আৰু মাণিকপুৰ উন্নয়ন খণ্ডৰ ৭ খন গাঁও পঞ্চায়তৰ হিতাধিকাৰীৰ সকলৰ মাজত অনুমোদন পত্ৰ বিতৰণী অনুষ্ঠানত সমাজ কৰ্মী সুকেন ৰায়, হিমানী অধিকাৰী, জিলা পৰিষদৰ বিষয়া ক্ৰমে কিশোৰ কলিতা, প্ৰশান্ত শৰ্মা, সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সঞ্জীত ভৰালী, জিলা পৰিষদৰ সদস্য জ্যোতিৰ্ময় সৰকাৰ, জানকী ৰায়, সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী চেলিমা আখতাৰকে ধৰি আন বহু লোক উপস্থিত থাকে।

# অসমত মাদক দ্ৰব্যৰ অবাধ প্ৰচলনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ জাতীয়তাবাদী যুৱ পৰিষদৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১১ ডিচেম্বৰ ঃ** এখন সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰে যুৱ প্ৰজন্মৰ ওপৰত। এক কথাত ক'বলৈ গ'লে এক সুস্থ-সৱল যুৱ প্ৰজন্মই হে এখন সুস্থ সমাজৰ ভেঁটি নিৰ্মাণ কৰিব পাৰে। কিন্তু দেখিবলৈ পোৱা গৈছে যে বিভিন্ন ধৰণৰ দুস্কৃতিকাৰীৰ গ্ৰাসত পৰি আমাৰ যুৱ প্ৰজন্মৰ এটি বৃহৎ অংশ বিপথে পৰিচালিত হৈছে বা কোঙা হৈ পৰিছে। এই সমূহৰ ভিতৰত ড্ৰাগছ, মদ, ভাং, কানি, গুটখা আদিৰ অবাধ প্ৰচলনে যুৱ প্ৰজন্মৰ বহু প্ৰতিভাক তিল তিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিছে। অসম জাতীয়তাবাদী যুৱ পৰিষদে এই সন্দৰ্ভত আজি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অৱনী চলিহা, কাৰ্যকৰী সভাপতি কমল দাস, কোষাধ্যক্ষ মণি আহমেদ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ধীৰেন ঠাকুৰীয়া আৰু কেইবাগৰাকী সদস্যাই মাৰ্ঘেৰিটা সমজিলা আয়ুক্তক এক স্মাৰক পত্ৰ প্ৰদান কৰে। সমজিলা আয়ুক্তগৰাকীৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা উক্ত স্মাৰক পত্ৰত পৰিষদে প্ৰত্যেক গাঁৱৰ গাঁৱৰক্ষী বাহিনীৰ যোগেদি বৰবিহ স্বৰূপ মাদক দ্ৰব্যসমূহৰ প্ৰচলনৰ সৈতে জড়িত লোকসকলৰ এখন তালিকা প্ৰস্তুত কৰি সংশ্লিষ্ট বিভাগৰ যোগেদি যথোপযুক্ত আইনগত ব্যৱস্থা গ্ৰহণ কৰা, স্থানীয় সমাজসেৱী দল-সংগঠন আৰু গাঁওবুঢ়াৰ লগতে পঞ্চায়তৰ সভাপতি/ সম্পাদকসকলক এইসমূহ মাদক দ্ৰব্যৰ অপকাৰিতাৰ সন্দৰ্ভত অঞ্চলে অঞ্চলে সজাগতাৰ সভা আয়োজন কৰিবলৈ আহ্বান জনোৱা, আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰত্যক্ষ নিৰীক্ষণত আৰক্ষীৰ দ্বাৰা এইসমূহ মাদক দ্ৰব্যৰ প্ৰচলনৰ সৈতে জড়িতসকলৰ নাম সংগ্ৰহ কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰা আৰু সমগ্ৰ অসমৰ পৰা বিষাক্ত মাদক দ্ৰব্যৰ দ্ৰুত প্ৰচলন তৎকালীনভাৱে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। উল্লেখ্য যে, অসম জাতীয়তাবাদী যুৱ পৰিষদে মাদক দ্ৰব্যৰ অপকাৰীতাৰ সন্দৰ্ভত যোৱা ১৮ নৱেম্বৰৰ পৰা মাৰ্ঘেৰিটা সমজিলাৰ বিভিন্ন অঞ্চলত এলানি সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

## নগাঁও-বটদ্ৰৱা সমষ্টিত ৫৪৪ গৰাকী যোগ্য হিতাধিকাৰীক আনুষ্ঠানিকভাৱে গৃহৰ বাবে অনুমোদন পত্ৰ বিতৰণ বিধায়ক ৰূপক শৰ্মাৰ

# নগাঁৱত 'প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ-৩.০'ৰ অধীনত অনুমোদন পত্ৰ বিতৰণ



**অসম বাৰ্তা, নগাঁও, ১১ ডিচেম্বৰ ঃ** আজিৰ অনুষ্ঠানতে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ৫৪৪ গৰাকী যোগ্য হিতাধিকাৰীক আনুষ্ঠানিকভাৱে গৃহৰ বাবে অনুমোদন পত্ৰ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে, ভাৰত চৰকাৰৰ অভিলাষী আঁচনি প্ৰধামন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ ৩.০ৰ অধীনত সমগ্ৰ ৰাজ্যখনৰ ৩, ২৫, ২৩৪ গৰাকী যোগ্য হিতাধিকাৰীক গৃহ নিৰ্মাণৰ অনুমোদন পত্ৰ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, অতিৰিক্ত জিলা আয়ুক্ত, সুদীপ নাথ, জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, খাগৰিজান উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কৃষ্ণ কান্ত শইকীয়া, ভোটাইপাথৰি জিলা পৰিষদৰ সদস্য জোনালী চাংকাকতি আৰু খাগৰিজান আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰানা বৰাৰ লগতে নগাঁও জিলা পৰিষদ আৰু খাগৰিজান উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰী, আমন্ত্ৰিত অতিথিসকল, সমাজকৰ্মী আৰু হিতাধিকাৰী ৰাইজ উপস্থিত থাকে।

# ৰাইচাই ক্ৰীড়াঙ্গনত প্ৰাপ্তিৰ হাঁহি; ডিমৌৰ ২,০৪৪ গৃহহীন পৰিয়াললৈ PMY-Gৰ আৱণ্টন পত্ৰ প্ৰদান

**অসম বাৰ্তা, ডিমৌ, ১১ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ অতি অভিলাষী আঁচনি "প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ"এ অসমৰ গাঁৱে-ভূঞে এক নতুন আশাৰ সঞ্চাৰ কৰিছে। এই আঁচনিৰ অধীনত, আজি বিধায়ক সুশান্ত বৰগোঁহাইয়ে ৯৫ নং ডিমৌ বিধানসভা সমষ্টিৰ মুঠ ২, ০৪৪টা পৰিয়ালক গৃহ অনুমোদন-পত্ৰ প্ৰদান কৰে। ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত এইসকল হিতাধিকাৰীক ২০২৪-২৫ বৰ্ষৰ বাবে আৱণ্টন পত্ৰ বিতৰণ কৰা হয়। ডিমৌৰ ঐতিহাসিক ৰাইচাই গ্ৰাম্য ক্ৰীড়াঙ্গনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিধায়ক গৰাকীয়ে নিজে হিতাধিকাৰীসকলক এই পত্ৰসমূহ অৰ্পণ কৰে। এখন আপোন আৰু নিজা ঘৰ লাভ কৰাৰ নিশ্চিতি পোৱাৰ পিছত ৰাইজৰ মুখত বিৰিঙি উঠা প্ৰাপ্তিৰ হাঁহি দেখি বিধায়ক সুশান্ত বৰগোঁহাই আৰু ৰাইজ অত্যন্ত আপ্লুত হোৱা পৰিলক্ষিত হয়। অনুষ্ঠানত ডিমৌৰ বিধায়ক সুশান্ত বৰগোঁহাই উপস্থিত থাকে। তেওঁ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি হিতাধিকাৰীসকলক অভিনন্দন জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আন্তৰিক শুভকামনা জ্ঞাপন কৰে। বিধায়ক বৰগোঁহায়ে কয় যে "প্ৰধানমন্ত্ৰী আৱাস যোজনা" সঁচাকৈয়ে জনসাধাৰণক 'উন্নত আৱাস, সমৃদ্ধ জীৱন'ৰ সপোন দিছে। এই অনুমোদন-পত্ৰ বিতৰণে অঞ্চলটোৰ দৰিদ্ৰ আৰু গৃহহীন পৰিয়ালসমূহৰ জীৱনলৈ এক নতুন গতি কঢ়িয়াই আনিছে, যাৰ জৰিয়তে ৰাজ্য চৰকাৰে সমাজৰ সৰ্বস্তৰৰ লোকক সামৰি লোৱাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰমাণ কৰিছে।

# ধুবুৰীৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত শ্বহীদ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ধুবুৰী, ১১ ডিচেম্বৰ ঃ** ধুবুৰী, আজি সমগ্ৰ ৰাজ্যৰ লগত ধুবুৰী জিলাৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত "শ্বহীদ দিৱস" উদযাপন কৰা হয়। কাৰ্যক্ৰমণিকাত কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত শ্ৰোতাৰ বাবে ব্যৱস্থা কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে জিলা আয়ুক্ত দিবাকৰ নাথ, ধুবুৰী -গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ শ্ৰী দীপক কুমাৰ সাহা, ধুবুৰী পৌৰসভাৰ পৌৰপতি শ্ৰী দেৱোময় সান্যাল আৰু উপস্থিত বিশিষ্ট ব্যক্তি সকলে অসম আন্দোলনত নিজৰ জীৱন ত্যাগ কৰা ধুবুৰী জিলাৰ ১১ গৰাকী অমৰ, শ্বহীদ ক্ৰমে শ্বহীদ পূৰ্ণ বিশ্বাস, শ্বহীদ গোপাল মেধি, শ্বহীদ সোমেন বৰ্মন, শ্বহীদ তৰণী নাথ, শ্বহীদ বিশ্বাদু নামসুদ্ৰ, শ্বহীদ ঘূকাগু ৰায়, শ্বহীদ হৰেণ দাস, শ্বহীদ যোগেশ নাথ, শ্বহীদ ভবেন্দ্ৰ নাথ, শ্বহীদ কৰিন্দ্ৰ বৰ্মন আৰু শ্বহীদ বিপুল চন্দ্ৰ ৰায় দেৱ সকলৰ প্ৰতিচছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছত পশ্চিম বৰগাঁও, গুৱাহাটীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত শ্ৰোতা সকলে প্ৰত্যেক্ষ কৰে। জিলা আয়ুক্ত দিবাকৰ নাথে নিজৰ ভাষণ প্ৰসংগত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমৰ ছয় বছৰীয়া জনপ্ৰিয় বিদ্ৰোহৰ বিষয়ে উল্লেখ কৰি কয় যে খিলঞ্জীয়া অসমীয়া সংস্কৃতি, ভূমি আৰু সম্পদ সুৰক্ষিত কৰিবলৈ প্ৰাণ আহুতি দিয়া ১৬০ গৰাকী শ্বহীদক আজি ১০ ডিচেম্বৰৰ দিনা শ্ৰদ্ধা জ্ঞাপন কৰা হয়। অসম আন্দোলনত অসমীয়া ভাষা সংস্কৃতি আৰু পৰিচয় সুৰক্ষাৰ কাৰণে তেওঁলোকৰ নিঃ স্বাৰ্থ বলিদানক সন্মান আজি আমি সকলোৱে জনাও। তেখেতে মন্তব্য প্ৰদান কৰে যে ১০ ডিচেম্বৰ তাৰিখে বৰপেটা জিলাৰ ভৱানীপুৰত শ্বহীদ খৰগেশ্বৰ তালুকদাৰৰ অসম আন্দোলনত নিজৰ জীৱন ত্যাগ কৰিছিল আৰু তেখেতক প্ৰাণিপাত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ল। ইয়াৰ পাছত উপস্থিত ছাত্ৰ -ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু শিল্পী সমাজকে আদি কৰি উপস্থিত সকলোৱে সামূহিকভাৱে "শ্বহীদ প্ৰণামো তোমাৰ" গীতটি পৰিৱেশন কৰে। অসম আন্দোলনত নিজৰ প্ৰাণ আহুতি দিয়া সকলো বীৰ শ্বহীদসকলক স্মৰণ কৰি অনুষ্ঠানৰ সমাপ্তি ঘটে। আজিৰ অনুষ্ঠানত উপস্থিত আছিল জিলা আয়ুক্ত দিবাকৰ নাথ, ধুবুৰী -গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱোময় সান্যাল, বিশিষ্ট সমাজকৰ্মী বিশ্বজিৎ কলিতা, ধুবুৰী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি উদয়ন চক্ৰৱৰ্তী, সংশ্লিষ্ট বিভাগৰ বিষয়াববীয়া, ছাত্ৰ -ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকল, শিল্পী সমাজ আৰু সংবাদ মাধ্যম।

# মিছাজান গোহাঁইবাৰী খেলপথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভণি

**অসম বাৰ্তা, গেলেকী, ১১ ডিচেম্বৰ ঃ** বৃহত্তৰ মিছাজান সন্মিলিত যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত প্ৰয়াত ভাগ্যজ্যোতি বড়া সোঁৱৰণি ট্ৰফি ও প্ৰাইজমণি ফুটবল প্ৰতিযোগিতা খনিৰ আজি শুভাৰম্ভণি কৰা হয়। এই উদ্দেশ্যৰে অনুষ্ঠিত অনুষ্ঠানৰ দিনৰ ১২ বজাত বৃক্ষ ৰোপণ কৰে খেল পৰিচালনা সমিতিৰ সভাপতি হৰেণ কলিতাই। দিনৰ ১ বজাত অনুষ্ঠিত কৰা হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ এই অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ লগতে প্ৰয়াত ভাগ্যজ্যোতি বড়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাপন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছতেই মায়াবিনী গীত পৰিৱেশন কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। দিনৰ ২ বজাত প্ৰতিযোগিতাৰ উদ্বোধন কৰা হয়। উদ্ধোধক হিচাপে উপস্থিত আছিল গেলেকী চাহ বাগিচাৰ পৰিচালক প্ৰণৱ বৰুৱা। উদ্বোধনী মেচত অংশগ্ৰহণ কৰে নাজিৰা বাগিচা ফুটবল একাদশ বনাম লোণপূৰীয়া ফুটবল একাদশ দলে। উদ্বোধনী মেচখনত লোণপূৰীয়া ফুটবল একাদশ দলে নাজিৰা ফুটবল একাদশক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। এই মেচখনত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰিবলৈ সক্ষম হয় লোণপূৰীয়া ফুটবল একাদশ দলৰ চানু শইকীয়াই। আজিৰ এই মেচখন উপভোগ কৰিবলৈ স্থানীয় ভালেসংখ্যক লোক সমবেত হয় খেলপথাৰত।

## '২৬ত এনডিএৰ সৈতে

পেলাই স্পষ্টভাৱে ঘোষণা কৰিলে যে, ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত তেওঁৰ দলে এনডিএৰ সৈতে মিত্ৰতা কৰি প্ৰতিদ্বন্দ্বিতা কৰিব। লগতে তেওঁ ঘোষণা কৰিলে যে বিপিএফে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীকো পূৰ্ণ সমৰ্থন জনাইছে। গুৱাহাটীত আয়োজিত এক সংবাদমেলত হাগ্ৰামা মহিলাৰীয়ে কয়, "আমি এনডিএৰ লগত আছিলোঁ, আছো আৰু ২০২৬তো এনডিএৰ সৈতে মিত্ৰতাৰে নিৰ্বাচন খেলিম। ১৫খন আসনৰ কথা নহয়, আমি ১২৬খন আসনত এনডিএ হিচাপে নিৰন খেলিম আৰু এনডিএই ১০০ৰো অধিক আসন লাভ কৰিব।" তেওঁৰ এই বক্তব্যই স্পষ্ট কৰি দিলে যে বিপিএফ এতিয়াও এনডিএৰ অবিচ্ছেদ্য অংশ হৈয়ে আছে আৰু বিজেপিৰ সৈতে তেওঁলোকৰ মিত্ৰতা অটুট। ইউপিপিএলৰ এনডিএত থকা-নোথকাৰ প্ৰশ্ন এতিয়াও অনিশ্চিত হৈ থকাৰ মাজতে হাগ্ৰামাৰ এই ঘোষণাই বড়োলেণ্ডৰ ৰাজনৈতিক সমীকৰণত নতুন স্বৰ সৃষ্টি কৰিলে। একেখন সংবাদমেলতে হাগ্ৰামাই পুৰণি মিত্ৰ কংগ্ৰেছ দলকো কটাক্ষ কৰিবলৈ পাহৰা নাই। তেওঁ কয়, "কংগ্ৰেছৰ লগত আমি বহু বছৰ চৰকাৰ চলাইছিলোঁ, মিত্ৰতা কৰিছিলোঁ। সেয়ে আমি ভালদৰে জানো — কংগ্ৰেছৰ দুৰ্বলতা ক'ত ক'ত আছে।" বড়োলেণ্ডত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰশ্নই যিদৰে উত্তেজনাৰ সৃষ্টি কৰিছিল, তাৰ মাজতে হাগ্ৰামা মহিলাৰীৰ আজিৰ ঘোষণাই নতুন মোৰ ঘূৰাই দিলে। তেওঁ স্পষ্ট কৰি কয়, "ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত বিপিএফৰ কোনো আপত্তি নাই। আমি এই দাবীক সমৰ্থন কৰোঁ। কিন্তু চৰ্ত এটাই — বৰ্তমানৰ অনুসূচিত জনজাতিসমূহৰ (বিশেষকৈ বড়োসকলৰ) অধিকাৰ, সংৰক্ষণ আৰু সাংবিধানিক সুৰক্ষাৰ ওপৰত একো প্ৰভাৱ পৰিব নালাগে। এই বিষয়ত বিভিন্ন পৰ্যায়ত আলোচনা চলি আছে আৰু আমি আশাবাদী যে সমাধান ওলাব।" উল্লেখ্য যে, অসম চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ পিছত বড়োলেণ্ডত তীব্ৰ প্ৰতিবাদ হৈছিল। এবাৰ বিটিচি সচিবালয়তো হিংসাত্মক প্ৰতিবাদ সংঘটিত হৈছিল। সেই পৰিপ্ৰেক্ষিততে হাগ্ৰামাৰ এই সেউজ সংকেতে বড়োলেণ্ডৰ ৰাজনৈতিক বাতাৱৰণত শান্তিৰ বতৰা কঢ়িয়াই আনিব পাৰে বুলি আশা কৰা হৈছে। হাগ্ৰামা মহিলাৰীৰ এই দ্বিমুখী ঘোষণাই (এনডিএৰ সৈতে মিত্ৰতা আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণত সমৰ্থন) অসমৰ ২০২৬ৰ নিৰ্বাচনী ৰাজনীতিৰ দিশত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ ইংগিত দিছে।

## আজি দাখিল হ'ব জুবিন

ডিচেম্বৰত বিশেষ তদন্তকাৰী দলে (SIT) আদালতত দাখিল কৰিব। এই প্ৰেক্ষাপটত বৃহস্পতিবাৰে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয়, "চাৰ্জশ্বীট SIT-এ দাখিল কৰিব। আদালতে পৰীক্ষা-নিৰীক্ষা কৰি দোষীক শাস্তি প্ৰদান কৰিব। ন্যায় প্ৰক্ৰিয়াৰ ওপৰত আমাৰ পূৰ্ণ আস্থা আছে আৰু সকলোৱে সেই আস্থা ৰাখিব লাগিব। কাইলৈৰ পৰা পুলিচৰ কাম সমাপ্ত হ'ব, আৰম্ভ হ'ব আদালতৰ কাৰ্যকলাপ। মই দৃঢ়তাৰে বিশ্বাস কৰোঁ যে আদালতে নিশ্চিতভাৱে ন্যায় প্ৰদান কৰিব।" দুদিনীয়া ওপৰ অসম ভ্ৰমণসূচীৰে ডিব্ৰুগড়ত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে বৃহস্পতিবাৰে "সোণালী ভৱিষ্যত অভিমুখী যাত্ৰাত নতুন প্ৰেৰণা" শীৰ্ষক মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ৰাজ্যত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মুঠ ৩,১০,০৩১ গৰাকী শিক্ষাৰ্থীয়ে চাইকেল লাভ কৰিব। কেৱল ডিব্ৰুগড় জিলাতে ১৬১খন চৰকাৰী বিদ্যালয়ৰ ৪, ১২৫ গৰাকী ছাত্ৰ আৰু ৪, ৯৫১ গৰাকী ছাত্ৰীসহ মুঠ ৯, ০৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰিব। শুভাৰম্ভণী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগু, মন্ত্ৰী বিমল বড়া, প্ৰশান্ত ফুকন, যোগেন মহন, ডিব্ৰুগড় জিলাৰ সকলো বিধায়ক তথা শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ। মুখ্যমন্ত্ৰীয়ে নিজ হাতে ৬ গৰাকী শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰি কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, "আজিৰ পৰা ৰাজ্যত প্ৰায় সাড়ে তিনি লাখ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া চাইকেল লাভ কৰিব। ডিব্ৰুগড়ত শুভাৰম্ভ কৰাৰ পাছতেই বিষয়াসকলে বিদ্যালয়ে বিদ্যালয়ে গৈ চাইকেল বিতৰণ কৰিব। এনে আঁচনিৰ ফলত বিদ্যালয়ৰ ড্ৰপ-আউটৰ হাৰ যথেষ্ট হ্ৰাস পাইছে আৰু শিক্ষাৰ মানদণ্ড উন্নত হৈছে।" সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন সন্দৰ্ভত প্ৰশ্নৰ উত্তৰত তেওঁ কয়, "নিৰ্বাচনৰ সকলো প্ৰস্তুতি চলি আছে। ভোটাৰ তালিকাৰ কামৰ পৰা আন সকলো কাম নিৰ্বাচন আয়োগে কৰি আছে। যিমান সোনকালে সম্ভৱ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে আমি চেষ্টা অব্যাহত ৰাখিছোঁ।" উচ্ছেদ অভিযানৰ পাছত সন্দেহযুক্ত বিদেশী নাগৰিকে ওপৰ অসমত ঢাপলি মেলাৰ অভিযোগৰ প্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে কঠোৰ ভাষাৰে কয়, "সন্দেহযুক্ত লোক য'তেই বহিব, তাতেই আমি উচ্ছেদ কৰিম। কিন্তু ৰাইজে সহযোগ নকৰিলে আমি অকলে এই কাম কৰিব নোৱাৰোঁ। কোনেও ভাৰাঘৰ নিদিব, উদ্যোগপতি-ঠিকাদাৰে কাম নিদিব, খেতিয়কে নিজৰ মাটিত অচিনাকি মানুহক খেতি কৰিবলৈ নিদিব। অসমক সুৰক্ষিত কৰিবলৈ এটা জাতীয় প্ৰতিৰোধ গঢ়ি উঠিব লাগিব।" লগতে তেওঁ ঘোষণা কৰে যে, শুকুৰবাৰৰ পৰা বড়োলেণ্ড অঞ্চলত (BTR) অৰুণোদয় আঁচনিৰ সুবিধা আৰম্ভ হ'ব আৰু প্ৰায় ৪ লাখ হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব। "মই নিজেই BTR-ত গৈ অৰুণোদয় আঁচনিৰ শুভাৰম্ভ কৰিম" বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

## অৰুণাচলত অসমৰ শ্ৰমিকৰ

পোষ্ট কৰা বাৰ্তাত শ্ৰীমোদীয়ে লিখিছে, "অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত মৰ্মান্তিক দুৰ্ঘটনাটোৱে মোক অত্যন্ত ব্যথিত কৰিছে। যিসকলে নিজৰ আপোনজনক হেৰুৱাইছে, তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক সমবেদনা। আহতসকল শীঘ্ৰেই সুস্থ হৈ উঠক। PMNRFৰ পৰা প্ৰতিগৰাকী মৃতকৰ পৰিয়ালক ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।" প্ৰাপ্ত তথ্য অনুসৰি, বিগত ৭ ডিচেম্বৰৰ নিশা তিনিচুকীয়াৰ খেলা পুখুৰী চাহ বাগানৰ পৰা মুঠ ২২ গৰাকী শ্ৰমিকক এখন পিক-আপ ভ্যানত (ট্ৰাক) কৰি আনজাও জিলাৰ চাগলাগামৰ ওচৰত নিৰ্মীয়মাণ ৰাস্তাৰ কামত কাম কৰিবলৈ লৈ যোৱা হৈছিল। দুৰ্গম পাহাৰীয়া পথত বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই প্ৰায় ৪০০ ফুট তলৰ খাৱৈত খহি পৰে। দুৰ্ঘটনাটো ইমান নিৰ্জন ঠাইত হোৱা বাবে তিনি দিনৰ পাছতহে ঘটনাটোৰ কথা পোহৰলৈ আহে। ১০ ডিচেম্বৰত চাগলাগামত কাম কৰিবলগীয়া শ্ৰমিককেইজন নোপোৱাত সহকৰ্মী শ্ৰমিকসকলে প্ৰশাসনক জনোৱাৰ লগে লগে সন্ধান অভিযান আৰম্ভ হয়। সেইদিনাই দুৰ্ঘটনাত আঘাত নোপোৱাকৈ বাচি থকা এজন শ্ৰমিকে কোনোমতে BROৰ শিবিৰত উপস্থিত হৈ পৰে আৰু তেওঁৰ পৰাহে প্ৰকৃত ঘটনা জানিব পৰা যায়। আনজাও জিলা আৰক্ষীৰ মতে, BRO, ভাৰতীয় সেনাবাহিনী আৰু NDRFৰ দল একেলগে উদ্ধাৰ অভিযান চলাইছে। এতিয়ালৈকে ১৭ গৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হৈছে আৰু বাকীসকলৰো মৃতদেহ উদ্ধাৰৰ সম্ভাৱনা অতি কম বুলি জানিব পৰা গৈছে। বাচি থকা এজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হৈ আছে।

## মৰিগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা

জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে মহিলাগৰাকীয়ে স্বামীৰ সৈতে এ এছ ২১ ই ২৪৭১ নম্বৰৰ মটৰচাইকল এখনেৰে লাহৰীঘাটৰ পৰা মৰিগাঁও হৈ জালুগুটি অভিমুখে আহি আছিল। তেনেতে মৰিগাঁও চহৰৰ লঠাবড়িস্থিত ইভ টাষ্ট নামৰ গেছএজেঞ্চীটোৰ সন্মুখতে এজেঞ্চীটোৰ প্ৰাংগনৰ পৰা ওলাই অহা এ এছ ০১ আৰ চি ৪৬৩৩ নম্বৰৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ ভৰ্তি এখন ট্ৰাকে বাইক আৰোহী দম্পতীক প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত মহিলাগৰাকী ট্ৰাকখনৰ চকাৰ তলত সোমাই থিতাতে মৃত্যু ঘটে। আনহাতে দুৰ্ঘটনাটোত মৃত গৰাকীৰ স্বামী হজৰত আলী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাৰ ক্ষন্তেক পিছতে মৰিগাঁও আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃত মহিলাগৰাকীক ট্ৰাকৰ তলৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে আঘাতপ্ৰাপ্ত লোকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## ৰূপহীহাটত সংখ্যালঘু ৰাজনীতি!

নুৰুল হুদা আৰু থিং সমষ্টিৰ এআইইউডিএফ বিধায়ক আমিনুল ইছলাম। দুয়োজনেই ২০২৬ৰ নিৰ্বাচনত এই আসনৰ পৰাহে প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰিকল্পনা কৰি ইতিমধ্যে তীব্ৰ প্ৰচাৰ আৰম্ভ কৰিছে। প্ৰায় সাত মাহ এনএছএ গোচৰত কাৰাবন্দী হৈ মুক্তি পোৱাৰ পাছতেই আমিনুল ইছলামে ৰূপহীহাটত ব্যাপক কাৰ্যকলাপ আৰম্ভ কৰিছে। তেওঁৰ গৃহ অঞ্চল আলিটাঙনি এতিয়া ৰূপহীহাট সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাত তেওঁ গাঁৱে-ভূঞে সভা-সমিতি কৰি ভোটাৰৰ কাষ চাপিছে। ইয়াৰ প্ৰত্যুত্তৰত নুৰুল হুদাইও একে গাঁৱতেই সমান্তৰাল সভা কৰি আমিনুলক "সন্ত্ৰাসবাদৰ সমৰ্থক" আৰু "জেলৰ ভাত খোৱা লোক" বুলি কটাক্ষ কৰিবলৈ ধৰিছে। আনপিনে আমিনুল ইছলামেও পিছপৰি থকা নাই। তেওঁ নুৰুল হুদাক "বিজেপিৰ এজেণ্ট" বুলি আখ্যা দি পূৰ্বৰ চাউল চুৰিৰ গোচৰৰ প্ৰসংগ উত্থাপন কৰি প্ৰতি-আক্ৰমণ চলাইছে। দুয়োজনৰ এই পাৰস্পৰিক অভিযোগ-প্ৰত্যভিযোগৰ ফলত সমষ্টিটোৰ ৰাজনৈতিক পৰিৱেশ অত্যন্ত উত্তপ্ত হৈ পৰিছে। উচ্ছেদৰ ঘটনাতো দুয়োজনে একে মঞ্চতে প্ৰতিযোগিতা আৰম্ভ কৰিছে। লুটুমাৰীত উচ্ছেদৰ পাছত আমিনুল ইছলাম প্ৰথমে উপস্থিত হৈ উচ্ছেদিত পৰিয়ালৰ কাষত থিয় দিয়াৰ পাছতেই নুৰুল হুদাও তাত উপস্থিত হয়। একেদৰে চামগুৰিৰ ৰূপহীহাটত হোৱা উচ্ছেদৰ পাছতো আমিনুলৰ পাছতে নুৰুলে সামাজিক মাধ্যমত মন্তব্য কৰি নিজকে সংখ্যালঘুৰ ত্ৰাণকৰ্তা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। ভোটাৰৰ মাজত জনপ্ৰিয়তা বৃদ্ধিৰ বাবে দুয়োজনে মিঞা ভাষাতে ভাষণ দি ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা চলাই আছে। আমিনুল ইছলামে ইতিমধ্যে স্পষ্ট কৰিছে যে তেওঁ ৰূপহীহাটৰ পৰাই প্ৰাৰ্থী হ'ব। এইপ্ৰসংগত আমিনুল ইছলামে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, "নুৰুল হুদাৰ এতিয়া মোৰ ছাঁও বাঘ লাগিছে। মই য'লৈ যাওঁ, তেওঁ তাৰ পাছতেই সেই ঠাইত দেখা দিয়ে। মোৰ লগত তেওঁৰ নিজৰ ঘনিষ্ঠ লোকেও যোগাযোগ কৰি আছে। খবৰ পায়েই তেওঁ এতিয়া কংগ্ৰেছৰ নামত নতুন লোকক দলত ভৰ্তি কৰাই ৰাইজক বিভ্ৰান্ত কৰিব খোজে। কিন্তু ৰাইজে সকলো বুজি পাইছে। মোৰ জনপ্ৰিয়তাত এতিয়া নুৰুল হুদা শংকিত হৈ পৰিছে।" ৰাজনৈতিক বিশ্লেষকসকলে মতপ্ৰকাশ কৰিছে যে, এইদুজন নেতাৰ মাজৰ তীব্ৰপ্ৰতিদ্বন্দ্বিতাই ২০২৬ত ৰূপহীহাটত ত্ৰিমুখী যুঁজৰ পৰিস্থিতি সৃষ্টি কৰিব পাৰে। সংখ্যালঘু ভোট বিভাজিত হ'লে শাসকীয় বিজেপিৰ বাবে ই লাভজনক হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে।

## বিৰোধীৰ মিত্ৰতাত সন্দেহৰ অৱকাশ নাই

অখিল গগৈয়ে। বুধবাৰে নিজা বাসগৃহত আয়োজিত এখন সংবাদমেলত তেওঁ স্পষ্ট কৰি দিয়ে যে কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, চিপিআই, চিপিআই(এম), চিপিআই(এমএল) লিবাৰেচনকে ধৰি সকলো বিৰোধী দলে ইতিমধ্যে একেলগে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছে আৰু এই মিত্ৰতাত কোনো সন্দেহৰ অৱকাশ নাই। অখিল গগৈয়ে কয় যে এতিয়া কেৱল আসন ভাগ-বাটোৱাৰাৰ কথাহে বাকী আছে। যিমান সোনকালে এই প্ৰক্ৰিয়া সম্পূৰ্ণ হয়, সিমানেই বিৰোধী শিবিৰৰ বাবে সুবিধাজনক হ'ব। কাৰণ এতিয়া বিভিন্ন সমষ্টিত একাধিক বিৰোধী দলৰে কৰ্মী লাগি থাকিবলগীয়া হৈছে। আসন নিশ্চিত হ'লে প্ৰতিটো দলে নিজৰ শক্তি একাষৰীয়াকৈ ব্যৱহাৰ কৰি বিজেপিৰ বিৰুদ্ধে অধিক শক্তিশালী যুঁজ দিব পাৰিব বুলি তেওঁ মন্তব্য কৰে। জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াৰ একেধৰণৰ বক্তব্যক সমৰ্থন জনাই অখিল গগৈয়ে এই কথা পুনৰবাৰ স্পষ্ট কৰে। সংবাদমেলত মন্ত্ৰী বিমল বৰাৰ শেহতীয়া সমালোচনাৰো তীক্ষ্ণ প্ৰত্যুত্তৰ দিয়ে অখিল গগৈয়ে। বিমল বৰাই তেওঁক 'ভণ্ড জাতীয়তাবাদী' বুলি কোৱাৰ অধিকাৰ নাই বুলি মন্তব্য কৰি গগৈয়ে কয় যে দুয়ো একেলগে পঢ়া-শুনা কৰিছিল আৰু বিমল বৰাৰ বৌদ্ধিক স্তৰৰ বিষয়ে তেওঁ ভালদৰেই জানে। "গ্ৰন্থমেলালৈ যোৱা মানুহেই নহয়, বাণিজ্য মেলালৈ যোৱা মানুহ বিমল বৰা, "বুলি কটাক্ষ কৰে তেওঁ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁক 'হিৰো' বুলি কোৱাৰ কথাৰো প্ৰত্যুত্তৰ দি অখিল গগৈয়ে কয়, "মুখ্যমন্ত্ৰীয়ে মোক উপলুঙা কৰিছে। এইবাৰৰ অধিৱেশনত মই তেওঁক জাৰি পেলাইছিলোঁ, সেই চোকটো এতিয়াও তেওঁৰ গাত লাগিয়েই আছে।" জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তত আৰক্ষীয়ে দাখিল কৰিবলগীয়া চাৰ্জশ্বিটক লৈয়ো তীব্ৰ সন্দেহ প্ৰকাশ কৰে তেওঁ। মুখ্যমন্ত্ৰীয়ে জুবিনৰ ন্যায়ৰ কথা ক'লৈই জাপ মাৰি উঠে বুলি মন্তব্য কৰি গগৈয়ে কয়, শ্যামকানু মহন্ত আদিক গ্ৰেপ্তাৰ কৰিয়েই যেন ন্যায় সম্পূৰ্ণ হৈ গ'ল। এনে পৰিস্থিতিত চাৰ্জশ্বিটত কি থাকিব, সেয়া সকলোৱে অনুমান কৰিব পাৰে। সমষ্টি পুনৰ্নিৰ্ধাৰণৰ পাছতো শিৱসাগৰ সমষ্টিৰ পৰাই পুনৰবাৰ প্ৰাৰ্থী হ'ব বুলিও স্পষ্ট কৰে অখিল গগৈয়ে। ৰাজনৈতিক মহলত এতিয়া চৰ্চা চলিছে যে, অখিল গগৈৰ এই আত্মবিশ্বাসী ঘোষণাই বিৰোধী মহাজোঁটক নতুন গতি দিব পাৰে নেকি, নে আসন ভাগ-বাটোৱাৰাত জটিলতাই বাধাৰ সৃষ্টি কৰিব।

## ২০২৬ৰ বিধানসভা যুদ্ধৰ বাবে উজনিত 'টঙালি

ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয় অগপৰ 'উজনি অসম সতীৰ্থ সন্মিলন'। এই সন্মিলনত গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়া, মাজুলী, লখিমপুৰ আৰু ধেমাজি—এই ন জিলাৰ জিলা সভাপতি, সম্পাদককে ধৰি প্ৰায় ৩৩খন বিধানসভা সমষ্টিৰ নেতৃত্বই অংশগ্ৰহণ কৰে। বৰ্তমান এই নটা জিলাত অগপৰ মাত্ৰ ৫ গৰাকী বিধায়ক আছে। কিন্তু ২০২৬ত এই সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে দলৰ কেন্দ্ৰীয় নেতৃত্বই। সন্মিলনত উপস্থিত থাকে দলৰ সভাপতি তথা কেবিনেট মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা বিধায়ক পোনাকণ বৰুৱা, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰীকে ধৰি দলৰ শীৰ্ষ নেতৃত্ব। সভাত মূল আলোচনা হয়—দলৰ পৰম্পৰাগত শক্তিশালী সমষ্টিসমূহত প্ৰাৰ্থী দিয়াৰ ক্ষেত্ৰত আগতকৈ অধিক আসনৰ দাবী উত্থাপন কৰা, তৃণমূল পৰ্যায়ত সাংগঠনিক কাম দ্ৰুততাৰে আগবঢ়োৱা, বিজেপিৰ সৈতে 'সন্মানজনক আসন ভাগ-বাটোৱাৰা'ৰে মিত্ৰতা অটুট ৰখা। দলৰ সভাপতি অতুল বৰাই সন্মিলনত কয়, "আজিৰ সতীৰ্থ সন্মিলন আমাৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। নিৰ্বাচন সমুখতে আহি আছে। তৃণমূলত দলৰ কাম-কাজৰ গতি কেনেকুৱা, ক'ত কি দুৰ্বলতা আছে— সেইবোৰ আজি বিশদভাৱে আলোচনা কৰা হৈছে। যিবোৰ সমষ্টিত আমাৰ শিপা আছে, য'ত প্ৰাৰ্থী দিলে জয়লাভৰ সম্ভাৱনা আছে, তাতেই আমি প্ৰাৰ্থী দিম। বিজেপিৰ সৈতে এতিয়ালৈকে আসন ভাগ-বাটোৱাৰাৰ কোনো আলোচনা হোৱা নাই। কিন্তু মিত্ৰতাৰ ধৰ্ম পালন কৰি, সন্মানজনকভাৱে আলোচনা কৰি নিৰ্বাচনত অৱতীৰ্ণ হ'ম।" অগপৰ এইগৰাকী শীৰ্ষ নেতাই লগতে কয়, "উজনি অসম আমাৰ মূল শক্তিকেন্দ্ৰ। ইয়াত আমি সাংগঠনিকভাৱে আৰু শক্তিশালী হ'ব লাগিব। ২০২৬ত আমি কেৱল মিত্ৰ নহয়, শক্তিশালী মিত্ৰ হিচাপে বিধানসভালৈ যাবলৈ সাজু হৈছোঁ।" সন্মিলনৰ জৰিয়তে অগপই স্পষ্ট বাৰ্তা দিছে যে, বিজেপিৰ সৈতে মিত্ৰতা থাকিলেও নিজৰ পৰিচয় আৰু অস্তিত্ব ৰক্ষা কৰি আৰু অধিক আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে দল সম্পূৰ্ণৰূপে সাজু। ২০২৬ৰ ৰাজনৈতিক যুঁজত উজনি অসমত অগপৰ এই আগ্ৰাসী ৰূপে শাসকীয় মিত্ৰজোঁটৰ ভিতৰতে নতুন সমীকৰণৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে।

## গৌতম ধানোৱাৰৰ ভাৰতীয় জনতা পাৰ্টি ত্যাগ

ধানোৱাৰৰ কনিষ্ঠ পুত্ৰ সক্ৰিয় চাহ জনগোষ্ঠীয় নেতা গৌতম ধানোৱাৰে আজি বিজেপিৰ পৰা পদত্যাগ কৰিছে। গৌতমে আজি বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়ালৈ নিজৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, ২০১৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ টিকটত ডিগবৈ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই শোচনীয়ভাৱে পৰাস্ত হৈছিল ধানোৱাৰ পুত্ৰ। অৱশ্যে ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ আসনত বহাৰ পাছতেই গৌতমে বিজেপিত যোগদান কৰিছিল। অসম চাহ মজদুৰ সংঘৰ মাৰ্ঘেৰিটা শাখাৰ সভাপতিৰ দায়িত্বত থকা গৌতমে আজি হঠাতে দল ত্যাগ কৰাৰ বিষয়টোৱে এক বিশেষ ইংগিত বহন কৰা বুলিব পাৰি। জানিব পৰা মতে, গৌতম ধানোৱাৰে পুনৰ কংগ্ৰেছত যোগদান কৰি মাকুম নতুবা ডিগবৈ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। অৱশ্যে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ কথা চিন্তা কৰা নাই বুলিও তেওঁ সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰে শেহতীয়াকৈ চাহ শ্ৰমিকক ভূমি পট্টা দিয়াৰ সিদ্ধান্ত ভাল আছিল যদিও মূৰকত গৈ ই এক ভেঁকোভাওনাত হে পৰিণত হ'ব বুলি অতি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে সদ্যত্যাগী গৌতম ধানোৱাৰে। কিয়নো চৰকাৰে ভূমি পট্টা দিয়াৰ সন্দৰ্ভত বাগিচাৰ মালিক পক্ষৰ স'তে কোনো আলোচনা নকৰাকৈয়ে উক্ত সিদ্ধান্ত ল'লে। বৰ্তমান মালিক পক্ষই ভূমি পট্টা দিয়াৰ বিনিময়ত বাগিচাসমূহক ক্ষতিপূৰণ দিবলৈ চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছে। চৰকাৰে উচিত সিদ্ধান্ত গ্ৰহণ নকৰিলে ন্যায়ালয়ৰ কাষ চাপিব বুলিও বাগিচাৰ মালিক পক্ষই স্পষ্ট কৰি দিছে বুলি উল্লেখ কৰি চাহ শ্ৰমিকক ভূমি পট্টা প্ৰদান কৰাৰ বিষয়টোত মহামান্য ন্যায়ালয়ত ওলমি থকাৰ আশংকা প্ৰকাশ কৰিছে গৌতম ধানোৱাৰে। উল্লেখ্য যে, জ্যেষ্ঠ ভাতৃ মনোজ ধানোৱাৰে আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতিৰ পদ ত্যাগ কৰি শাসকীয় বিজেপি দলত যোগ দিয়াৰ পাছতেই কনিষ্ঠ ভাতৃ গৌতমে বিজেপি ত্যাগ তথা ঘৰ ৱাপচিৰ বিষয়টোৱে ৰাজ্যৰ ৰাজনীতিত এক বিশেষ তাৎপৰ্য বহন কৰা বুলিব পাৰি। এক বিশেষ সূত্ৰৰ যোগে জানিব পৰা মতে, কাইলৈকে পুৰণি দল কংগ্ৰেছত যোগদান কৰিব গৌতম ধানোৱাৰে।

## চাৰ্জশ্বীটত সাগৰ, জুইকে মূল কেন্দ্ৰবিন্দু কৰি জুবিনক

স্পষ্টকৈ কোৱা হৈছে যে জুবিন গাৰ্গৰ মৃত্যু হত্যাকাণ্ড নহয়। তেনেস্থলত 'কি উদ্দেশ্যৰে হত্যা কৰা হৈছিল' সেই কথাকে কেৱল গুৰুত্ব দি এখন অৰ্ধসমাপ্ত চাৰ্জশ্বীট দাখিল কৰা হৈছে।" বিধায়কগৰাকীয়ে অভিযোগ কৰে, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুক ৰাজনৈতিক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে। এই চাৰ্জশ্বীটত সাগৰ আৰু জুইকে মূল কেন্দ্ৰবিন্দু কৰি জুবিনক অপযশ দিয়াৰ চেষ্টা চলিছে। তেওঁৰ পাৰিবাৰিক কথাও টানি অনা হ'ব। কেইবাটাও অৰ্থনৈতিক কেলেংকাৰীৰ কথাও উল্লেখ কৰি জুবিনৰ স্মৃতি কলংকিত কৰাৰ ষড়যন্ত্ৰ চলিছে। এয়া কোনো ন্যায় নহয়, এয়া কেৱল ক্ষমতাৰ অপব্যৱহাৰ।" মুখ্যমন্ত্ৰীৰ "আগন্তুক নিৰ্বাচন গাদী দখলৰ যুঁজ নহয়, অচিনাকি লোকৰ বিৰুদ্ধে যুঁজ হ'ব" বুলি কৰা মন্তব্যকো অখিল গগৈয়ে কটাক্ষ কৰি কয়, "এয়া কোনো জাতি ৰক্ষাৰ যুঁজ নহয়, এয়া কেৱল হিমন্ত বিশ্ব শৰ্মাৰ নিজৰ অস্তিত্ব ৰক্ষাৰ যুঁজ। অসমত এইবাৰ বিজেপি চৰকাৰৰ তলত থকা বালিখিনি সান্দহ খাই গুচি যাব। এই ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত মন্তব্যৰ দ্বাৰা জনতাক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰা হৈছে।" কাজিৰঙাত সাংবাদিকৰ আগত এই মন্তব্য কৰি অখিল গগৈয়ে পুনৰ এবাৰ ৰাজ্য চৰকাৰৰ নীতি আৰু কাৰ্যপ্ৰণালীৰ তীব্ৰ সমালোচনা কৰে। ৰাজনৈতিক মহলে মন্তব্য কৰিছে যে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগেয়ে অখিল গগৈৰ এই আক্ৰমণাত্মক ভূমিকাই ৰাজনৈতিক পৰিৱেশক অধিক উত্তপ্ত কৰি তুলিব।

## ডিব্ৰুগড়ত নৱম শ্ৰেণীত

অনুষ্ঠিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়নৰত ৩, ১০, ০৩১ গৰাকী শিক্ষাৰ্থীলৈ বিনামূলীয়া চাইকেল বিতৰণৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। ইয়াৰে ১, ৩৪, ৪৩২ গৰাকী ছাত্ৰ আৰু ১, ৭৫, ৬০৮ গৰাকী ছাত্ৰী। উল্লেখ্য যে, এই আঁচনিখনে চাহ বাগিচা মডেল স্কুল আৰু আদৰ্শ বিদ্যালয়সমূহকো সামৰি লৈছে। ৰাজ্যৰ গ্ৰামাঞ্চল তথা ভিতৰুৱা অঞ্চলৰ বিদ্যালয়লৈ শিক্ষাৰ্থীৰ ক্ষিপ্ৰ আৰু সুচল আহ-যাহ সুনিশ্চিত কৰা, বিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা, ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি বৃদ্ধি কৰা আৰু শিক্ষাৰ্থীৰ বিদ্যালয় ত্যাগৰ হাৰ হ্ৰাস কৰাই হৈছে এই আঁচনিখনৰ মূল উদ্দেশ্য। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মন্তব্য কৰে যে ব্যক্তিবিশেষে জীৱনৰ সপোনবোৰ বেলেগ বেলেগ হয় যদিও এই সপোনবোৰ পূৰণ কৰিবলৈ হ'লে এটা পৰ্যায়লৈকে প্ৰতিগৰাকী ব্যক্তিয়েই শিক্ষাগ্ৰহণ কৰিব লাগে। কিন্তু অসমত শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ৬ শতাংশই নামভৰ্তিৰ ৪-৫ বছৰৰ পিছতে শিক্ষানুষ্ঠান ত্যাগ কৰে। পৰৱৰ্তী সময়ত অষ্টম শ্ৰেণী পৰ্যায়ত পুনৰ ৮ শতাংশ শিক্ষাৰ্থীয়ে বিদ্যাগ্ৰহণ কৰা বন্ধ কৰে। যাৰ ফলত প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪ শতাংশ হয়গৈ। তেনেদৰে উচ্চতৰ মাধ্যমিক শ্ৰেণী পৰ্যন্ত আধাতে শিক্ষা গ্ৰহণ ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪০ শতাংশ পৰ্যন্ত হৈ পৰে বুলি উল্লেখ কৰি তেওঁ কয় যে এখন সমাজৰ ৪০ শতাংশই যদি শিক্ষা গ্ৰহণ সম্পূৰ্ণ নকৰে তেনেহ'লে সেইসকলে নিজৰ সপোনবোৰ পূৰণ কৰাটো সম্ভৱ হৈ নুঠেগৈ। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো শিশুৰ মাজত একোটা প্ৰতিভা লুকাই থাকে। কিন্তু উপযুক্ত পৰিৱেশৰ মাজতহে প্ৰতিভাৰ বিকাশ হয় আৰু শিক্ষানুষ্ঠানসমূহে প্ৰতিভা বিকাশৰ এই পৰিৱেশ প্ৰদান কৰে। তেওঁ মন্তব্য কৰে যে যিসকলে পৰিয়ালৰ আৰ্থিক দুৰ্বলতাৰ বাবে হাইস্কুল পৰ্যায়তে পঢ়া-শুনা ত্যাগ কৰে তেওঁলোকৰ প্ৰতিভা বিকাশ নোহোৱাকৈয়ে ৰৈ যায়। যাৰ বাবে সমাজৰ ক্ষতি হয়। ইয়াৰ পৰিপ্ৰেক্ষিততে চৰকাৰে কোনো ল'ৰা-ছোৱালীয়ে যাতে আৰ্থিক দুৰাৱস্থাৰ বাবে শিক্ষাগ্ৰহণ আধাতে সামৰিব লগা নহয় তাৰ বাবে প্ৰচেষ্টা চলাই আহিছে আৰু এনে প্ৰচেষ্টাৰ আধাৰতে বিনামূলীয়া পাঠ্যপুথি, সমৱেশ তথা মধ্যাহ্ন আহাৰ যোগানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ কয় যে উচ্চ প্ৰাথমিকৰ পৰা শিক্ষাৰ্থী এগৰাকীয়ে যেতিয়া মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰে, তেতিয়া শিক্ষাৰ্থীগৰাকীয়ে শিক্ষানুষ্ঠানত উপস্থিত হ'বলৈ কিছুদূৰ অতিক্ৰম কৰিব লগা হয়। শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণত যাতে কিছু সুবিধা হয় সেই উদ্দেশ্য আগত ৰাখিয়ে চৰকাৰে নৱম শ্ৰেণীত বিনামূলীয়া চাইকেল প্ৰদানৰ আঁচনি গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে মহাবিদ্যালয় পৰ্যায়তো নামভৰ্তি বিনামূলীয়া কৰিছে। তেনেদৰে উচ্চতৰ মাধ্যমিক পৰ্যায়ত প্ৰতিগৰাকী ছাত্ৰীক নিযুত মইনা আঁচনিৰ জৰিয়তে ১, ০০০ টকা, স্নাতক পৰ্যায়ত ১, ২৫০ টকা আৰু স্নাতকোত্তৰ পৰ্যায়ত ২, ৫০০ টকাকৈ প্ৰতিমাহে প্ৰদানৰ ব্যৱস্থা চৰকাৰে কৰিছে। অনুৰূপ ধৰণে ছাত্ৰসকলৰ বাবেও এখন আঁচনি শীঘ্ৰে গ্ৰহণ কৰা হ'ব বুলি তেওঁ কয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণত সহায় হোৱাকৈ আৰ্থিক সহায়তা আগবঢ়োৱাৰ সমান্তৰালকৈ ৰাজ্য চৰকাৰে শৈক্ষিক পৰিৱেশ উন্নীত কৰাৰ বাবে আন কেতবোৰ পদক্ষেপো গ্ৰহণ কৰিছে। ইয়াৰ আধাৰতে ৭-৮ কোটিকৈ টকা ব্যয়েৰে ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ নতুন ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণত সহায়ক হোৱাকৈ শিক্ষানুষ্ঠান স্থাপন কৰা হৈছে। ভাষণত তেওঁ ৰাজ্যত নতুন নতুন মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ কাম চলি থকাৰ কথাও উল্লেখ কৰি কয়- 'অসমত আমি ছেমিকণ্ডা"ৰ নিৰ্মাণৰ উদ্যোগ স্থাপন কৰিছোঁ। ৰাজ্যত যাতে মোবাইল ফোনো নিৰ্মাণ হয় তাৰ বাবে উদ্যোগ স্থাপনৰো প্ৰয়াস চলাইছোঁ। অসমত যাতে নতুন প্ৰজন্মই সংস্থাপনৰ নতুন পথ বিচাৰি পায়, তাৰ বাবে উদ্যোগীকৰণ, কৃষিখণ্ডৰ উন্নতি, উদ্যানশস্যখণ্ডৰ উন্নয়ন, পশু চিকিৎসাখণ্ডৰ বিকাশ আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছোঁ। বিগত পাঁচ বছৰত ৰাজ্যৰ শিক্ষাৰ্থী সমাজৰ বাবে আমি নিৰন্তৰ কাম কৰিছোঁ।' ৰাজ্য চৰকাৰৰ এনে প্ৰয়াস আৰু প্ৰচেষ্টাই ইতিবাচক ফল দিবলৈ আৰম্ভ কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৬ শতাংশৰ পৰা সম্প্ৰতি ৪ শতাংশলৈ হ্ৰাস পাইছে আৰু মাধ্যমিক পৰ্যায়তো আধাতে শিক্ষানুষ্ঠান এৰা শিক্ষাৰ্থীৰ সংখ্যা ৮ শতাংশৰ পৰা ৫ শতাংশলৈ কমিছে। তেনেদৰে উচ্চ মাধ্যমিক পৰ্যায়ত শিক্ষানুষ্ঠান এৰা শিক্ষাৰ্থীৰ সংখ্যা ২৫ শতাংশৰ পৰা ১৭ শতাংশলৈ নিম্নগামী হৈছে। এনে পৰিসংখ্যাসমূহে ৰাজ্য চৰকাৰৰ প্ৰয়াসসমূহৰ সফলতাকে তুলি ধৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়- "একাগ্ৰতা, অধ্যৱসায়, ইচ্ছাশক্তিৰ জৰিয়তে সকলোৱে জগত জয় কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা আমি নিজকে উপযুক্ত মানৱ সম্পদ বুলি প্ৰতিষ্ঠা কৰিব পাৰোঁ।" ভাষণত মুখ্যমন্ত্ৰীয়ে দৃষ্টিহীনৰ বাবে আয়োজিত ক্ৰিকেট বিশ্বকাপত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি দেশলৈ সন্মান কঢ়িয়াই অনা অসমৰ চিমু দাসৰ লগতে অলিম্পিক বিজয়ী লাভলীনা বৰগোঁহাই, দৌৰবিদ হিমা দাসৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইচ্ছাশক্তি আৰু একাগ্ৰতাৰ বলত কিদৰে আকাশ চুব পাৰি তাৰ উদাহৰণ অসমত বহু আছে। ভাষণত মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত উপস্থিত শিক্ষাৰ্থীসকলক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে প্ৰখ্যাত বিজ্ঞানী তথা উদ্ভাৱক টমাছ আলভা এডিছনৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে ইলেক্ট্ৰিক বাল্ব উদ্ভাৱনত সফল হোৱাৰ পূৰ্বে এডিছনে প্ৰায় দহ হাজাৰবাৰ বিফল হৈছিল। তেনেদৰে এভাৰেষ্ট শৃংগ বিজয় অভিযানত মৃত্যুক সাৰটি ল'বলগীয়া হোৱাৰ আশংকা থকাৰ সত্ত্বেও বছৰি বহু লোকে এই শৃংগ জয়ৰ প্ৰচেষ্টা চলায় বুলি মন্তব্য কৰি তেওঁ কয়- 'প্ৰত্যাহ্বান থাকিলেও মানুহে সেই প্ৰত্যাহ্বানক নেওচি শিখৰত উপনীত হ'ব খোজে। আজি আমাৰ মাজত বহু সফল ব্যক্তি আছে। আমি অসমত এনে এখন সমাজ বিচাৰোঁ য'ত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে, নিজৰ মাজত নিহিত হৈ থকা প্ৰতিভাক চিনি পাৱলৈ শিকে আৰু সেই প্ৰতিভাৰ কৰ্ষণ কৰি একোগৰাকী সফল মানৱ সম্পদত পৰিণত হ'ব পাৰে।' মুখ্যমন্ত্ৰীয়ে সভাত উপস্থিত শিক্ষাৰ্থীসকলক নিয়মীয়াকৈ অধ্যয়নৰ লগতে বিভিন্ন খেলা-ধূলাকে ধৰি শৰীৰ-চৰ্চা, প্ৰাৰ্থনা কৰা, পিতৃ-মাতৃক ঘৰুৱা কামত সহায় কৰা আদি কাম কৰিবলৈ আহ্বান জনায়। প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে যাতে নিয়মানুবৰ্তিতা বজাই ৰাখে তাৰ বাবেও তেওঁ আহ্বান জনায়। তেওঁ কয় যে জীৱনত নিয়মানুবৰ্তিতা বজাই ৰখাসকলে কেতিয়াও পৰাজয়ৰ মুখ দেখিব লগীয়া নহয়। তেওঁ লগতে নিজ পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈও শিক্ষাৰ্থীসকলক আহ্বান জনাই প্ৰসংগক্ৰমে কয় 'আমাৰ হাতত থকা মোবাইল ফোনটো কেৱল ফে'চবুক, ইনষ্টাগ্ৰামৰ পৃথিৱীখনত উটি-ভাহি ফুৰিবৰ কাৰণেই নহয়, ইয়াৰ জৰিয়তে ভূগোল, বুৰঞ্জী, বিজ্ঞান, ক্ৰীড়া তথা পৃথিৱীৰ নতুন নতুন খবৰবোৰ জানিবৰ কাৰণেও আমি ব্যৱহাৰ কৰিব লাগে। মই অসমৰ নৱ প্ৰজন্মৰ প্ৰতিগৰাকীৰে চকুত আশা- প্ৰত্যাশা দেখা পাওঁ। মই তেওঁলোকৰ মাজত থকা প্ৰচুৰ সামৰ্থ্যক অনুভৱ কৰোঁ। নৱ প্ৰজন্মৰ এই শক্তি আৰু সামৰ্থ্যক যদি আমি বিকশাই তুলিব পাৰোঁ, তেনেহ'লে আমাৰ ৰাজ্যৰ লগতে দেশখনো নিশ্চিতভাৱে আগবাঢ়ি যাব। এই অনুষ্ঠানত শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়ক চক্ৰধৰ গগৈ, বিনোদ হাজৰিকা, তেৰছ গোৱালা, তৰংগ গগৈ, ডিব্ৰুগড় পৌৰসভাৰ মেয়ৰ ডঃ সৈকত পাত্ৰ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য সৰোজ গোঁহাই, ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলি সোণোৱাল, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী আৰু মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালক মমতা হোজাইৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি আৰু বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## লোকসভাত অমিত শ্বাহ

সাংবাদিকৰ আগত দাবী কৰে যে গৃহমন্ত্ৰী অমিত শ্বাহ সংসদত তেওঁৰ প্ৰশ্নৰ সন্মুখত "মানসিকভাৱে হেঁচাত পৰিছিল" আৰু "অশোভনীয় ভাষা" ব্যৱহাৰ কৰিছিল। ৰাহুলে কয়, "কালি সংসদত অমিত শ্বাহজীক অত্যাভয়েজলি নাৰ্ভাছ দেখা গৈছিল। তেওঁ মোৰ প্ৰশ্নৰ একোটা উত্তৰ দিব নোৱাৰিলে, কোনো প্ৰমাণ দিব নোৱাৰিলে। মই তেওঁক মুকলিকৈ প্ৰত্যাহ্বান জনাইছিলো — মোৰ তিনিখন সংবাদমেলৰ ওপৰত আলোচনা কৰক, তথ্যৰে উত্তৰ দিয়ক। কিন্তু তেওঁ একো কৰা নাই। এতিয়া দেশৰ লোকে সকলো বুজি পাইছে।" লগতে ৰাহুলে দাবী কৰে যে, নিৰ্বাচন আয়ুক্তসকলক "সম্পূৰ্ণ ৰক্ষাকৱচ" দিয়াৰ আঁৰত চৰকাৰৰ গভীৰ ষড়যন্ত্ৰ আছে আৰু হাৰিয়ানাৰ লগতে আন বহুতো ৰাজ্যত লাখ লাখ "ভুৱা ভোটাৰ"ৰ নাম ভোটাৰ তালিকাত সুমুৱাই দিয়া হৈছে। ৰাহুলৰ এই মন্তব্যৰ তীব্ৰ প্ৰত্যুত্তৰত বিজেপিৰ জ্যেষ্ঠ সাংসদ তথা দলৰ মুখপাত্ৰ জগদাম্বিকা পালে প্ৰশ্ন কৰে — "যেতিয়া গৃহমন্ত্ৰীয়ে প্ৰতিটো অভিযোগৰে দাপোন তুলি ধৰিছিল, তেতিয়া ৰাহুল গান্ধী আৰু সমগ্ৰ INDIA ব্লকৰ সাংসদসকল কিয় সদনৰ পৰা পলাই গৈছিল? খেলপথাৰ এৰি পলায়ন কৰা মানুহক দেশে চাই থাকে।" পালে আৰু কয়, "উচ্চতম ন্যায়ালয়েও SIR বন্ধ কৰাৰ কোনো কাৰণ নাই বুলি স্পষ্ট কৈছে। তথাপি পৰাজয়ৰ ভয়ত তেওঁলোকে ইভিএম, নিৰ্বাচন আয়োগ, ভোটাৰ তালিকা — সকলোকে দোষ দি আছে। কিমান দিনলৈ এই নাটক চলিব?" লোকসভাত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী সংস্কাৰৰ ওপৰত ভাষণ দি থাকোঁতে ৰাহুল গান্ধীয়ে বাৰে বাৰে হস্তক্ষেপ কৰিছিল। শ্বাহে কয়, "ৰাহুল গান্ধীয়ে তিনিখন সংবাদমেলত যি যি অভিযোগ কৰিছিল — সেই সকলোবোৰৰ উত্তৰ মোৰ হাতত আছে। তেওঁৰ দলৰ এলঅ'পি নেতাই কৈছিল ভোটাৰ তালিকা ত্ৰুটিপূৰ্ণ, সংশোধনৰ প্ৰয়োজন। এতিয়া SIRৰ জৰিয়তে সেই সংশোধনৰ কামেই হৈছে, তথাপি বিৰোধিতা কৰিছে। পৰাজয় নিশ্চিত বুলি জানি ইভিএমক দোষ দিয়ে, নিৰ্বাচন আয়োগক দোষ দিয়ে। গণতন্ত্ৰত এনে দ্বিমুখী নীতি চলিব নোৱাৰে।" শ্বাহে আৰু কয়, "সদন মোৰ ইচ্ছামতে নচলিব, ৰাহুল গান্ধীৰ ইচ্ছামতে নচলিব। মই মোৰ ভাষণৰ ক্ৰম নিজেই থিৰাং কৰিম। ধৈৰ্য্য ধৰক, প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিম।" ইয়াৰ পিছতেই ৰাহুল গান্ধীৰ নেতৃত্বত INDIA ব্লকৰ সাংসদসকলে সদন ত্যাগ কৰে। এই ঘটনাই সংসদৰ শীতকালীন অধিৱেশনত শাসক-বিৰোধীৰ মাজত নতুনকৈ উত্তেজনাৰ সৃষ্টি কৰিছে। আগন্তুক দিনত নিৰ্বাচনী সংস্কাৰ আৰু SIRক লৈ এই বিতৰ্ক আৰু চৰ্চা হোৱাৰ সম্ভাৱনা প্ৰবল।

## ১৩ বছৰ ধৰি বিছনাত

পৰীক্ষা কৰিবলৈ এখন ছেকেণ্ডাৰী মেডিকেল ব'ৰ্ড গঠন কৰি হৰিশক পৰীক্ষা কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰ ডিভিজন বেঞ্চে এইমছৰ প্ৰতিবেদন ১৭ ডিচেম্বৰৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দি পৰৱৰ্তী শুনানিৰ বাবে ১৮ ডিচেম্বৰ তাৰিখ নিৰ্ধাৰণ কৰিছে। হৰিশ ৰাণাৰ পিতৃয়ে পুত্ৰৰ যন্ত্ৰণাৰ অন্ত পেলাবলৈ পেছিভ ইউথেনাচিয়াৰ অনুমতি বিচাৰি দাখিল কৰা আবেদনৰ ভিত্তিতে এই পদক্ষেপ লোৱা হৈছে। ২০১৩ চনত পঞ্জাৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৰিশ পেইং গেষ্টৰ চতুৰ্থ মহলাৰ পৰা পৰি গুৰুতৰ মগজুৰ আঘাতপ্ৰাপ্ত হৈছিল। তেতিয়াৰ পৰাই তেওঁ সম্পূৰ্ণৰূপে বিছনাত পৰি আছে আৰু কৃত্ৰিম শ্বাস-প্ৰশ্বাস যন্ত্ৰ আৰু ফিডিং টিউবৰ সহায়ত জীৱিত আছে। উল্লেখ্য যে, ২০১৮ চনত উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে পেছিভ ইউথেনাচিয়াক বৈধতা প্ৰদান কৰি 'লিভিং উইল' কাৰ্যকৰী কৰাৰ নিয়মাৱলী প্ৰণয়ন কৰিছিল। ২০২৩ চনৰ জানুৱাৰীত সেই নিয়মাৱলীক আৰু সৰল আৰু কম জটিল কৰি সংশোধন কৰা হৈছিল। ইয়াৰ পূৰ্বে ২৬ নৱেম্বৰত উচ্চতম ন্যায়ালয়ে নয়ডাৰ জিলা প্ৰশাসনক এখন প্ৰাথমিক চিকিৎসা ব'ৰ্ড গঠন কৰি হৰিশক পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছিল। সেই নিৰ্দেশ মৰ্মে গাজিয়াবাদৰ মুখ্য চিকিৎসা বিষয়াৰ নেতৃত্বত চাৰিজনীয়া বিশেষজ্ঞ দলে হৰিশৰ বাসগৃহত উপস্থিত হৈ পৰীক্ষা কৰিছিল আৰু তেওঁলোকে মেৰুটৰ লালা লাজপত ৰায় মেম'ৰিয়েল মেডিকেল কলেজৰ অধ্যক্ষলৈ প্ৰতিবেদন প্ৰেৰণ কৰিছিল। সেই প্ৰতিবেদনত হৰিশৰ স্বাস্থ্যৰ অতি শোচনীয় অৱস্থাৰ কথা উল্লেখ আছে বুলি জানিব পৰা গৈছে। এই গোচৰটোৱে পুনৰবাৰ দেশজুৰি 'মৰ্যাদাৰ সৈতে মৃত্যুৰ অধিকাৰ' আৰু পেছিভ ইউথেনাচিয়াৰ নৈতিক-আইনী দিশসমূহক লৈ ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। ১৮ ডিচেম্বৰৰ শুনানিত এইমছৰ ছেকেণ্ডাৰী ব'ৰ্ডৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি হৰিশ ৰাণাৰ ভাগ্যৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি আশা কৰা হৈছে।

## অৰুণাচলৰ হায়ুলিয়াঙত

কুমাৰ(২৫), সমীৰ দীপ(২২), অৰ্জুন কুমাৰ(৩৪), পংকজ মানকি(২০), অজয় মানকি(৩০), বিজয় কুমাৰ(৩৬), অভয় ভূমিজ(৩৩), ৰোহিত মানকি(৩২), বীৰেন্দ্ৰ কুমাৰ(২৪), আগৰ তাঁতী(২৪), ধীৰেন খাৰিয়া(২৮), ৰজনী নাগ(২৪), দীপ গোৱালা(২৮), ৰামসেৱক সোনা(২৬), সনাতন নাগ(৩৬), সঞ্জয় কুমাৰ(৩৬), কৰণ কুমাৰ(২০) আৰু জোনাছ মুণ্ডা(২০)। অৰুণাচল প্ৰদেশ আৰু অসমৰ পৰা যোৱা বিষয়াসকলে মৃতদেহ চিনাক্তকৰণৰ ক্ষেত্ৰত সমন্বয়, সহযোগিতা আৰু পৰিয়ালৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। ইয়াৰে অধিকাংশই ঋতুভিত্তিক পথ আৰু নিৰ্মাণকাৰ্য্যৰ বাবে যাত্ৰা কৰা প্ৰব্ৰজিত শ্ৰমিক বুলি সন্দেহ কৰা হৈছে। প্ৰাথমিক অনুসন্ধানত ট্ৰাকখনৰ চালকজনে পাহাৰৰ একা-বেকা তথা চোকা বক্ৰ পথত নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি পোহৰলৈ আহিছে। উল্লেখ্য যে, অঞ্চলটোৰ সংকীৰ্ণ আৰু বেয়াকৈ ৰক্ষণাবেক্ষণ কৰা পাহাৰীয়া পথচোৰাত এই ঘটনাটো এক পুনৰাবৃত্তিমূলক বিপদ হিচাপে পৰিগণিত হৈছে। গাৰ্ডৱালৰ অভাৱ, দুৰ্বল আন্ত: গাঁথনি আৰু বতৰৰ আকস্মিক পৰিৱৰ্তনৰ বাবে অঞ্চলটোত সঘনাই এনে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। এই পৰ্য্যন্ত এজন শ্ৰমিকক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। ঘটনাৰ সন্দৰ্ভত অনুসন্ধান আৰু উদ্ধাৰ অভিযান চলি আছে। ঘটনাৰ সন্দৰ্ভত আঞ্জাও জিলাৰ জিলা দুৰ্যোগ ব্যৱস্থাপক বিষয়া(ভাৰপ্ৰাপ্ত) নাং চিংনি চৌপুৰে এনেদৰে কৈছে, "আঞ্জাও জিলাৰ ভাৰত-চীন সীমান্তৰ চাগলাগাম চাৰ্কোলত সংঘটিত হৈছে এই ঘটনা। ঘটনাটো ৮ ডিচেম্বৰৰ নিশা সংঘটিত হৈছিল। ১০ ডিচেম্বৰৰ নিশা আমি খবৰ লাভ কৰিছিলোঁ। স্থানীয় লোকেও আনকি ঘটনাৰ বিষয়ে গম পোৱা নাছিল। এইটো এটা ঠেক আৰু সংকীৰ্ণ পথ।" অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয়, "অৰুণাচল প্ৰদেশত সংঘটিত ভয়াবহ পথ দুৰ্ঘটনাত অসমৰ ১৪জন ব্যক্তিৰ মৃত্যুৰ খবৰ শুনি গভীৰভাৱে ব্যথিত হৈছোঁ। জনাব বিচাৰিছোঁ যে আমাৰ তিনিচুকীয়া জিলা প্ৰশাসনে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰাখি সকলো আৱশ্যকীয় সহায়-সমৰ্থন প্ৰদান কৰি আছে। সাহায্য আৰু উদ্ধাৰকাৰী দলে চিনাক্ত নোহোৱা ব্যক্তিসকলক উদ্ধাৰ কৰিবলৈ ক্ষিপ্ৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। চিকিৎসা সহায়ৰ প্ৰয়োজন হোৱাসকলক উন্নত চিকিৎসাৰ সকলো ব্যৱস্থা কৰা হৈছে। এই কঠিন সময়ত দুৰ্ঘটনাগ্ৰস্ত ব্যক্তিসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।" উদ্ধাৰ হোৱা মৃতদেহসমূহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ অনা হৈছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোৰ লগতে তিনিচুকীয়াত গভীৰ শোকৰ ছাঁ পেলাইছে।

## নিৰ্বাপিত হ'ল গুৱাহাটীৰ স্বাগতা

দিনৰ ভাগত মোটামুটি নিয়ন্ত্ৰণলৈ আহিল যদিও সম্পূৰ্ণৰূপে জুই, উত্তাপ আৰু ধোঁৱাৰ পৰা মুক্ত হ'ব পৰা নাই। মঙলবাৰে নিশা প্ৰায় ১২.৩৫ বজাত আৰম্ভ হোৱা এই অগ্নিকাণ্ডই প্ৰায় দুদিন ধৰি গুৱাহাটীৰ আকাশ ধোঁৱাইৰে ভৰাই ৰাখিছিল আৰু জি এছ ৰোডৰ এই অংশত যান-জঁটৰ সৃষ্টি কৰিছিল। অগ্নিনিৰ্বাপক বাহিনীয়ে মঙলবাৰে নিশাৰে পৰা যুদ্ধকালীন তৎপৰতাৰে জুই নিৰ্বাপণৰ কাম চলাই আহিছে। বৃহস্পতিবাৰে দিনৰ ভাগত জুইৰ লেলিহান শিখা নিয়ন্ত্ৰণলৈ আহিল যদিও কাপোৰৰ বিশাল গুদাম আৰু বিভিন্ন সামগ্ৰীৰ বাবে উমি উমি জুই এতিয়াও জ্বলি আছে, যাৰ ফলত ঘন ধোঁৱা নিৰ্গত হৈ আছে। অট্টালিকাৰ ভিতৰৰ উত্তাপ এতিয়াও যথেষ্ট বেছি থকাৰ বাবে সম্পূৰ্ণ কুলিং কৰিবলৈও বহু সময় লাগিব বুলি অগ্নিনিৰ্বাপক বিষয়াসকলে জনাইছে। এই অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই যদিও সম্পত্তিৰ ক্ষতি অপৰিসীম। অসমৰ ইতিহাসত সৰ্বাধিক ক্ষয়-ক্ষতি হোৱা অগ্নিকাণ্ডসমূহৰ ভিতৰত এই ঘটনা অন্যতম হৈ পৰিছে। কাৰণ অট্টালিকাৰ প্ৰথম দুটা মহলাত আছিল বিশাল কাপোৰৰ দোকান 'শ্ব'হম এম্প'ৰিয়াম' আৰু তাৰ ওপৰৰ চাৰিটা মহলাত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূবৰ অন্যতম গুৰুত্বপূৰ্ণ কাৰ্যালয়। ইয়াত বাণিজ্যিক শাখা, পাৰ্ছনেল বেংকিং, এছএমই চেণ্ট্ৰেলাইজড ক্ৰেডিট চেণ্টাৰ, গৃহ ঋণ কেন্দ্ৰ, গৃহ ঋণ ছেলছ টীম, গুৱাহাটী মেট্ৰ' ৰিজনেল অফিচ আৰু প্ৰশাসনীয় শাখাকে ধৰি একাধিক গুৰুত্বপূৰ্ণ বিভাগ আছিল। এই সকলোবোৰ বিভাগৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ, গ্ৰাহকৰ লকাৰ আৰু গৃহ ঋণৰ দলিল-চুক্তিপত্ৰসমূহৰ সুৰক্ষা লৈ এতিয়া হাজাৰ হাজাৰ গ্ৰাহকৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি হৈছে। বিশেষকৈ কামৰূপ মহানগৰ জিলাৰ ভিতৰত ষ্টেট বেংকৰ পৰা গৃহ ঋণ লৈ ফ্লেট বা মাটি ক্ৰয় কৰা গ্ৰাহকসকলৰ দলিলসমূহ এই কেন্দ্ৰতে সংৰক্ষিত আছিল। ভাৰতীয় ষ্টেট বেংকৰ গুৱাহাটী চাৰ্কলৰ মুখ্য মহাপ্ৰবন্ধক প্ৰভাস বসুৱে কয়, "প্ৰশাসন আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে সৰ্বতোপ্ৰকাৰে সহায় কৰি আছে। জুই নুমোৱাৰ বাবে যি সম্ভৱ সকলো চেষ্টা চলি আছে। লকাৰসমূহ সুৰক্ষিত স্থানত আছে, কিন্তু ভিতৰৰ অৱস্থা এতিয়াও পৰীক্ষা কৰা হোৱা নাই। সময়ত সকলো তথ্য ৰাইজৰ আগত দাঙি ধৰা হ'ব।" অগ্নিনিৰ্বাপক বাহিনীৰ এগৰাকী জ্যেষ্ঠ বিষয়াই জনোৱা মতে, কাপোৰৰ বিশাল গুদাম থকাৰ বাবেই জুই অতি বিধ্বংসী হৈ পৰিছিল আৰু উমি উমি জ্বলণ ঘটিছিল। বৃহস্পতিবাৰে দিনৰ ভাগত অৱশেষত অট্টালিকাৰ ভিতৰত প্ৰৱেশ কৰি কুলিং কৰা হৈছে যদিও পিছফালে অগ্নিনিৰ্বাপক বাহন প্ৰৱেশৰ সুবিধা নথকাৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এগৰাকী বাসিন্দাই কয়, "গুৱাহাটীৰ মাজমজিয়াৰ এনে এখন বিশাল অট্টালিকাৰ জুই নিৰ্বাপণ কৰিবলৈ দুদিনতকৈও অধিক সময় লাগিল। এয়া অতিকৈ লজ্জাজনক। বেংক কৰ্তৃপক্ষই সোনকালে স্পষ্ট কৰক যে ৰাইজৰ সম্পত্তি সুৰক্ষিত হৈ আছে নে নাই।" আন এগৰাকী মহিলা গ্ৰাহকে কয়, "বেংকে লকাৰ সুৰক্ষিত বুলি কৈছে, কিন্তু আমি এতিয়াও আশ্বস্ত হ'ব পৰা নাই। ধৈৰ্য ধৰাৰ বাহিৰে আপাততঃ আন উপায় নাই।" জি এছ ৰোডৰ দৰে অতি ব্যস্ত পথৰ দাঁতিত থকা এখন গুৰুত্বপূৰ্ণ বাণিজ্যিক কমপ্লেক্স'ত এনেদৰে দীৰ্ঘসময় ধৰি জুই নিয়ন্ত্ৰণ কৰিব নোৱৰাটোৱে নগৰৰ অগ্নিনিৰ্বাপণ ব্যৱস্থাৰ গুৰুতৰ দুৰ্বলতা পোহৰলৈ আনিছে।

## ২৫ লাখ টকাৰ কিতাপ

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে এই বৰ্ষৰ গ্ৰন্থমেলাৰ আয়োজন কৰিছিল। এইবাৰৰ গ্ৰন্থমেলাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ৩১ গৰাকী প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতাই অংশগ্ৰহণ কৰিছিল। গ্ৰন্থমেলাখনত কলকাতা, মুম্বাই, দিল্লী, হায়দৰাবাদ, আগৰতলা, গুৱাহাটী, শিলচৰৰ প্ৰকাশক-গ্ৰন্থ বিক্ৰেতাসকলকে ধৰি ২৫ খনকৈ বিপণী স্থাপন কৰা হৈছিল। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিয়া মতে, বিগত বছৰৰ তুলনাত এইবাৰ মানুহৰ উপস্থিতি আৰু গ্ৰন্থৰ বিক্ৰীৰ সংখ্যা সামান্য পৰিমাণে কমিছে যদিও আশাব্যঞ্জক সঁহাৰি লাভ কৰা হৈছে। তেওঁ কয়, "২০২৩ চনৰ গ্ৰন্থমেলাত পাঠক আৰু ক্ৰেতাৰ সঁহাৰি যিমান আছিল এইবাৰ তুলনামূলকভাৱে কমিছে। ইয়াৰ অন্যতম কাৰণ, এতিয়া স্কুল আৰু কলেজত চলি আছে বাৰ্ষিক পৰীক্ষা, গতিকে দিনটোত তুলনামূলকভাৱে ভিৰ কম আছিল যদিও সন্ধিয়া গ্ৰন্থপ্ৰেমীৰ আশাব্যঞ্জক ভিৰ পৰিলক্ষিত হয়।" বিক্ৰীৰ সংখ্যা সন্দৰ্ভত তেওঁ কয় যে, "২০২৩ চনত অভিলেখ সংখ্যক কিতাপ বিক্ৰী হৈছিল, অৱশ্যে সেই ধাৰা এই বছৰ অব্যাহত নাথাকিল। এইবাৰৰ গ্ৰন্থমেলাত প্ৰায় ২৫ৰ পৰা ৩০ লাখ টকাৰ কিতাপ বিক্ৰী হোৱাৰ বিপৰীতে যোৱাবাৰ বিক্ৰীৰ সংখ্যা আছিল প্ৰায় ৩৫ লাখ টকা। তথাপি প্ৰকাশন আৰু বিক্ৰেতাসকলে লোকচানৰ সন্মুখীন হ'বলগীয়া হোৱা নাই।" প্ৰমোদ কলিতাই উল্লেখ কৰে যে ৰাজ্য চৰকাৰে ২০২৫ চনক 'গ্ৰন্থ বৰ্ষ' হিচাপে ঘোষণা কৰি চৰকাৰী কৰ্মচাৰীক ১০০০ টকাকৈ কিতাপ কিনিবলৈ দিছিল। কিন্তু সেই পদক্ষেপেও আশা কৰা ধৰণৰ সঁহাৰি আনিব নোৱাৰিলে। তেওঁ লগতে কয় যে যোৱাবাৰ লটাৰী ব্যৱস্থাৰ বাবেই কিতাপ প্ৰেমীৰ ভিৰ লক্ষণীয় হৈছিল, কিন্তু এইবাৰ উচ্চ ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবে লটাৰীৰ আয়োজন সম্ভৱ নহ'ল। প্ৰমোদ কলিতাই কয় যে অতি শৃংখলাবদ্ধভাৱে আৰু সফলতাৰে দ্বিতীয়খন গ্ৰন্থমেলা সম্পূৰ্ণ হৈছে। এই সফলতাই অহা বছৰো শিলচৰত গ্ৰন্থমেলাৰ আয়োজন কৰাৰ সম্ভাৱনা স্পষ্ট কৰি তুলিছে।

## ধান, আলু আৰু ৰঙালাও খেতিৰে ছাত্ৰ-ছাত্ৰীক দিছে স্বাৱলম্বীতাৰ প্ৰশিক্ষণ

# পূব মাজুলী মহাবিদ্যালয়ৰ সহঃ বিদ্যায়তনিক ক্ষেত্ৰত অনন্য পদক্ষেপ

**অসম বাৰ্তা, মাজুলী, ১১ ডিচেম্বৰ** ঃ কৃষিয়েই জীৱন, কৃষিয়েই জীৱিকা। এইয়া মাজুলীৰ দৰে গ্ৰাম্যাঞ্চলত এতিয়াও অতি প্ৰাসংগিক হৈ আছে। খেতিক বাদ দি মাজুলীৰ কোনো পৰিয়ালে নতুন সপোন দেখিব নোৱাৰে। কিন্তু সময়ৰ বিৱৰ্তনৰ লগে লগে মাজুলীটো নতুন প্ৰজন্মৰ বাবে যেন ক্ৰমাৎ গুৰুত্বহীন হৈ আহিছে এই সত্য। নতুন প্ৰজন্মই খেতিৰ বিপৰীতে মবাইলক বেছি আঁকোৱালি লৈ আজৰি সময় অতিবাহিত কৰিছে। সেয়ে মাজুলীৰ কোনো গাঁৱত সম্প্ৰতি নতুন প্ৰজন্মৰ এলাগীভাৱে চন পেলাইছে বহু উৰ্বৰা কৃষি ভূমি। নতুন প্ৰজন্মক এই কৃষি ক্ষেত্ৰত জড়িত কৰাবলৈ যেন প্ৰয়োজন হৈছে অভীৰুচন। প্ৰয়োজন হৈছে সমূহীয়া কৃষি কাৰ্যৰ। যত জড়িত হৈ নিঃসংকোচে সকলোৱেই কৃষিক আঁকোৱালি লোৱাৰ পন কৰিব, মন কৰিব। এইয়াকে বাস্তৱ কৰি তুলিবলৈ পূব মাজুলী মহাবিদ্যালয়ে সহঃবিদ্যায়তনিক ক্ষেত্ৰত আৰম্ভ কৰিছে মহাবিদ্যালয়ৰ চন পৰি থকা ভূমিত কৃষি কাৰ্য। জড়িত কৰাইছে, ছাত্ৰ-ছাত্ৰীক। পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰাৰ নেতৃত্বত আৰম্ভ হৈছে এই অভীৰুচন কাৰ্য। ৪ বিঘা ভূমিত ধান খেতি, ২ বিঘা বিঘা ভূমিত আলু আৰু ৰঙালাও কৰিছে মহাবিদ্যালয় খনে। প্ৰত্যক্ষ ভাৱে এই কৃষি কাৰ্যত জড়িত কৰাইছে ছাত্ৰ ছাত্ৰীসকলক। তেওঁলোকে মাটি চহোৱাৰ দিনাৰ পৰা কঠীয়া সিঁচা, কঠীয়া ৰোৱা আৰু ধান চপোৱাৰ কাম কৰিছে। ছাত্ৰ-ছাত্ৰী সকলে আনন্দ মনেৰে নিজক মহাবিদ্যালয়ৰ কৃষি কাৰ্যত জড়িত কৰি লাভ কৰিছে নতুন অভিজ্ঞতা। এই কৃষি কাৰ্যত জড়িত হৈ যে কেৱল কৃষিৰ প্ৰতি সহযোগ কৰিছে, সেইয়াই নহয়, বৰঞ্চ কৃষিৰ ক্ষেত্ৰখনত নতুন অভিজ্ঞতা বুটলি নিজকো সক্ষম কৰি তুলিছে। সাধাৰণতে গ্ৰামঞ্চল সমূহতো মহাবিদ্যালয় উত্তীৰ্ণ হোৱাৰ পাছত এনেয়ে থাকিলেও পথাৰ গছকিবলৈ মন নকৰা একাংশ নতুন প্ৰজন্মই মহাবিদ্যালয় চৌহদতে যদি এনে শিক্ষা আৰু সুবিধা পায় তেতিয়া নিশ্চয়কৈ আহি থকা সময়ত সকলোৱেই নিজ নিজ ঘৰৰ কৃষি ক্ষেত্ৰত জড়িত হবলৈ গৌৰৱ বোধ কৰিব। মহাবিদ্যালয় খনিৰ এই কাৰ্যত সহযোগ কৰিছে মহাবিদ্যালয় খনিৰ ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰ কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়া আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ক্ৰমে সোণ বৰুৱা, দেউৰাম বৰা, দাণ্ডী শইকীয়া, দুদু চমুৱা আৰু অজিত বৰাই। বৰ্তমান ধানখেতি চপোৱাৰ অন্তত আলু আৰু ৰঙালাও খেতি কৰিছে মহাবিদ্যালয়খনে।

# কামৰূপ জিলাত ইভিএম আৰু ভিভিপেট মেচিনৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ ১১ ডিচেম্বৰ পৰা ২৩ ডিচেম্বৰলৈ

**অসম বাৰ্তা, কমলপুৰ, ১১ ডিচেম্বৰ** ঃ আগন্তুক ২০২৬ বৰ্ষৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ইলেক্ট্ৰনিক ভোটিং মেচিন (EVM) আৰু ভোটাৰ ভেৰিফাইড পেপাৰ অডিট ট্ৰেইল (VVPAT)-ৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ (First Level Checking - FLC) কামৰূপ জিলাত অহা ১১ ডিচেম্বৰৰ পৰা ২৩ ডিচেম্বৰ, ২০২৫ লৈ অনুষ্ঠিত কৰা হ'ব। এই পৰীক্ষণ কাৰ্যসূচী প্ৰতিদিনে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ইভিএম গুদামঘৰত (Warehouse) অনুষ্ঠিত হ'ব। ইভিএম আৰু ভিভিপেট মেচিনসমূহৰ এই পৰীক্ষণ প্ৰক্ৰিয়াত ভাৰতীয় ইলে"নি' নিগম লিমিটেড (ECIL)ৰ ১০জন অভিযন্তা উপস্থিত থাকিব। এই পৰীক্ষণ প্ৰক্ৰিয়াত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ সক্ৰিয়ভাৱে সহযোগিতা তথা উপস্থিতি কামৰূপৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই কামনা কৰিছে। উল্লেখ্য যে কামৰূপ জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰ ১৫৫৫টা আৰু বৰ্তমানে জিলাখনত মুঠ ২৩৫৯টা বেলট ইউনিট (BU), ২৫১২টা কণ্ট্ৰ'ল ইউনিট (CU) আৰু ২৭০৬টা ভিভিপেট (VVPAT) মেচিন জিলাখনত উপলব্ধ আছে। প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়াত ১৯৪৪টা BU (ভোটগ্ৰহণ কেন্দ্ৰৰ ১২৫ শতাংশ), ২০৯৯টা CU (ভোটগ্ৰহণ কেন্দ্ৰৰ ১৩৫ শতাংশ), , আৰু ২০৯৯টা VVPAT (ভোটগ্ৰহণ কেন্দ্ৰৰ ১৩৫ শতাংশ) পৰীক্ষা কৰা হ'ব। উক্ত পৰীক্ষণ কাৰ্য্য কামৰূপ জিলা নিৰ্বাচনী বিষয়াৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশাবলী অনুসৰি অনুষ্ঠিত কৰা হ'ব।

# মৰিগাঁও জিলাত শ্বহীদ দিৱসৰ প্ৰাকক্ষণত বন্তি প্ৰজ্বলন কাৰ্যসূচী সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ১১ ডিচেম্বৰ** ঃ আগন্তুক ১০ ডিচেম্বৰ, ২০২৫ শ্বহীদ দিৱসৰ প্ৰতি লক্ষ্য ৰাখি, আজি সন্ধিয়া মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ভৱন চৌহদত থকা শ্বহীদ বেদীত এক পৱিত্ৰ বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। জিলা প্ৰশাসনৰ তৰফৰ পৰা অতিৰিক্ত জিলা আয়ুক্ত ৰাকেশ ডেকা ডাঙৰীয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে, মৰিগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া মানস প্ৰতিম বৰুৱা ডাঙৰীয়া আৰু পৌৰসভাৰ কৰ্মচাৰীসকলেও উপস্থিত থাকি শ্বহীদসকলৰ স্মৃতি তৰ্পণ কৰে। এই অনুষ্ঠানৰ জৰিয়তে মহান শ্বহীদসকলৰ ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰি তেওঁলোকৰ আদৰ্শক জীয়াই ৰখাৰ সংকল্প লোৱা হয়।

## ধনীয়াভেটিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন

# ৫৫ নং ধিং বিধানসভা সমষ্টিত কংগ্ৰেছৰ ব্যাপক নিৰ্বাচনী তৎপৰতা

**অসম বাৰ্তা, বটদ্ৰৱা, ১১ ডিচেম্বৰ** ঃ নগাঁও জিলাৰ ধিং সমষ্টিত কংগ্ৰেছৰ ৰাজনীতি গৰম হৈ উঠিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আনোৱাৰ হুছেইনে ধিং সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীত্ব বিচাৰিব বুলি জানিব পৰা গৈছে। আজি আনোৱাৰ হুছেইনে ধিং সমষ্টিৰ কেইবাখনো গাঁও পঞ্চায়তত মানুহৰ ঘৰে ঘৰে গৈ সাক্ষাৎ কৰা পৰিলক্ষিত হয়। আনোৱাৰ হুছেইনে ধিং সমষ্টিৰ এটা বৃহৎ কংগ্ৰেছী বাহিনী লগত লৈ সমষ্টিটোৰ গাঁৱে ভূঞে ঘূৰি ফুৰাৰ লগে লগে সমষ্টিৰ ৰাজনৈতিক বতাহ ক্ৰমে গৰম হৈ আহিছে। উল্লেখ্য যে ধিং সমষ্টিৰ পৰা এতিয়ালৈকে কুৰি জনে কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থীত্ব বিচাৰি নিজৰ নিজৰ প্ৰচাৰ চলাই আহিছে। আজি আনোৱাৰ হুছেইনে বেছামাৰীৰ ইছৰাফিল স্বেখৰ জানাজাত অংশগ্ৰহণ কৰি সমষ্টিটোৰ ধনীয়াভটী গাওঁ পঞ্চায়তৰ অন্তৰ্গত কোৰাইকটা, ধনীয়াভেটি, লালুং গাঁও আৰু ধনীয়াভেটি পথাৰত প্ৰায় কুৰিখন চাৰি চকীয়া বাহনলৈ মানুহৰ ঘৰে ঘৰে গৈ সাক্ষৎ কৰা পৰিলক্ষিত হয়। ঠায়ে ঠায়ে ভোটাৰৰ লগত মত-বিনিময় কৰা দেখা যায়। হুছেইনৰ এই কাৰ্যত আজি সংগ দিয়ে বটদ্ৰৱা ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সম্পাদক আব্দুল বাৰিক আহমেদ, প্ৰাক্তন শিক্ষক ৰুহুল আমিন, চামচ উদ্দিন, ধনীয়াভেটি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মাইনুল হক চৌধুৰী, ধুপগুৰী সমবায় সমিতিৰ সভাপতি মইনুল হক, মুছাৰ প্ৰাক্তন সভাপতি আব্দুল মালেক আৰু টুকটুকী জিলা পৰিষদৰ প্ৰাক্তন সদস্য ফাইজ উদ্দিন আহামেদ।

# দক্ষিণ ধৰমতুলৰ ভুলুকাগুৰি পথাৰত অকাল মৃত্যুক সাৱটি ল'বলগীয়া হ'ল এটা প্ৰকাণ্ড বনহাতীয়ে

**অসম বাৰ্তা, ধৰমতুল, ১১ ডিচেম্বৰ** ঃ ৮ ডিচেম্বৰৰ ৰাতি প্ৰায় ১২: ৩০ বজাত খাদ্যৰ সন্ধানত ওলাই অহা এটা হাতীৰ জাকে ধাননি পথাৰত ধান খাবলৈ নামোঁতে লাইটৰ পোষ্ট এটাতে গা ঘঁহাই যাওঁতেই লাইটৰ পোষ্টটো প্ৰকাণ্ড হাতীটোৰ গাত পৰি লগে লগে হাতীটোৰ গাত বিদ্যুত প্ৰবাহিত হয় আৰু হাতীটোৱে কৰুণ মৃত্যুক সাৱটি লয়, এইখিনি স্থানীয় ৰাইজৰ কথা। প্ৰত্যেক বছৰতে ধান পকাৰ সময়ত পাহাৰৰ পৰা নামনিলৈ ধান খাবলৈ হাতীৰ জাক নামি আহে, এইবাৰো তেওঁলোক আহি জাকৰ প্ৰকাণ্ড হাতীটোৱে কৰুণ মৃত্যুক সাৱটি ল'ব লগীয়া হয়। সৌভাগ্যক্ৰমে জাকৰ অন্য হাতী বাছি যায়। পুৱাৰ ভাগত হাতীটোৰ মৰা খবৰ পোৱাত দক্ষিণ ধৰমতুলৰ ভুলুকাগুৰিত বহুতো মানুহ গোট খাই দুখ প্ৰকাশ কৰে আৰু বন বিভাগৰ মানুহ গৈ তাত উপস্থিত হৈ হাতীটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে লগতে বিভাগীয় নীতি অনুসৰি শেষকৃত্য সম্পন্ন কৰিব বুলি জানিবলৈ দিয়ে। লগতে স্থানীয় ৰাইজে ধূপ-ধুনা, গামোচা লৈ হাতী বাপুজনাৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলিৰে প্ৰকৃতি প্ৰেমৰ নিদৰ্শন দাঙি ধৰে।

# ৰূপহীহাটৰ গড়েমাটিখোৱাত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ দুই মহিলা সৰবৰাহকাৰী

**অসম বাৰ্তা, ৰূপহীহাট, ১১ ডিচেম্বৰ** ঃ ৰূপহীহাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সূৰুজ দত্ত যোগদান কৰিয়েই ড্ৰাগছৰ বিৰুদ্ধে চলাইছে মাৰাথন অভিযান। য়োৱাকালি ৰূপহীহাটৰ গুণাবাৰীৰ পৰা বুজন পৰিমাণৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ পিছত আজি দুপৰীয়া এক গোপন সূত্ৰৰ পম খেদি ৰূপহীহাটৰ গড়েমাটিখোৱাত ড্ৰাগছৰ বিৰুদ্ধে চলাই অভিযান। আৰক্ষীৰ অভিয়ানত ৫০ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰৰ সৈতে গ্ৰেপ্তাৰ কৰে দুই মহিলা ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী দুজনীৰ নাম ৰেছমা খাতুন আৰু মেৰিজা বেগম। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৬.৩৮ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত মহিলা সৰবৰাহকাৰী দুজনীক জেৰা অব্যাহত ৰাখিছে।

# পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হীৰক জয়ন্তী উপলক্ষে কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, ধনশিৰি, ১১ ডিচেম্বৰ** ঃ পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত আজি হীৰক জয়ন্তী সমাৰোহ উপলক্ষে এখনি গোলাঘাট জিলা ভিত্তিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত গোলাঘাট জিলাৰ অন্তৰ্গত মুঠ ২৭টা দলে অংশগ্ৰহণ কৰে। কুইজ প্ৰতিযোগিতাখনত কুইজ মাষ্টাৰ হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকন আৰু সৰুপথাৰ মহাবিদ্যালয়ৰে বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক সন্ধান হাজৰিকা উপস্থিত থাকে। কুইজ প্ৰতিযোগিতাখনত নাওজান হলিক্ৰচ হাইস্কুলৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ দলটোৱে প্ৰথম, গোলাঘাট জাতীয় বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ দলটোৱে দ্বিতীয় আৰু কছাৰীহাট জাতীয় বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ দলটোৱে তৃতীয় স্থান পাবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ শেষত বিজয়ী প্ৰতিযোগী সকলৰ মাজত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰি সকলো বিজয়ী ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰে। কুইজ মাষ্টাৰ হিচাপে উপস্থিত থকা ড° প্ৰণৱ ঢেকিয়াল ফুকনে কয় অতীজৰে পৰা সৰুপথাৰ অঞ্চলৰ বৌদ্ধিক ক্ষেত্ৰখনক নেতৃত্ব প্ৰদান কৰি অহা পি.এম.শ্ৰী সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে আয়োজন কৰা এনেধৰণৰ প্ৰতিযোগিতাই কেৱল বিদ্যালয়খন বুলিয়েই নহয় সমগ্ৰ অঞ্চলটিৰ বৌদ্ধিক চিন্তা চৰ্চাত আৰু মননশীল চিন্তা চৰ্চাত অৰিহণা যোগাব।

# বৰ্ণাঢ্য কাৰ্যসূচীৰে তাৰাং নৈৰ পাৰত দহদিনীয়াকৈ কামাতা মিউজিক ফেষ্টিভেলৰ আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ১১ ডিচেম্বৰ** ঃ চতুৰ্থ সংখ্যক কামাতা মিউজিক ফেষ্টিভেল এইবাৰ বি টি চিৰ সদৰ কোকৰাঝাৰ চহৰৰ নিকটবৰ্তী ডিয়াজিঝৰীগাঁৱৰ তাৰাং নৈৰ পাৰত দহদিনীয়াকৈ অনুষ্ঠিত হ'ব। অহা ২৮ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া ফেষ্টিভেলটি বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে পালিত হ'ব। উক্ত ফেষ্টিভেলত বিশেষকৈ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন, শিল্পীৰ দ্বাৰা গীত পৰিৱেশনৰ লগতে হলিউড-বলিউডৰ শিল্পীয়ে গীত পৰিৱেশন কৰিব। ইতিমধ্যে অঞ্চলৰ সাতখন গাঁৱৰ ৰাইজৰ উপস্থিতিত এক শক্তিশালী আদৰণি সমিতি গঠন কৰা হয়। বি টি চিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীক পৃষ্ঠপোষক, হেমন্ত কুমাৰ বৰ্মনক সভাপতি, নৰোসিংহ ৰায় আৰু মৃদুল ৰায়ক উপ-সভাপতি, ডিজেন্দ কোচক সম্পাদক, তপন ৰায় আৰু হৃদয় ৰায়ক সহ সম্পাদক হিচাপে লৈ মূল সমিতিখন গঠন কৰা হয়। ইয়াৰোপৰি সাংস্কৃতিক, প্ৰচাৰ, বিত্ত, স্বেচ্ছাসেৱক ইত্যাদি উপ সমিতিসমূহো গঠন কৰা হয়। আনহাতে বিভিন্ন ক্ষেত্ৰত জড়িত অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলক উপদেষ্টা হিচাপে সমিতিত অন্তৰ্ভুক্ত কৰা হয়।

# সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হ'ব লগা সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ প্ৰস্তুতি তুঙ্গত

**অসম বাৰ্তা, নাহৰকটীয়া, ১১ ডিচেম্বৰ** ঃ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা খনি এইবাৰ ১৩ ডিচেম্বৰৰ পৰা ১৭ ডিচেম্বৰলৈ নাহৰকটীয়াৰ গেথুপথাৰত অনুষ্ঠিত হব। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, নাহৰকটিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত আৰু নাহৰকটীয়া বাসীৰ সহযোগত অনুষ্ঠিত হব লগা পঞ্চম বাৰ্ষিক ভাওনা প্ৰতিযোগিতাৰ প্ৰস্তুতি তুঙ্গত উঠিছে। আজি এই ভাওনা সমাৰোহত অতিথিক আপ্যায়নৰ বাবে বিশ হাজাৰ পকা মিঠৈ প্ৰস্তুত কৰা হয়। বিভিন্ন প্ৰান্তৰ পৰা অহা আই মাতৃ সকলে পকা মিঠৈ প্ৰস্তুত কৰা কাৰ্যত পূৰ্ণ সহযোগ আগবঢ়াই। ভাওনা সমাৰোহৰ বাবে মূল মণ্ডপ, অস্থায়ী নামঘৰৰ স্থাপন কৰা কাম পূৰ্ণ গতিত চলিছে। ইয়াৰ উপৰিও এই সমাৰোহ স্থলীত ৫০ খনকৈ বিপনীৰ ব্যৱস্থা কৰা হৈছে। কাৰ্যসূচীৰ প্ৰথম দিনা দুপৰীয়া আঞ্চলিক ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হব আৰু ১২ তাৰিখে অস্থায়ী নামঘৰ নীতি নিয়মৰ মাজেৰে প্ৰতিষ্ঠা কৰা হব।

## দালালক প্ৰশ্ৰয় নিদিয়াৰ আহ্বান বিধায়ক পৃথ্বীৰাজ ৰাভাৰ

# তেজপুৰ বিধানসভা সমষ্টিৰ ১৩৯৭ গৰাকীৰ মাজত পিএমএৱাই ঘৰৰ অনুমোদন পত্ৰ বিতৰণ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১১ ডিচেম্বৰ** ঃ সমগ্ৰ অসমৰ লগতে তেজপুৰতো হিতাধিকাৰী সকলৰ মাজত প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহৰ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। তেজপুৰ বিধান সভা সমষ্টিৰ ১৩৯৭ গৰাকী হিতাধীকাৰীৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰা হয়। আজি গাভৰু উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত তেজপুৰ বিধান সভা সমষ্টি আৰু গাভৰু উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৩ পঞ্চায়তৰ হিতাধিকাৰীৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰি প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত চলা দালাল চক্ৰক প্ৰশ্ৰয় নিদি নিজৰ পৰিয়ালৰ লোকৰ সৈতে আলোচনা কৰি সুন্দৰকৈ ঘৰখন নিৰ্মাণ কৰি সন্তানৰ সৈতে সুখেৰে দিন অতিবাহিত কৰিবলৈ আহ্বান জনায় তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই আহ্বান জনায়। অনুমোদন পত্ৰ বিতৰণৰ এই অনুষ্ঠানত কামৰূপ জিলাৰ বকোত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ দেখুওৱাৰ লগতে অনুমোদন পত্ৰ বিতৰণ কৰা পৰিলক্ষিত হৈছে। গাভৰু আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জয়া দাসৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ লগতে জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মা, অতিৰিক্ত জিলা আয়ুক্ত জেমছ আইণ্ড, গাভৰু উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ছৈয়দ ৰাহিদুৰ ৰহমান আৰু ইয়াৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমূহৰ সভাপতি সদস্য আৰু কেইবা শতাধিক হিতাধিকাৰী ৰাইজ উপস্থিত থাকে।

## সুৰা সেৱন কৰি যান-বাহন নচলাবলৈ আহ্বান

# নগাঁৱত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

### ঘন কুঁৱলী-পিকনিকৰ বতৰত যান-বাহন চালকৰ প্ৰতি বিশেষ আহ্বান

**অসম বাৰ্তা, বড়মপুৰ, ১১ ডিচেম্বৰ** ঃ নগাঁও জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ উদ্যোগত আৰু ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ সহযোগত নগাঁৱৰ বৰঘাট বাইপাছত আজি পুৱা এখনি "পথ সুৰক্ষা সজাগতা সভা" অনুষ্ঠিত হয়। আজিৰ এই পথ সুৰক্ষা সজাগতা সভাত সভাপতিত্ব কৰে জিলা পৰিবহণ বিষয়া সীমান্ত বৰাই। নগাঁও পৰিবহণ প্ৰৱৰ্তক বিষয়া প্ৰহ্লাদ হাজৰিকা, সুদীপ্ত শইকীয়া, তুলতুল গগৈ, প্ৰদীপ ভূঞা লগতে অন্যান্য সকল, ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ ইন্দ্ৰ কলিতা, ধ্ৰুৱ কলিতাকে প্ৰমুখ্য কৰি বহু গণ্য-মান্য ব্যক্তিৰ লগতে যান-বাহনৰ চালক কণ্ডাক্টৰ সকল উপস্থিত থাকে। পৰিবহণ বিষয়া সীমান্ত বৰাই পথ সুৰক্ষা সজাগতাৰ ওপৰত আলোকপাত কৰি বৰ্তমান ঘন কুঁৱলীৰ আৰু পিকনিকৰ বতৰত যান-বাহন চালক সকলক প্ৰতিটো ক্ষেত্ৰতে অধিক সৰ্তক হৈ থাকি যানবাহন সমূহ চলাচল কৰিবলৈ আহ্বান জনাই। লগতে যানবাহন চলোৱাৰ সময়ত যদি কোনোবা চালকে মাদকদ্ৰব্য সেৱন কৰি যানবাহন চলাই দুৰ্ঘটনা সংঘটিত কৰে তেনে হলে সেই যানবাহনৰ চালকৰ ওপৰত যানবাহন আইন অনুসৰি শাস্তিৰ ব্যৱস্থা কৰাৰ লগতে দহ হেজাৰ টকাৰ জৰিমনা আৰু চালকৰ অনুজ্ঞাপত্ৰ বাতিল হব বুলি কঠোৰভাৱে জনায়। সভাত ৰামধেনু ট্ৰেভেল এজেঞ্চিৰ হৈ মনি কলিতাই চালক-কনদা"ৰ সকলক সদায় যাত্ৰী সকলক নিজৰ পৰিয়ালৰ এজন বুলি ভাবি বাহনত উঠোৱাৰ লগতে তেওঁলোকক কেনেকৈ নিৰাপদে সুৰক্ষা প্ৰদান কৰি গন্তব্যস্থানত এৰিব পাৰে তাৰ প্ৰতি সৰ্তক হবলৈ আহ্বান জনাই লগতে নগাঁও পৰিবহণ বিভাগক সকলো দিশতে সদায় সহযোগিতা প্ৰদানৰ আশ্বাস প্ৰদান কৰি বক্তব্য আগবঢ়োৱাৰ লগতে পথ সুৰক্ষাই পথচাৰী আৰু যান বাহনৰ আৰোহী সকলৰ সৰ্তকতা আৰু নিয়মাৱলীক গুৰুত্ব প্ৰদান কৰাৰ লগতে পথ সুৰক্ষাই জীৱন ৰক্ষা এই বাক্যশাৰী মনত ৰাখিবলৈ আহ্বান জনাই। উল্লেখ যে, নগাঁও বৰঘাট বাইপাছত উৰনীয়া সেতু আৰম্ভ হোৱাৰ পাছৰে পৰা দুৰ্ঘটনা ৰোধৰ ক্ষেত্ৰত নতুনকৈ চাৰিওটা দিশতে গতিৰোধক দিবলৈ দীৰ্ঘদিনৰ পৰা এক দাবী জনাই অহা হৈছিল। সেই সকলো দাবী জিলা প্ৰশাসনৰ সহযোগত আৰু লোকনিৰ্মাণ বিভাগৰ তৎপৰতা অতি শীৰ্ঘে নিৰ্মাণৰ বাবে ব্যৱস্থা হাতত লোবা হব বুলি নগাঁও পৰিবহণ বিষয়া সীমান্ত বৰাই জানিব দিছে। আজি পুৱাৰ ভাগতে আয়োজিত সজাগতা অনুষ্ঠানটি সামগ্ৰীকভাৱে আঁতধৰে জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী তথা সাংস্কৃতিক কৰ্মী দৰ্শন মহন্তই।

# ১১ ডিচেম্বৰ পৰা ২৩ ডিচেম্বৰলৈ কামৰূপ জিলাত ইভিএম আৰু ভিভিপেট মেচিনৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১১ ডিচেম্বৰ** ঃ আগন্তুক ২০২৬ বৰ্ষৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ইলেক্ট্ৰনিক ভোটিং মেচিন (EVM) আৰু ভোটাৰ ভেৰিফাইড পেপাৰ অডিট ট্ৰেইল (VVPAT)-ৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ (First Level Checking - FLC) কামৰূপ জিলাত অহা ১১ ডিচেম্বৰৰ পৰা ২৩ ডিচেম্বৰ, ২০২৫ লৈ অনুষ্ঠিত কৰা হ'ব। এই পৰীক্ষণ কাৰ্যসূচী প্ৰতিদিনে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ইভিএম গুদামঘৰত (Warehouse) অনুষ্ঠিত হ'ব। ইভিএম আৰু ভিভিপেট মেচিনসমূহৰ এই পৰীক্ষণ প্ৰক্ৰিয়াত ভাৰতীয় ইলেক্ট্ৰনিক্স নিগম লিমিটেড (ECIL)ৰ ১০জন অভিযন্তা উপস্থিত থাকিব। এই পৰীক্ষণ প্ৰক্ৰিয়াত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ সক্ৰিয়ভাৱে সহযোগিতা তথা উপস্থিতি কামৰূপৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই কামনা কৰিছে। উল্লেখ্য যে কামৰূপ জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰ ১৫৫৫টা আৰু বৰ্তমানে জিলাখনত মুঠ ২৩৫৯টা বেলট ইউনিট (BU), ২৫১২টা কণ্ট্ৰ'ল ইউনিট (CU) আৰু ২৭০৬টা ভিভিপেট (VVPAT) মেচিন জিলাখনত উপলব্ধ আছে। প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়াত ১৯৪৪টা BU (ভোটগ্ৰহণ কেন্দ্ৰৰ ১২৫ শতাংশ), ২০৯৯টা CU (ভোটগ্ৰহণ কেন্দ্ৰৰ ১৩৫ শতাংশ), আৰু ২০৯৯টা VVPAT (ভোটগ্ৰহণ কেন্দ্ৰৰ ১৩৫ শতাংশ) পৰীক্ষা কৰা হ'ব। উক্ত পৰীক্ষণ কাৰ্য্য কামৰূপ জিলা নিৰ্বাচনী বিষয়াৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশাবলী অনুসৰি অনুষ্ঠিত কৰা হ'ব।

# ধুবুৰীৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত "শ্বহীদ দিৱস উদ্‌যাপন"



**অসম বাৰ্তা, ধুবুৰী, ১১ ডিচেম্বৰ** ঃ আজি সমগ্ৰ ৰাজ্যৰ লগত ধুবুৰী জিলাৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত "শ্বহীদ দিৱস" উদযাপন কৰা হয়। কাৰ্যক্ৰমণিকাত কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত শ্ৰোতাৰ বাবে ব্যৱস্থা কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে জিলা আয়ুক্ত দিবাকৰ নাথ, ধুবুৰী - গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱোময় সান্যাল আৰু উপস্থিত বিশিষ্ট ব্যক্তি সকলে অসম আন্দোলনত নিজৰ জীৱন ত্যাগ কৰা ধুবুৰী জিলাৰ ১১ গৰাকী অমৰ, শ্বহীদ ক্ৰমে শ্বহীদ পূৰ্ণ বিশ্বাস, শ্বহীদ গোপাল মেধি, শ্বহীদ সোমেন বৰ্মন, শ্বহীদ তৰণী নাথ, শ্বহীদ বিশ্বাদু নামসুদ্ৰ, শ্বহীদ ঘূকাশু ৰায়, শ্বহীদ হৰেণ দাস, শ্বহীদ যোগেশ নাথ, শ্বহীদ ভবেন্দ্ৰ নাথ, শ্বহীদ কৰিন্দ্ৰ বৰ্মন আৰু শ্বহীদ বিপুল চন্দ্ৰ ৰায় দেৱ সকলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছত পশ্চিম বৰগাঁও, গুৱাহাটীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ উপস্থিত শ্ৰোতা সকলে প্ৰত্যেক্ষ কৰে। জিলা আয়ুক্ত দিবাকৰ নাথে নিজৰ ভাষণ প্ৰসংগত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমৰ ছয় বছৰীয়া জনপ্ৰিয় বিদ্ৰোহৰ বিষয়ে উল্লেখ কৰি কয় যে খিলঞ্জীয়া অসমীয়া সংস্কৃতি, ভূমি আৰু সম্পদ সুৰক্ষিত কৰিবলৈ প্ৰাণ আহুতি দিয়া ১৬০ গৰাকী শ্বহীদক আজি ১০ ডিচেম্বৰৰ দিনা শ্ৰদ্ধা জ্ঞাপন কৰা হয়। অসম আন্দোলনত অসমীয়া ভাষা সংস্কৃতি আৰু পৰিচয় সুৰক্ষাৰ কাৰণে তেওঁলোকৰ নিঃস্বাৰ্থ বলিদানক সন্মান আজি আমি সকলোৱে জনাও। তেখেতে মন্তব্য প্ৰদান কৰে যে ১০ ডিচেম্বৰ তাৰিখে বৰপেটা জিলাৰ ভৱানীপুৰত শ্বহীদ খৰগেশ্বৰ তালুকদাৰৰ অসম আন্দোলনত নিজৰ জীৱন ত্যাগ কৰিছিল আৰু তেখেতক প্ৰাণিপাত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ল। ইয়াৰ পাছত উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু শিল্পী সমাজকে আদি কৰি উপস্থিত সকলোৱে সামূহিক ভাৱে "শ্বহীদ প্ৰণামো তোমাৰ" গীতটি পৰিৱেশন কৰে। অসম আন্দোলনত নিজৰ প্ৰাণ আহুতি দিয়া সকলো বীৰ শ্বহীদসকলক স্মৰণ কৰি অনুষ্ঠানৰ সমাপ্তি ঘটে। আজিৰ অনুষ্ঠানত উপস্থিত আছিল জিলা আয়ুক্ত দিবাকৰ নাথ, ধুবুৰী -গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱোময় সান্যাল, বিশিষ্ট সমাজকৰ্মী বিশ্বজিৎ কলিতা, ধুবুৰী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি উদয়ন চক্ৰৱৰ্তী, সংশ্লিষ্ট বিভাগৰ বিষয়াববীয়া, ছাত্ৰ -ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকল, শিল্পী সমাজ আৰু সংবাদ মাধ্যম।

# মিছাজান গোহাঁইবাৰী খেলপথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভণি

**অসম বাৰ্তা, গেলেকী, ১১ ডিচেম্বৰ** ঃ বৃহত্তৰ মিছাজান সন্মিলিত যুৱ সমাজৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত প্ৰয়াত ভাগ্যজ্যোতি বড়া সোঁৱৰণি ট্ৰফি ও প্ৰাইজমণি ফুটবল প্ৰতিযোগিতা খনিৰ আজি শুভাৰম্ভণি কৰা হয়। এই উদ্দেশ্যৰে অনুষ্ঠিত অনুষ্ঠানৰ দিনৰ ১২ বজাত বৃক্ষ ৰোপণ কৰে খেল পৰিচালনা সমিতিৰ সভাপতি হৰেণ কলিতাই। দিনৰ ১ বজাত অনুষ্ঠিত কৰা হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ এই অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ লগতে প্ৰয়াত ভাগ্যজ্যোতি বড়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাপন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছতেই মায়াবিনী গীত পৰিৱেশন কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। দিনৰ ২ বজাত প্ৰতিযোগিতাৰ উদ্বোধন কৰা হয়। উদ্বোধক হিচাপে উপস্থিত আছিল গেলেকী চাহ বাগিচাৰ পৰিচালক প্ৰণৱ বৰুৱা। উদ্বোধনী মেচত অংশগ্ৰহণ কৰে নাজিৰা বাগিচা ফুটবল একাদশ বনাম লোণপূৰীয়া ফুটবল একাদশ দলে। উদ্বোধনী মেচখনত লোণপূৰীয়া ফুটবল একাদশ দলে নাজিৰা ফুটবল একাদশক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। এই মেচখনত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰিবলৈ সক্ষম হয় লোণপূৰীয়া ফুটবল একাদশ দলৰ চানু শইকীয়াই। আজিৰ এই মেচখন উপভোগ কৰিবলৈ স্থানীয় ভালেসংখ্যক লোক সমবেত হয় খেলপথাৰত।

# পিপলিবাৰীত অগপৰ বৰক্ষেত্ৰী সমষ্টি সমিতিৰ উদ্যোগত শ্বহীদ দিৱস পালন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১১ ডিচেম্বৰ** ঃ নলবাৰীৰ বৰক্ষেত্ৰীৰ পিপলিবাৰীত অসম গণ পৰিষদৰ বৰক্ষেত্ৰী সমষ্টি সমিতিৰ উদ্যোগত আজি বিস্তৃত কাৰ্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হয়। পুৱা পতাকা উত্তোলনৰ পিছতে পিপলিবাৰীৰ পঞ্চ শ্বহীদ বেদীত অসম আন্দোলনৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছতে অগপৰ বৰক্ষেত্ৰী সমষ্টি সমিতিৰ সভাপতি খগেন মেধিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অসম গণ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক কেশৱ চন্দ্ৰ ডেকাই অসম আন্দোলনৰ স্মৃতি ৰোমন্থন কৰি আন্দোলনত নলবাৰী জিলাৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অসম আন্দোলনৰ সময়ত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্বত থকা বৰ্তমানৰ অগপৰ কেন্দ্ৰীয় সম্পাদক কেশৱ চন্দ্ৰ ডেকাই অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ লগতে অসম আন্দোলনৰ শ্বহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰাৰ উপৰিও আন্দোলনত জিলাখনত মৃত্যুক আকোৱালি লোৱা ৩৭ গৰাকী শ্বহীদৰ স্মৃতি ৰোমন্থন কৰে। অগপৰ বৰক্ষেত্ৰী সমষ্টি সমিতিৰ সম্পাদক জাহিৰ আলম চৌধুৰীয়ে আতধৰা উক্ত সভাত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ উপ সভাপতি কবিতা বৰ্মন, আঞ্চলিক পঞ্চায়তৰ সদস্যা বিজুমনি ডেকা ভূঞা, অগপ নেত্ৰী ভাৰতী গোস্বামী, অসম যুৱ পৰিষদৰ বৰক্ষেত্ৰী সমষ্টি সমিতিৰ সভাপতি বিকি শৰ্মা, সম্পাদক পৰাগ শৰ্মা, অগপ নেতা তপন কুমাৰ শৰ্মা, কিশোৰ তালুকদাৰ, অনিল হালৈ, যাদৱ কলিতা, বিশিষ্ট সমাজকৰ্মী দিবাকৰ তালুকদাৰ, ঘণশ্যাম বৈশ্য আদি কেইবাজনেও অংশগ্ৰহণ কৰে। উক্ত সভাতে বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কেইবাটাও শ্বহীদ পৰিয়াল আৰু নিৰ্যাতিতক সম্বৰ্দ্ধনা জনোৱা হয়।

